www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্রতীক

অসম বার্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

নিজক সদায় আনন্দত ৰাখিবা। আনন্দময়, উৎসাহী আৰু শক্তিমান কাৰণেহে জগতখন, দুৰ্বল, নিৰুৎসাহী মানহৰ বাবে নহয়। - ওমাচা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্রতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্রচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

প্রথম বছৰ ❐ সংখ্যা- ৩০৯ ❐ বৃহস্পতিবাৰ ❐ ১৭ ছেপ্টেম্বৰ, ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 309 ❐ Thursday ❐ 17th September, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page-8

■ ৰাজ্যজুৰি কুইজ, আবৃত্তি প্রতিযোগিতাকে ধৰি বিভিন্ন কার্যসূচী ■

আজিৰে পৰা ১৭ অক্টোবৰলৈ অসমত সেৱা সমর্পণ মাহ

আজি সন্ধিয়া মাটিৰ চাকি জ্বলাবলৈ মুখ্যমন্ত্রীৰ আহ্বান

নিউজ ডেস্ক, অসম বার্তা, ১৬ ছেপ্তেম্বৰ ঃ প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ জন্মদিন তথা একেবাহে মুখ্যমন্ত্রী আৰু প্রধানমন্ত্রীৰূপে ২৫ বছৰ সম্পূর্ণ হোৱা উপলক্ষে দেশৰ অন্যান্য প্রান্তৰ লগতে অসমতো কাইলৈৰ পৰা অহা ১৭ অক্টোবৰলৈ সেৱা সমর্পণ মাহৰ আয়োজন কৰা হৈছে। এই সময়ছোৱাত কুইজ, আবৃত্তি প্রতিযোগিতাকে ধৰি বিভিন্ন কার্যসূচী অনুষ্ঠিত হ'ব। প্রধানমন্ত্রী মোদীৰ জন্মদিন উপলক্ষে কাইলৈ সন্ধিয়া মাটিৰ চাকি জ্বলাবলৈ অসমবাসীক মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই সামাজিক মাধ্যমযোগে ❐ ২ পৃষ্ঠাত





প্রবীণ অভিনেতা অনন্ত নাগলৈ ২০২৪ বর্ষৰ 'দাদা চাহেব ফাল্কে বঁটা'

ভাৰতীয় চলচ্চিত্রলৈ আগবঢ়োৱা স্মৰণীয় অৱদানৰ স্বীকৃতিস্বৰূপে এই সর্বোচ্চ সম্মান, প্রধানমন্ত্রীৰ অভিনন্দন

নেশ্যনেল ডেস্ক, অসম বার্তা, ১৬ ছেপ্তেম্বৰ ঃ ভাৰতীয় চলচ্চিত্র জগতলৈ আগবঢ়োৱা স্মৰণীয় অৱদানৰ স্বীকৃতিস্বৰূপে প্রবীণ অভিনেতা অনন্ত ❐ ৬ পৃষ্ঠাত

নগাঁও লোকসভা উপ-নির্বাচন ঃ তিনিগৰাকী প্রার্থীৰ মনোনয়ন দাখিল

দেৱাশিস শর্মা, শিৰামণি বৰা আৰু বদৰুদ্দিন আজমলে বিশাল ৰেলীৰে মনোনয়ন পত্র দাখিল



ষ্টাফ বিপৰ্টাৰ, অসম বার্তা, ১৬ ছেপ্তেম্বৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নির্বাচনৰ বাবে মনোনয়ন পত্র দাখিলৰ আজি আছিল অন্তিম দিন। অন্তিম দিনটোত তিনিটা প্রধান ৰাজনৈতিক দল- বিজেপি, কংগ্রেছ আৰু AIUDFৰ প্রার্থীয়ে বিশাল সমর্থক সমদল আৰু ৰেলীৰে নিজৰ মনোনয়ন ❐ ৬ পৃষ্ঠাত

■ কেমিকেল চায়েঞ্চ বিভাগৰ ছাত্র জ্যোতিস্মান বৰুৱাৰ মৃত্যুক লৈ তীব্র চাঞ্চল্য ■

মণিপুৰত সন্দেহযুক্ত নগা উগ্রপন্থীৰ আক্রমণ; দুই কুকি মহিলা নিহত

নেশ্যনেল ডেস্ক, অসম বার্তা, ১৬ ছেপ্তেম্বৰ ঃ মণিপুৰত পুনৰ এক হিংসাত্মক ঘটনা সংঘটিত হৈছে। উত্তৰ-পূর্বাঞ্চলৰ অন্যতম ৰাজ্য মণিপুৰত নগা উগ্রপন্থীৰ আক্রমণত দুই কুকি মহিলা নিহত হৈছে। ❐ ৬ পৃষ্ঠাত

তেজপুৰ বিশ্ববিদ্যালয়ৰ ছাত্রাবাসৰ কোঠাত ছাত্রৰ ৰহস্যজনক আত্মহনন

ষ্টাফ বিপৰ্টাৰ, অসম বার্তা, ১৬ ছেপ্তেম্বৰ ঃ অসমৰ অন্যতম আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান তেজপুৰ বিশ্ববিদ্যালয়ত সংঘটিত হৈছে এক অঘটন। বিশ্ববিদ্যালয় খনৰ কেমিকেল চায়েঞ্চ (Chemical Sciences) বিভাগৰ এজন মেধাৰী ছাত্রই নিজৰ ছাত্রাবাসৰ কোঠাতে ৰহস্যজনক ভাবে আত্মহনন কৰা ঘটনাই সমগ্র বিশ্ববিদ্যালয়



"এটা শিশু সদায় শিশুৱেই"

নিশু আজাদক ভাবুকিৰ গোচৰত উচ্চতম ন্যায়ালয়ৰ গুৰুত্বপূর্ণ স্থিতি

নেশ্যনেল ডেস্ক, অসম বার্তা, ১৬ ছেপ্তেম্বৰ ঃ ককৰাঝাৰ জনতা পার্টি (CJP)-ৰ আন্দোলনত সক্রিয়ভাবে অংশগ্রহণ কৰা ১৪ বছৰীয়া শিক্ষার্থী আন্দোলনকাৰী নিশু আজাদ আৰু তেওঁৰ পৰিয়াললৈ অহা ধাৰাবাহিক ভাবুকিৰ বিষয়টো উচ্চতম ন্যায়ালয়ে এক অত্যন্ত গুৰুত্বপূর্ণ স্থিতি গ্রহণ কৰিছে। "এটা শিশু সদায় শিশুৱেই" বুলি ❐ ৬ পৃষ্ঠাত

১৯ ছেপ্তেম্বৰত আছুৰ উদ্যোগত ৰাজ্যজুৰি 'পোহৰৰে চাকিগছি' অনুষ্ঠান

ষ্টাফ বিপৰ্টাৰ, গুৱাহাটী, ১৬ ছেপ্তেম্বৰ ঃ মাত্র মাত্র দুটা দিন। অসমবাসীয়ে কেতিয়াও নিবিচৰা সেই দিনটোৰ এটা বছৰ সম্পূর্ণ হ'ব। প্রাণৰ শিল্পীগৰাকী নোহোৱা হোৱাৰ পৰা প্রতিজন অসমীয়াই এটা বছৰ বুকুত যেন এটচা গধুৰ শিল লৈ পাৰ কৰিছে। অভিশপ্ত সেই দিনটোৰ এটা বছৰ পূর্ণ হোৱাৰ ক্ষণত হার্টথ্বৰ জুবিন গার্গক স্মৰণ কৰিবলৈ বিভিন্ন দল-সংগঠনে বিভিন্ন পদক্ষেপ গ্রহণ কৰিছে। সদৌ অসম ছাত্র সন্থাৰ আহ্বানমতে ৰাজ্যৰ প্রতিখন জিলা সদৱত অহা ❐ ৬ পৃষ্ঠাত

ন্যূনতম খৰচত জুবিন ক্ষেত্রলৈ যাত্রী কঢ়িয়াব অসম ৰাজ্যিক চালক সন্থাই



জুবিন ক্ষেত্রত উপস্থিত হৈ ১৭, ১৮ আৰু ১৯ ছেপ্টেম্বৰৰ কার্যসূচীৰ বুজ

জুবিন দিৱসৰ প্রস্তুতি পৰিদর্শন বিমল বৰাৰ

ষ্টাফ বিপৰ্টাৰ, সোণাপুৰ, ১৬ ছেপ্তেম্বৰ ঃ প্রাণৰ শিল্পী জুবিন গার্গদেৱৰ স্মৃতিত অহা ১৭, ১৮ আৰু ১৯ ছেপ্টেম্বৰত সোণাপুৰৰ কমাৰকুছিৰ জু বিন ক্ষেত্রত অনুষ্ঠিত হ'বলগীয়া জুবিন দিবসৰ কার্যসূচীৰ প্রস্তুতি ❐ ৬ পৃষ্ঠাত



ওদালগুৰিৰ বিদেশী ন্যায়াধীকৰণ আদালতৰ ন্যায়াধীশ ভূপেন চন্দ্র পেগুক গ্রেপ্তাৰ

ষ্টাফ বিপৰ্টাৰ, গুৱাহাটী, ১৬ ছেপ্তেম্বৰ ঃ ওদালগুৰি জিলাৰ মাজবাটস্থিত বিদেশী ন্যায়াধীকৰণ আদালতৰ ন্যায়াধীশ ভূপেন চন্দ্র পেগুক সোমবাৰে নিশা মাজবাট পশু চিকিৎসা বিভাগৰ অতিথিশালাৰ পৰা গ্রেপ্তাৰ কৰা হয়। এই লোকজনৰ বিৰুদ্ধে বিজ্ঞাপন অবিহনে ❐ ৬ পৃষ্ঠাত

❐ কেন্দ্রীয় গৃহ মন্ত্রণালয়ৰ নীতি অনুসৰি কঠোৰ পদক্ষেপ ❐

শ্বেহজাদ ভাট্টি নেটৰ্বকক ইউএপিএৰ অধীনত সন্ত্রাসবাদী সংগঠন ঘোষণা



নিউজ ডেস্ক, অসম বার্তা, ১৬ ছেপ্তেম্বৰ ঃ বুধবাৰে কেন্দ্রীয় গৃহ মন্ত্রণালয়ে (এমএইচএ) শ্বেহজাদ ভাট্টি নেটৰ্বকক বে-আইনী কার্যকলাপ প্রতিৰোধ আইন (ইউএপিএ)ৰ অধীনত সন্ত্রাসবাদী সংগঠন হিচাপে ঘোষণা কৰিছে। প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ সন্ত্রাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতিৰে এই সিদ্ধান্ত গ্রহণ কৰা হৈছে বুলি গৃহ মন্ত্রণালয়ে স্পষ্ট কৰিছে। গৃহ মন্ত্রণালয়ৰ মতে, শ্বেহজাদ ভাট্টি নেটৰ্বক (এছবিএন) ❐ ৬ পৃষ্ঠাত

নাগৰিক সংকটৰ বিৰুদ্ধে ৰাজ্য -ব্যাপী প্রতিৰোধ গঢ়াৰ লক্ষ্যৰ

২০ ছেপ্টেম্বৰত গুৱাহাটীত জৰুৰী 'নাগৰিক অভিৰ্বতন'

ষ্টাফ বিপৰ্টাৰ, অসম বার্তা, গুৱাহাটী, ১৬ ছেপ্তেম্বৰ ঃ অসমত ক্রমবর্ধমান নাগৰিক অধিকাৰৰ সংকট, ভূমি-জীৰিকাৰ সংকট আৰু গণতান্ত্রিক অধিকাৰ সংকোচনৰ বিৰুদ্ধে এক ৰাজ্যব্যাপী শক্তিশালী প্রতিৰোধ গঢ়ি তোলাৰ লক্ষ্যৰে অহা ২০ ছেপ্টেম্বৰত গুৱাহাটীৰ লক্ষ্মীৰাম বৰুৱা সদনত এখন জৰুৰী 'নাগৰিক অভিৰ্বতন' অনুষ্ঠিত হ'ব। ফাৰাম ছ'চিয়েল হাবমনীৰ উদ্যোগত পুৱা ১০ বজাৰ ❐ ৬ পৃষ্ঠাত

২৯ নৱেম্বৰত ভাৰত মণ্ডপত অনুষ্ঠিত হ'ব সামৰণী অনুষ্ঠান

ড° ভূপেন হাজৰিকাৰ শতবর্ষ জয়ন্তীৰ সামৰণী অনুষ্ঠানৰ প্রস্তুতিৰ বুজ মুখ্যমন্ত্রীৰ



নিউজ ডেস্ক, অসম বার্তা, ১৬ ছেপ্তেম্বৰ ঃ সুধাকণ্ঠ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাদেৱৰ শতসংখ্যক জয়ন্তী উদযাপনৰ সামৰণী অনুষ্ঠানৰ সন্দর্ভত আজি লোকসেৱা ভৱনত প্রস্তুতিৰ বুজ লয় মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই। এই সন্দর্ভত তেওঁ নিজৰ ফেচবুক পোষ্টত এই কথা জনাইছে। মুখ্যমন্ত্রীগৰাকীয়ে ফেচবুক পোষ্টত উল্লেখ কৰে যে ২৯ নৱেম্বৰত নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'বলগীয়া এই বিশেষ অনুষ্ঠানত ভূপেনদাৰ অনন্য সৃষ্টিশীলতা আৰু কালজয়ী শিল্পীসত্তাক উদয়াপন কৰি এক বিশাল সাংস্কৃতিক পৰিবেশন, ❐ ৬ পৃষ্ঠাত

৫১ লাখৰো অধিক কর্মচাৰী সামৰি লোৱাৰ সম্ভাবনা

EPFO মজুৰি সীমা ২৫ হাজাৰ টকালৈ বৃদ্ধি

কেন্দ্রীয় কেবিনেটৰ সিদ্ধান্ত; বিশ্বকর্মা পূজাৰ দিনাৰ পৰা কার্যকৰী হ'ব নতুন মজুৰি সীমা

নেশ্যনেল ডেস্ক, অসম বার্তা, ১৬ ছেপ্তেম্বৰ ঃ কর্মচাৰী ভৰিষ্য নিধি সংস্থাৰ (EPFO) অধীনত বাধ্যতামূলক কভাৰেজৰ বাবে মজুৰি ❐ ৬ পৃষ্ঠাত



কংগ্রেছ প্রার্থী শিৰামণি বৰাক কটাক্ষ তৃণমূলৰ শ্বেৰমান আলী আহমেদৰ

৬০ শতাংশ সংখ্যালঘু অঞ্চলত সংখ্যালঘু প্রার্থী কিয় নিদিলে কংগ্রেছে ঃ শ্বেৰমান আলী আহমেদ

ষ্টাফ বিপৰ্টাৰ, অসম বার্তা, ১৬ ছেপ্তেম্বৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নির্বাচনত কংগ্রেছৰ প্রার্থী শিৰামণি বৰাক কটাক্ষ কৰিছে তৃণমূল কংগ্রেছৰ বাঘবৰ সমষ্টিৰ বিধায়ক শ্বেৰমান আলী আহমেদে। নগাঁও লোকসভা সমষ্টিৰ উপ- ❐ ৬ পৃষ্ঠাত



কৰ নীতিৰ ওপৰত স্বতন্ত্র গৱেষণাৰ বিত্তমন্ত্রীৰ আহ্বান

অর্থনীতিৰ ওপৰত অহৰহ নেতিবাচক মন্তব্য কৰাটো চিন্তনীয় ঃ নির্মলা সীতাৰমণ

নেশ্যনেল ডেস্ক, অসম বার্তা, ১৬ ছেপ্তেম্বৰ ঃ ভাৰতৰ অর্থনীতি সম্পর্কে নিৰন্তৰ নেতিবাচক মন্তব্য কৰাটো গভীৰভাবে চিন্তনীয়। সমগ্র বিশ্বই যেতিয়া এক কঠিন পৰিস্থিতিৰ মাজেৰে পাৰ হৈ আহিছে, তেনে সময়ত ভাৰতৰ অর্থনৈতিক অৱস্থা আন বহু দেশতকৈ বহুত বেছি সুস্থিৰ আৰু উন্নত। বুধবাৰে ❐ ৬ পৃষ্ঠাত



❐ ১৯৯১ চনৰ চুক্তিৰ ১০ নং অনুচ্ছেদৰ উলংঘন ❐

আৰৰ সাগৰত ভাৰত-পাকিস্তান নৌসেনাৰ জাহাজৰ সংঘর্ষ

নেশ্যনেল ডেস্ক, অসম বার্তা, ১৬ ছেপ্তেম্বৰ ঃ বুধবাৰে উত্তৰ আৰৰ সাগৰত ভাৰত আৰু পাকিস্তানৰ নৌসেনাৰ জাহাজৰ মাজত সংঘর্ষ হয়। এই বিষয়ত পাকিস্তানৰ নৌসেনাৰ ❐ ৬ পৃষ্ঠাত



■ উজনি অসমৰ বান দুর্গতক লৈ ৰাজনৈতিক পৰিৰেশ উত্তপ্ত ■

প্রধানমন্ত্রী মোদীৰ জন্মদিনত বিজেপিৰ কার্যসূচীৰ বিপৰীতে বানপীড়িতৰ ন্যায়ৰ দাবীত বহিব অখিল

নিউজ ডেস্ক, অসম বার্তা, ১৬ ছেপ্তেম্বৰ ঃ বৃহস্পতিবাৰে প্রধানমন্ত্রী নৰেন্দ্র মোডীৰ ৭৬ সংখ্যক জন্মদিন। এই উপলক্ষে শাসকীয় বিজেপি দলে বাজ্যত বিভিন্ন কার্যসূচীৰ আয়োজন কৰিছে। কিন্তু শেহতীয়াকৈ উজনি অসমৰ তিনিখন জিলাত সংঘটিত ভয়াবহ ❐ ৬ পৃষ্ঠাত

কুমচাং কাকলাইনত নোৱাখাই ভেট-ঘাট উৎসৱ পালন

অসম বাৰ্তা, ছৈখোৱা, ১৬ ছেপ্টেম্বৰ ঃ উড়িয়া সমাজৰ অন্যতম উৎসৱ নোৱাখাই ভেট-খাট আজি কুমচাং কাকলাইনত অসম উড়িয়া মহাসভা কাকপথাৰ শাখা সমিতিৰ উদ্যোগত আৰু কুমচাং কাকলাইন উড়িয়া কুটুম সভাৰ সহযোগত আয়োজন কৰে। কাৰ্যসূচী অনুসৰি পুৱা সামূহিক চাফাই অভিযানৰ পিছতে গছ পুলি ৰোপণ কৰি উৎসৱৰ স্বকীয় ৰীতি নীতি অনুসৰি গ্ৰামথানত পূজা-অৰ্চনা কৰে। ইয়াৰ পিছতেই অসম উড়িয়া মহাসভাৰ কাকপথাৰ শাখা সমিতিৰ সভাপতি মদন বেনীয়া আৰু কুমচাং কাকলাইন উড়িয়া কুটুম সভাৰ সম্পাদক মনোজ তাঁতীয়ে পৃথকে পতাকা উত্তোলন কৰে। স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে খিৰুদ তাঁতী আৰু নিৰ্মল কষ্টাই। দিনজোৰা কাৰ্যসূচীত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি সদৌ অসম চাওঁৰা সমাজৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন নেতা গাঞ্জু চাওঁৰা আৰু উৰিষ্যাৰ সম্বলপুৰ জিলাৰ সুনিতা লহা তাঁতীয়ে নোৱা খাই ভেট ঘাটৰ পৰম্পৰাগত ৰীতি নীতিৰ সম্পৰ্কত বক্তব্য প্ৰদান কৰে। শেষলৈ বহু কেইগৰাকী শিল্পী কলাকুশলীয়ে উড়িয়া লোকসাংস্কৃতিৰ গীত, নৃত্য পৰিৱেশনেৰে দিনজোৰা উৎসৱৰ সামৰণি মাৰে।

বৃহত্তৰ ডুমডুমা অঞ্চলবাসী ৰাইজৰ উদ্যোগত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত ‘জুবিন দিৱস’ উদ্‌যাপনৰ আয়োজন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৬ ছেপ্টেম্বৰ ঃ অসমবাসীৰ প্ৰাণৰ শিল্পী ঈশ্বৰপুত্ৰ জুবিন গাৰ্গৰ প্ৰথম বাৰ্ষিক স্মৃতি দিৱসটি জুবিন দিৱস হিচাপে বৃহত্তৰ ডুমডুমা অঞ্চলবাসী ৰাইজৰ উদ্যোগত ডুমডুমা নগৰৰ মাজমজিয়াত অৱস্থিত গান্ধীমূৰ্ত্তি প্ৰাংগনত অহা ১৯ ছেপ্টেম্বৰ তাৰিখে দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হ'ব। কাৰ্যসূচী অনুসৰি ১৯ ছেপ্টেম্বৰৰ পুৱা ৫ বজাত জুবিন গাৰ্গৰ গীতেৰে চহৰখনত প্ৰভাত ফেৰী উলিওৱা হ'ব আৰু তাৰ পাছতে পশু-পক্ষীৰ মাজত খাদ্য বিতৰণ কৰা হ'ব। পুৱা ৬ বজাত ৰাজহুৱা চাফাই অভিযান। পুৱা ৮ বজাত ৰাজহুৱা স্থানত গছপুলি ৰোপণ। পুৱা ৯ বজাত গান্ধীমূৰ্তি প্ৰাংগনত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি আৰু তাৰ পাছত সৰ্বধৰ্ম প্ৰাৰ্থনা সভা অনুষ্ঠিত হ'ব। পুৱা ১০ বজাৰ পৰা ডুমডুমাৰ ৰাজহুৱা স্থানত জুবিন গাৰ্গৰ প্ৰতিচ্ছৱি অংকন কৰা হ'ব। বিয়লি ২ বজাত দৰিদ্ৰ লোকসকলৰ মাজত আহাৰ বিতৰণ কৰা হ'ব আৰু বিয়লি ৩ বজাত গান্ধীমূৰ্তি প্ৰাংগণত দিহানাম প্ৰদৰ্শন কৰা হ'ব। সন্ধিয়া ৫ বজাত ঘৰে ঘৰে আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হ'ব। সন্ধিয়া ৬ বজাত গান্ধীমুৰ্ত্তি প্ৰাংগনত জুবিন গাৰ্গৰ গীত পৰিৱেশন আৰু সন্ধিয়া ৭ বজাত সমূহীয়াকৈ মায়াবিনী গীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি পৰিব। জুবিন দিৱস উপলক্ষে আয়োজিত প্ৰতিটো কাৰ্যসূচীত সমূহ ৰাইজৰ একান্ত উপস্থিতি আৰু সহায়-সহযোগিতা কামনা কৰিছে আহ্বায়কদ্বয় সমুজ্জ্বল বড়া সোণোৱাল আৰু দেবেন ডেকাই।

কলগাছিয়াৰ দিগজানীত ভূমি বিবাদক কেন্দ্ৰ কৰি অমানৱীয় কাণ্ড

ভাতৃয়ে কাটি নষ্ট কৰিলে প্ৰায় দুই বিঘা মাটিৰ লহপহীয়া ভেণ্ডি খেতি

অসম বাৰ্তা, কুমুল্লী পাৰা, ১৬ ছেপ্টেম্বৰ ঃ ভূমি বিবাদক কেন্দ্ৰ কৰি কলগাছিয়াৰ দিগজানীত সংঘটিত এক ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযোগ অনুসৰি, ভূমি বিবাদৰ জেৰ ধৰি এগৰাকী ভাতৃয়ে আনগৰাকী ভাতৃৰ প্ৰায় দুই বিঘা মাটিত লহপহকৈ বাঢ়ি অহা ভেণ্ডি খেতি কাটি নষ্ট কৰাৰ লগতে বলপূৰ্বকভাৱে মাটিখিনিত হাল বাই তহলিং কৰে। জানিব পৰা মতে, বহু কষ্ট আৰু ধন-শ্ৰম ব্যয় কৰি প্ৰায় দুই বিঘা মাটিত ভেণ্ডিৰ খেতি কৰিছিল ভুক্তভোগী পক্ষই। খেতিডৰা পৰিপক্কতাৰ দিশে আগবাঢ়ি থকাৰ সময়তে অভিযোগ অনুসৰি, ভূমি সম্পৰ্কীয় বিবাদক কেন্দ্ৰ কৰি খেতিডৰা নষ্ট কৰি পেলোৱা হয়। ফলত কৃষকজন যথেষ্ট আৰ্থিক ক্ষতিৰ সন্মুখীন হোৱাৰ অভিযোগ উত্থাপিত হৈছে। ভূমি সম্পৰ্কীয় বিবাদে যে কেতিয়াবা পৰিয়ালৰ ভিতৰতো গভীৰ সংঘাতৰ সৃষ্টি কৰিব পাৰে, দিগজানীৰ এই ঘটনাই তাৰেই এক উদ্বেগজনক প্ৰতিচ্ছবি দাঙি ধৰিছে। অৱশ্যে ঘটনাটোৰ সম্পূৰ্ণ সত্যতা তদন্তৰ পাছতহে স্পষ্ট হ'ব। ঘটনাটোক কেন্দ্ৰ কৰি ভুক্তভোগী পক্ষই ন্যায় আৰু ক্ষতিপূৰণৰ দাবী জনাইছে। ভূমি বিবাদৰ দৰে স্পৰ্শকাতৰ বিষয়ত আইন নিজৰ হাতত তুলি নোলোৱাকৈ প্ৰশাসন আৰু আইনী ব্যৱস্থাৰ জৰিয়তে সমস্যাৰ সমাধান কৰাৰ আহ্বানো স্থানীয়ভাৱে উত্থাপিত হৈছে।

অধিক সংকটজনক অৱস্থাত হাতীটো; বন বিভাগ আৰু চিকিৎসকৰ উদ্ধাৰ-চিকিৎসাৰ চেষ্টা

হাৱাইপুৰত ৰে'লৰ খুন্দাত বনৰীয়া হাতী গুৰুতৰভাৱে আহত

অসম বাৰ্তা, লংকা, ১৬ ছেপ্টেম্বৰ ঃ লংকাৰ হাৱাইপুৰ অঞ্চলত আজি আবেলি সংঘটিত এক শোকাৱহ ঘটনাত নামনিমুৱা শিলচৰ-গুৱাহাটী পেচেঞ্জাৰ ৰে'লৰ খুন্দাত এটা বনৰীয়া হাতী গুৰুতৰভাৱে আহত হয়। হাৱাইপুৰ-লংকা ৰেঞ্জৰ অন্তৰ্গত লামচাখান-হাৱাইপুৰৰ মাজত আলফাবিলৰ সমীপৰ ৰামপুৰ বস্তী এলেকাত এই ঘটনা সংঘটিত হয়। জানিব পৰা মতে, আজি আবেলি প্ৰায় ৪.৩০ বজাত এটা বনৰীয়া হাতীৰ জাক ৰে'লপথ অতিক্ৰম কৰি আছিল। সেই সময়তে নামনিমুৱা শিলচৰ-গুৱাহাটী পেচেঞ্জাৰ ৰে'লখন উক্ত স্থানত উপস্থিত হয়। হাতীৰ জাকটো ৰে'লপথ পাৰ হৈ যোৱাৰ সময়তে ৰে'লখনৰ খুন্দাত এটা হাতী গুৰুতৰভাৱে আহত হয়। বাতৰি লিখা পৰ্যন্ত হাতীটোৰ মৃত্যু হোৱা নাই যদিও ইয়াৰ অৱস্থা অধিক সংকটজনক বুলি জানিব পৰা গৈছে। আহত হাতীটোক উদ্ধাৰ কৰি প্ৰয়োজনীয় চিকিৎসা প্ৰদানৰ বাবে বন বিভাগৰ লোক আৰু চিকিৎসকে তৎপৰতাৰে চেষ্টা চলাই আছে। হাতীটোৰ জীৱন ৰক্ষা কৰিবলৈ বন বিভাগ আৰু চিকিৎসকৰ দলে সম্ভৱপৰ সকলো ধৰণৰ চেষ্টা অব্যাহত ৰাখিছে। ঘটনাৰ খবৰ বিয়পি পৰাৰ লগে লগে অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হয়। ৰে'লপথৰ কাষত বনৰীয়া হাতীৰ জাকটোৰ উপস্থিতিৰ ফলতে এই শোকাৱহ ঘটনাটো সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। ঘটনাস্থলীত বন বিভাগৰ লোক উপস্থিত হৈ আহত হাতীটোৰ অৱস্থা পৰ্যবেক্ষণ কৰাৰ লগতে চিকিৎসাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইফালে, ৰে'লপথৰ কাষৰীয়া অঞ্চলত বনৰীয়া হাতীৰ বিচৰণক লৈ স্থানীয় ৰাইজৰ মাজত উদ্বেগ বৃদ্ধি পাইছে। হাতীৰ বিচৰণস্থলৰ মাজেৰে পাৰ হোৱা ৰে'লপথত এনে ঘটনা পুনৰ সংঘটিত নহ'বলৈ সংশ্লিষ্ট কৰ্তৃপক্ষই অধিক সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা আছে বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰিছে। আহত হাতীটোৰ জীৱন ৰক্ষা পায় নে নাই, সেয়া এতিয়া সকলোৰে বাবে উদ্বেগৰ বিষয় হৈ পৰিছে।

গোলাঘাটত শ্বহীদ কুশল কোঁৱৰৰ পত্নী প্ৰভাৱতী কোঁৱৰ সোঁৱৰণী প্ৰেক্ষাগৃহ উদ্বোধন

৬০ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ শুভাৰম্ভণি

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৫ ছেপ্টেম্বৰ ঃ '৪২ৰ বিপ্লৱৰ শ্বহীদ কুশল কোৱঁৰৰ পৰিবাৰ প্ৰভাৱতী কোঁৱৰৰ সোঁৱৰণত আজি গোলাঘাটৰ কুশল কোঁৱৰ বাল্যভৱনত এটি নৱনিৰ্মিত প্ৰেক্ষাগৃহ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। বিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱস তথা হীৰক জয়ন্তী বৰ্ষ শুভাৰম্ভৰূপে প্ৰেক্ষাগৃহটো উদ্বোধন কৰে শ্বহীদ কুশল কোৱৰৰ নাতি মৃদুল কোঁৱৰে। উদ্বোধক কোঁৱৰে আইতাকৰ নামত উৎসৰ্গিত প্ৰথমটো অনুষ্ঠান উদ্বোধন কৰি উৎফুল্ল হোৱা বুলি ব্যক্ত কৰে। কুশল কোঁৱৰ বাল্য ভৱনৰ (কনিষ্ঠ) শাখাৰ সভাপতি ডাঃ অজিত বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উদ্বোধনী সভাখনত আদৰণী ভাষণ আগবঢ়াই সম্পাদক ঘণশ্যাম বাঢ়ৈয়ে। সভাত শিক্ষাবিদ তিলেশ্বৰ তামোলী, ৱাজিদুৰ ৰহমান, কৰুণ শইকীয়াই নিমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকি ভাষণ আগবঢ়ায়। বিদ্যালয়ৰ কৃতী ছাত্ৰ আৰু বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা আৰু প্ৰাক্তন শিক্ষক-শিক্ষয়ত্ৰী সকলকো সম্বৰ্ধনা জনোৱা হয়। দেৱাহুতি দত্তই আঁত ধৰা আৰু প্ৰধান শিক্ষয়িত্ৰী মেঘালী দুৱৰাই শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰিছিল।

হাউলীত আৰক্ষীৰ অভিযানত দুই ড্ৰাগছ সৰবৰাহকাৰীক আটক

অসম বাৰ্তা, কুমুল্লী পাৰা, ১৬ ছেপ্টেম্বৰ ঃ ড্ৰাগছৰ বিৰুদ্ধে চলি থকা অভিযানৰ মাজতে হাউলী আৰক্ষীয়ে কালি এক অভিযান চলাই দুই সন্দেহযুক্ত ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন লোক দুজনক কামাল আলী আৰু ছফিকুল আলী বুলি জানিব পৰা গৈছে। আৰক্ষীৰ অভিযানকালত তেওঁলোকৰ জিম্মাৰ পৰা ২.৩২ গ্ৰাম সন্দেহযুক্ত ড্ৰাগছ উদ্ধাৰ কৰা হয়। উদ্ধাৰ হোৱা সামগ্ৰীখিনি পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ লগতে ঘটনাটোক কেন্দ্ৰ কৰি আৰক্ষীয়ে অধিক তদন্ত অব্যাহত ৰাখিছে। ড্ৰাগছ সৰবৰাহ আৰু ব্যৱহাৰৰ বিৰুদ্ধে হাউলী আৰক্ষীয়ে অভিযান অধিক তীব্ৰতৰ কৰি তোলাৰ সময়তে সংঘটিত এই অভিযানক লৈ স্থানীয় ৰাইজৰ মাজতো প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে। আৰক্ষীৰ তদন্তৰ জৰিয়তে নিষিদ্ধ নিচাযুক্ত সামগ্ৰীৰ সৰবৰাহৰ সৈতে জড়িত আন কোনো লোকৰ সন্ধান পোৱা যায় নেকি, সেয়াও পৰৱৰ্তী সময়ত স্পষ্ট হ'ব।

গোসাঁইগাঁৱৰ শ্ৰীৰামপুৰত বৃহৎ পৰিমাণৰ শেগুন কাঠ জব্দ

অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১৬ ছেপ্টেম্বৰ ঃ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত শ্ৰীৰামপুৰ তালাচী চকীত অভিযান চলাই বৃহৎ পৰিমাণৰ মূল্যৱান শেগুন কাঠ জব্দ কৰিবলৈ সক্ষম হয় শিমুলটাপু আৰক্ষীয়ে। NL 04 AA 1290 নম্বৰৰ এখন ট্ৰাকত অভিযান চলাই আৰক্ষীয়ে কাঠখিনি জব্দ কৰে জানিব পৰা মতে, খৰিৰ তলত লুকুৱাই আনিছিল মূল্যৱান শেগুন কাঠসমূহ। জব্দকৃত কাঠখিনিৰ ওজন প্ৰায় ৩৬ টন হ'ব বুলি ট্ৰাকখনৰ চালকে প্ৰকাশ কৰিছে। নাগালেণ্ডৰ পৰা নাগপুৰলৈ কাঠখিনি সৰবৰাহ কৰাৰ কথা আছিল বুলি জানিব পৰা গৈছে। ইফালে, কাঠ সৰবৰাহৰ সৈতে জড়িত থকাৰ অভিযোগত বিহাৰৰ মিৰ্জাপুৰৰ বাসিন্দা নৌছাৎ খান আৰু কালখি খানক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। ঘটনাৰ সৈতে জড়িত চোৰাং কাঠ ব্যৱসায়ীসকলৰ বিৰুদ্ধে আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। জব্দকৃত কাঠখিনিৰ প্ৰকৃত পৰিমাণ আৰু সৰবৰাহৰ সৈতে জড়িত অন্যান্য তথ্য আৰক্ষীৰ তদন্তৰ পিছতহে স্পষ্ট হ'ব।

নাজিৰাত সুলভ মূল্যৰ দোকানৰ অনুজ্ঞা-পত্ৰ অনলাইন নবীকৰণ প্ৰক্ৰিয়া সন্দৰ্ভত প্ৰশিক্ষণ সম্পন্ন

অসম বাৰ্তা, গেলেকী, ১৫ ছেপ্টেম্বৰ ঃ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ উদ্যোগত সোমবাৰে নাজিৰা সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত সুলভ মূল্যৰ দোকানসমূহৰ অনুজ্ঞা-পত্ৰ অনলাইনযোগে নবীকৰণ কৰা প্ৰক্ৰিয়া সন্দৰ্ভত এক বিশেষ প্ৰশিক্ষণ কাৰ্যসূচী সফলভাৱে অনুষ্ঠিত হৈ যায়। নাজিৰা সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই কাৰ্যসূচীত বিভাগীয় ক্ষেত্ৰীয় বিষয়া সকলৰ লগতে নাজিৰা সমজিলাৰ অন্তৰ্গত বিভিন্ন গাঁও পঞ্চায়ত সমবায় সমিতিৰ সম্পাদক আৰু প্ৰতিনিধি সকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণ কালত বিভাগীয় বিষয়া-কৰ্মচাৰী সকলে 'ইজ অফ ডুইং বিজনেছ' (EoDB) পৰ্টেলৰ কাৰ্যপ্ৰণালী সম্পৰ্কে বিশদভাৱে ব্যাখ্যা কৰে। এই পৰ্টেলৰ জৰিয়তে সুলভ মূল্যৰ দোকানৰ স্বত্বাধিকাৰী সকলে কিদৰে ঘৰতে বহি বা অনলাইন মাধ্যমেৰে নিজ নিজ অনুজ্ঞা-পত্ৰ সহজে নবীকৰণ কৰিব পাৰিব, সেই বিষয়ে হাতে-কামে প্ৰদৰ্শন কৰি বুজাই দিয়া হয়। সভাৰ জৰিয়তে নিৰ্ধাৰিত সময়সীমাৰ ভিতৰতে নাজিৰা সমজিলাৰ অন্তৰ্গত সকলো অনুজ্ঞা-পত্ৰ ১০০ শতাংশ অনলাইন নবীকৰণৰ লক্ষ্য সম্পূৰ্ণ কৰিবলৈ উপস্থিত বিষয়া তথা প্ৰতিনিধি সকলক কঠোৰ নিৰ্দেশনা প্ৰদান কৰা হয়।

ৰাধাকৃষ্ণ ঠাকুৰবাড়ী মন্দিৰত নাম-প্ৰসংগ, পূজা-অৰ্চনা; ভক্তক বুন্দিয়াৰ লাড়ু ভোগ বিতৰণ

বৰপেটাৰোডত উলহ-মালহেৰে গণেশ চতুৰ্থী উদ্‌যাপন

অসম বাৰ্তা, কুমুল্লী পাৰা, ১৫ ছেপ্টেম্বৰ ঃ ধৰ্মীয় পৰম্পৰা আৰু ভক্তিৰসেৰে বৰপেটাৰোডত দুদিনীয়া কাৰ্যসূচীৰে উদযাপন কৰা হয় গণেশ চতুৰ্থী। বৰপেটাৰোডৰ ৰাধাকৃষ্ণ ঠাকুৰবাড়ী মন্দিৰ প্ৰাংগণত আয়োজিত এই ধৰ্মীয় অনুষ্ঠানক কেন্দ্ৰ কৰি দুয়োটা দিনতে ভক্তৰ মাজত দেখা যায় ব্যাপক উৎসাহ-উদ্দীপনা। গণেশ চতুৰ্থী উপলক্ষে মন্দিৰত বিশেষ পূজা-অৰ্চনাৰ লগতে নাম-প্ৰসংগ অনুষ্ঠিত হয়। ভক্তসকলে ভগৱান গণেশৰ ওচৰত পূজা আগবঢ়াই সমাজ তথা পৰিয়ালৰ সুখ-শান্তি, সমৃদ্ধি আৰু মংগল কামনা কৰে। নাম-প্ৰসংগৰ আধ্যাত্মিক পৰিৱেশে সমগ্ৰ মন্দিৰ প্ৰাংগণত এক ভক্তিময় আবহৰ সৃষ্টি কৰে। উদযাপনৰ অন্যতম আকৰ্ষণ আছিল ভক্তসকলৰ বাবে আগবঢ়োৱা হাজাৰাধিক বুন্দিয়াৰ লাড়ু ভোগ। পৰম্পৰা অনুসৰি ভোগ অৰ্পণৰ পাছত ভক্তসকলৰ মাজত প্ৰসাদ বিতৰণ কৰা হয়। বহু সংখ্যক ভক্তৰ সমাগমে অনুষ্ঠানটোক অধিক আড়ম্বৰপূৰ্ণ কৰি তোলে। দুদিনীয়া কাৰ্যসূচীত ভক্তসকলৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণে বৰপেটাৰোডৰ ধৰ্মীয়-সামাজিক জীৱনত উৎসৱৰ এক মনোমোহা পৰিৱেশৰ সৃষ্টি কৰে। আয়োজকসকলে অনুষ্ঠানটো সুকলমে সম্পন্ন কৰাত সহযোগিতা আগবঢ়োৱা সকলো ভক্ত আৰু শুভাকাংক্ষীক কৃতজ্ঞতা জ্ঞাপন কৰে।

বৰাইবাৰীত টুলুঙা নাৱেৰে বিপদ সংকুল যাত্ৰা কণকণ ছাত্ৰ ছাত্ৰীকে ধৰি সাধাৰণ ৰাইজৰ

অসম বাৰ্তা, পৰ্বতঝোৰা, ১৬ ছেপ্টেম্বৰ ঃ কোকৰাঝাৰ জিলা আৰু ধুবুৰী জিলাৰ সীমান্তৱৰ্তী এটা অঞ্চল যুগ যুগ ধৰি অন্ধকাৰত উন্নয়নে স্পৰ্শ কৰিব পৰা নাই। এখন দলঙৰ নথকাৰ বাবে দুৰ্ভোগ ভুগিব লগীয়া কোকৰাঝাৰ জিলাৰ বৰাইবাৰী বালাপাৰাবাসীৰ লগতে স্কুলীয়া ছাত্ৰ-ছাত্ৰী। অঞ্চলটোৰ ৰাইজে ইমানেই দুৰ্ভোগ ভুগিবলগীয়া হৈছে যে ৰোগী তথা প্ৰসুতি সকলক চিকিৎসালয়লৈ নিৰৰ বাবে এম্বুলেন্স অহাটো দূৰৰে কথা এখন ঠেলা গাড়ীও পাৰ কৰাব নোৱাৰে অঞ্চলবাসীয়ে। টুলুঙা নাৱৰে যাতায়ত কৰিয়েই জীৱন নিৰ্বাহ কৰি আছে যদিও প্ৰতিবছৰে তিনিৰ পৰা চাৰিটাকৈ দুৰ্ঘটনাগ্ৰস্ত হ'ব লগা হয় অঞ্চলবাসীয়ে। বিগত এমাহ আগতে এক নাও দুৰ্ঘটনাত এজন স্কুলীয়া ছাত্ৰীৰ মৃত্যুৰ লগতে কেইবাজনো ছাত্ৰ-ছাত্ৰীয়ে আঘাতপ্ৰাপ্ত হয়। যুগ যুগ ধৰি এই ধৰণৰ ঘটনা সংঘটিত হৈ আছে। বিভিন্ন দল-সংগঠনৰ লগতে স্থানীয় ৰাইজে বিভিন্ন সময়ত প্ৰতিবাদ সাব্যস্ত কৰিছে যদিও কোনো ফল পোৱা নাই। এতিয়া প্ৰশ্ন হয় বিগত যুগ যুগ ধৰি এই জ্বলন্ত সমস্যা কেতিয়া সমাধান হ'ব। সাধাৰণ ৰাইজ আৰু দল-সংগঠনৰ চৰকাৰলৈ কাতৰ আহ্বান জনাই সাধাৰণ ৰাইজৰ সুবিধাৰ্থে এখন দলঙৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

আজিৰে পৰা ১৭ অক্টোবৰলৈ

আহ্বান জনাইছে। অসমৰ উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে অৰিহণা আগবঢ়োৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই অৱদানৰ স্বীকৃতি স্বৰূপে প্ৰধানমন্ত্ৰী মোদীক সন্মান প্ৰদৰ্শন কৰিবলৈ তেওঁ আহ্বান জনায়। ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সেৱা সমৰ্পণ মাহৰ অংশস্বৰূপে তামোলপুৰ জিলাতো বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই কাৰ্যসূচীসমূহ সুচাৰুৰূপে ৰূপায়ণৰ বাবে আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। সভাত জিলা আয়ুক্ত চিমি কৰণে অভিযানৰ অধীনত সংশ্লিষ্ট বিভাগসমূহৰ দায়িত্ব আৰু কৰণীয় সম্পৰ্কে বিস্তৃতভাৱে বুজাই দিয়ে। সেৱা সমৰ্পণ মাহ আয়োজন সন্দৰ্ভত শিৱসাগৰ জিলা প্ৰশাসনেও কাৰ্যসূচী ৰূপায়ণ কৰিব। এই উপলক্ষে শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত মৃদুল যাদৱৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত কাৰ্যসূচীসমূহৰ ফলপ্ৰসু ৰূপায়ণৰ বাবে গ্ৰহণ কৰিবলগীয়া পদক্ষেপৰ বিষয়ে আলোচনা কৰা হয়।

বৃহৎ পৰিমাণৰ ভাংসহ এজনক আটক

নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে কঠোৰ গোলাঘাট আৰক্ষী

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৬ ছেপ্টেম্বৰ ঃ নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে কঠোৰ হৈ পৰিছে গোলাঘাট আৰক্ষী। গোলাঘাটৰ সদ্য নিযুক্তি প্ৰাপ্ত জেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাই দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছতেই নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে গোলাঘাট আৰক্ষীয়ে মাৰাথান অভিযান অব্যাহত ৰাখিছে। আজি পুনৰ গোলাঘাট নগৰৰ বেঙেনাখোৱাৰ ৰেল লাইনৰ কাষত গোলাঘাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মিণ্টু সন্দিকৈৰ যোৱা আৰক্ষীয়ে অভিযান চলাই এখন গেলামালৰ দোকানৰ পৰা বুজন পৰিমাণৰ নিষিদ্ধ ভাং জব্দ কৰিবলৈ সক্ষম হয়। দীৰ্ঘদিন ধৰি অঞ্চলটোত চাহিন আলি নামৰ লোকজনে এই গেলামালৰ দোকানখনতেই নিষিদ্ধ ভাং বিক্ৰী কৰি আহিছিল। আজি আৰক্ষীয়ে ভাংসহ চাহিন আলিক আটক কৰে। নিজৰ গেলামালৰ দোকানত লাভ নোহোৱা আৰু স্বাস্থ্যজনিত কাৰণত নিজৰ ঔষধ আনিবলৈ সক্ষম নোহোৱাৰ বাবেই আৰক্ষীৰ আগত এই ভাঙৰ ব্যৱসায় কৰি আহিছিল বুলি নিজ মুখে স্বীকাৰ কৰে ধৃত চাহিন আলিয়ে।

ধৃত এচিএচ বিষয়া দেৱেশ্বৰ বৰাৰ ধনৰ উৎস বিচাৰি পত্নীৰ গৃহত অভিযান

গোলাঘাটত মুখ্যমন্ত্ৰী তদাৰকী কোষৰ অভিযান

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৫ ছেপ্টেম্বৰ ঃ আজি গোলাঘাটৰ চহৰৰ ১১ নং ৱাৰ্ডৰ চন্দন নগৰস্থিত এটা নিৰ্মীয়মান পাঁচ মহলীয়া অট্টালিকাত মুখ্যমন্ত্ৰী তদাৰকী কোষৰ চলিল অভিযান। লক্ষ্মীমপুৰত মুখ্যমন্ত্ৰী তদাৰকী কোষৰ হাতত গ্ৰেপ্তাৰ হোৱা ৰাজপত্ৰিত দুৰ্নীতিগ্ৰস্ত বিষয়া দেৱেশ্বৰ বৰাৰ ধনৰ উৎস বিচাৰি এই অভিযান চলালে। তদন্তকাৰী দলটোৱে প্ৰায় দুঘণ্টা সময় ধৰি নিৰ্মীয়মান অট্টালিকাটোত অভিযান চলাই অট্টালিকাৰ জোখামাপ আদি কৰে। স্থানীয় লোকৰ পৰা জানিব পৰামতে, অভিযান চলোৱা চন্দন নগৰৰ অট্টালিকাটো দেৱেশ্বৰ বৰাৰ পত্নীৰ মাটিত নিৰ্মাণ কৰা হৈছে। লগতে ইয়াকো জানিব পৰা যায় যে এচিএচ বিষয়া দেৱেশ্বৰ বৰাৰ ভাতৃয়ে গৃহ নিৰ্মাণৰ কাম চোৰাচিতা কৰি আছিল। মাজে মাজে দেৱেশ্বৰ বৰাও নিৰ্মাণৰ তদাৰক কৰিবৰ বাবে গোলাঘাটলৈ আহ যায় কৰে।

নৱম অসম আৰক্ষী বাহিনীৰ ৫৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অসম বাৰ্তা, বড়মপুৰ, ১৫ ছেপ্টেম্বৰ ঃ ১৯৭০ চনত শ্বিলঙত জন্ম লাভ কৰা নৱম অসম আৰক্ষী বাহিনীৰ ৫৬ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি বড়মপুৰস্থিত বাহিনীটোৰ মুখ্য কাৰ্যালয়ত উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে বড়মপুৰ আৰক্ষী বাহিনীৰ পেৰেড খেলপথাৰত নৱম অসম আৰক্ষী বাহিনীৰ পতাকা উত্তোলন কৰে বাহিনীটোৰ অধিনায়ক পেট্ৰিক ৰংহাঙে। পতাকা উত্তোলনৰ পাছতে বাহিনীৰ জোৱানসকলে কুচকাৱাজেৰে অভিবাদন জ্ঞাপন কৰে। অনুষ্ঠানত বিহু, বাগুৰুম্বা, ঝুমুৰ, তিৱা আৰু কাৰ্বি নৃত্যকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়। লগতে নৱম অসম আৰক্ষী বাহিনীৰ বিশেষ বেণ্ডৰ মনোমোহা প্ৰদৰ্শনেও অনুষ্ঠানটো অধিক আকৰ্ষণীয় কৰি তোলে। প্ৰতিষ্ঠা দিৱস উপলক্ষে অধিনায়ক পেট্ৰিক ৰংহাঙে বাহিনীটোৰ সকলো জোৱানক শুভেচ্ছা জ্ঞাপন কৰি আগন্তুক দিনতো নিষ্ঠা আৰু দায়বদ্ধতাৰে কৰ্তব্য পালন কৰিবলৈ আহ্বান জনায়।

হ্ৰাস পাইছে দংশনৰ ঘটনা; শূন্য মৃত্যুৰ ৰেকৰ্ড

গোলাঘাটত সৰ্প দংশন ব্যৱস্থাপনাৰ উল্লেখযোগ্য সাফল্য

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৫ ছেপ্টেম্বৰ ঃ গোলাঘাট স্বাস্থ্য বিভাগে সৰ্প দংশনৰ ক্ষেত্ৰত মৃত্যুৰ সংখ্যা তাৎক্ষণিক ৰোগী ব্যৱস্থাপনা, উপযুক্ত চিকিৎসা আৰু স্বাস্থ্য ব্যৱস্থাৰ সমন্বিত প্ৰচেষ্টাৰে শূন্যলৈ আনিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে ২০২৫-২৬ বিত্তীয় বৰ্ষত জিলাখনত মুঠ ১১৩৭টা সাপে কামোৰাৰ কেছ বিভিন্ন স্বাস্থ্য কেন্দ্ৰ সমূহলৈ চিকিৎসাৰ বাবে আহিছিল আৰু ইয়াৰে ভিতৰত কোনো ব্যক্তিৰ মৃত্যু হোৱা নাই। তদুপৰি, চলিত বিত্তীয় বৰ্ষ ২০২৬-২৭ত এই পৰ্যন্ত ৭৩৯টা সৰ্প দংশনৰ কেছ ৰিপৰ্ট হৈছে আৰু উচিত চিকিৎসাৰ দ্বাৰা সকলো ব্যক্তিকে মৃত্যুৰ পৰা বচাবলৈ স্বাস্থ্য বিভাগ সক্ষম হৈছে। এই সাফল্যই সমগ্ৰ জিলাখনৰ স্বাস্থ্য কেন্দ্ৰ সমূহত সাপে কামোৰা ৰোগীৰ তৎকালীন চিনাক্তকৰণ আৰু উপযুক্ত ব্যৱস্থাপনাৰ গুৰুত্বক উজ্জ্বল কৰি তুলিছে। সৰ্প দংশনৰ বলি হোৱা ব্যক্তি সকলক অনতিপলমে অন্য ৰোগীৰ পৰা পৃথক কৰি সময়ত এন্টি-স্নেক ভেনম (ASV) প্ৰদান, উপযুক্ত সহায়ক ব্যৱস্থাপনা আৰু প্ৰয়োজন অনুসৰি বিশেষজ্ঞ চিকিৎসক দললৈ প্ৰেৰণৰ দ্বাৰা মৃত্যুৰ হাৰ কম কৰাত সফল হৈছে। সাপে কামোৰা ব্যক্তি সকলক চিকিৎসা প্ৰদান কৰিবলৈ গোলাঘাট স্বাস্থ্য বিভাগে বিভিন্ন চিকিৎসা বিষয়া, নাৰ্ছ, পেৰামেডিকেল কৰ্মচাৰী আৰু অন্যান্য স্বাস্থ্যসেৱা কৰ্মীসকলক Anti Snake Venom প্ৰদান কৰাৰ প্ৰশিক্ষণ প্ৰদান কৰিছে আৰু সমন্বিত প্ৰচেষ্টাৰ বাবেই এনে প্ৰতিফলন ঘটিছে। ইয়াৰ উপৰিও সময়ে-সময়ে সজাগতা সভা অনুষ্ঠিত কৰি ৰাইজক সৰ্প দংশনৰ পৰা বাচি চলিবলৈ তথা দংশন হ'লে চিকিৎসা সেৱাৰ কাষ চাপিবলৈ পৰামৰ্শ প্ৰদান কৰি থকা হৈছে যাতে জৰা-ফুকাৰ অন্ধবিশ্বাসত আবদ্ধ হৈ বেজ-হাকিমৰ কাষ চাপি সময় বিনষ্ট কৰাতকৈ ওচৰৰ স্বাস্থ্য কেন্দ্ৰত আহি চিকিৎসা ব্যৱস্থা গ্ৰহণ কৰে।

NAME CORRECTION

Sworn before Notary Public at Garamur, Majuli dated 15.09.2026 that my actual and correct name is BABUL DAS, S/O- Kenai Das, R/O- Jugi Koibotra Gaon, P.O.- Bongaon, P.S.- Majuli, Dist.- Majuli, Assam, Pin-785110, as recorded in my Aadhaar Card (No. 7094 6959 4507) and PAN Card (No. HKFPD5860P). But the same is wrongly recorded as RAMEN DAS in my Postal Savings Bank Passbook (A/c No. 502702) and as ROMEN DAS in Kisan Vikas Patra (A/c No. 4603901504), both under Bongaon Post Office, Majuli. I declare that BABUL DAS, RAMEN DAS and ROMEN DAS are one and the same person.

AB-163/2026

NAME CORRECTION

Sworn before Notary Public at Kokrajhar, dated on 15.09.2026, that my actual and correct name is Sumitra Bala Roy. But in my Land Document vide Dag No. 327 covered by Patta No. 133, my name has been wrongly recorded as "Sumitra Roy". Both "Sumitra Bala Roy" and "Sumitra Roy" are one and the same person. Henceforth I shall be known by my correct name, Sumitra Bala Roy, in all documents and dealings.

Sumitra Bala Roy
W/O Anjan Prasad Roy
Vill- Dhauliguri,
P.O.- Chandrapara,
P.S. & Dist- Kokrajhar,
B.T.R., Assam

AB-162/2026

NAME CORRECTION

মোৰ প্ৰকৃত নাম Jatila Devi Roy, কিন্তু 9444 7817 2232 নম্বৰৰ আধাৰ কাৰ্ডত ভুলবশতঃ মোৰ নামটো Jyotila Bala Ray বুলি লিপিবদ্ধ আছে। বঙাইগাঁও নটাৰীযোগে জনাও যে Jatila Devi Roy আৰু Jyotila Bala Ray একেজন ব্যক্তি অৰ্থাৎ মই।

Jatila Devi Roy
W/O- Late Suren Chandra Roy
Vill- Balajani Chechapani
P.O.- Sidalsati
Dist- Bongaigaon, Assam

AB-161/2026

মাজুলীত ‘ৰাষ্ট্ৰীয় ভোজ্য তেল-তৈল খেজুৰ অভিযান’ আঁচনিৰ গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত

অসম বাৰ্তা, মাজুলী, ১৬ ছেপ্টেম্বৰ ঃ মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত আজি সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত ৰাষ্ট্ৰীয় ভোজ্য তেল-তৈল খেজুৰ অভিযান (National Mission on Edible Oil—Oil Palm (NMEO-OP) আঁচনিৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। তৈল খেজুৰ খেতিৰ প্ৰতি কৃষক ৰাইজক সজাগ তথা উৎসাহ যোগোৱাৰ উদ্দেশ্যেই আজি অনুষ্ঠিত হয় প্ৰকল্প ব্যৱস্থাপনা দল (PMT)ৰ প্ৰথমখন সভা। জিলা কৃষি বিষয়া নাচেৰ ইকবাল ৰেজাই আদৰণি ভাষণ আগবঢ়োৱা সভাখনত অংশ লয় মাজুলীৰ বিধায়ক ভুৱন গাম আৰু জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে। সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে NMEO-OP আঁচনিৰ ৰাজ্যিক ন’ডেল বিষয়া কল্পনা বৰ্মন আৰু থ্ৰী এফ অইল পাম প্ৰাইভেট লিমিটেডৰ জেনেৰেল মেনেজাৰ প্ৰিয়ম্বদ দত্ত। সভাত বিধায়ক ভুৱন গামে ভাষণ প্ৰদান কৰি মাজুলী জিলাত সৰিয়হ খেতিৰ লগতে এনেবোৰ লাভজনক খেতিত কৃষকে মনোনিৱেশ কৰিব লাগে বুলি মন্তব্য কৰে। তেওঁ লগতে এই বিকল্প কৃষি পদ্ধতিয়ে কৃষকসকলৰ আয় বৃদ্ধি আৰু দীৰ্ঘম্যাদীভাৱে আৰ্থিক দিশত লাভান্বিত কৰাত সহায় কৰিব বুলি আশা প্ৰকাশ কৰে। আনহাতে জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকেও তৈল খেজুৰ খেতিৰ ভিন্ন বিষয় সন্দৰ্ভত অৱগত কৰে। এনে লাভজনক খেতিৰ জৰিয়তে কৃষকে আয় বৃদ্ধিৰ ক্ষেত্ৰত অধিক সুবিধা লাভ কৰাৰ স্থল আছে বুলিও উল্লেখ কৰে। তেওঁ লগতে বিভাগীয় বিষয়া-কৰ্মচাৰীসকলক জিলাখনৰ উপযুক্ত কৃষকসকলক তৈল খেজুৰ অৰ্থাৎ অইল পাম খেতিৰ প্ৰতি উৎসাহিত কৰাৰ বাবে সক্ৰিয়ভাৱে সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনায়। সভাত ভাষণ প্ৰদান কৰি ৰাজ্যিক ন’ডেল বিষয়া কল্পনা বৰ্মনে কয় যে মাজুলী জিলাত NMEO-OP আঁচনিখন নতুনকৈ আৰম্ভ কৰা হৈছে। তেওঁ আঁচনিখনৰ মূল উদ্দেশ্য, দেশক ভোজ্য তেল উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল কৰি তোলাৰ লক্ষ্য, কৃষকক আগবঢ়োৱা চৰকাৰী ৰাজসাহায্য, ৰোপণ সামগ্ৰী, প্ৰতিপালন ব্যয় আৰু অইল পাম খেতিৰ বাবে উপলব্ধ বিভিন্ন সাহায্য তথা সহযোগিতাৰ বিষয়ে বিতংভাৱে অৱগত কৰে। আনহাতে, থ্ৰী এফ অইল পাম প্ৰাইভেট লিমিটেডৰ মহা প্ৰবন্ধক প্ৰিয়ম্বদ দত্তই আঁচনিখনৰ ৰূপায়ণকাৰী সংস্থা হিচাপে কোম্পানীটোৰ ভূমিকা আৰু দায়িত্বৰ বিষয়ে ব্যাখ্যা কৰে। তেওঁ অইল পাম খেতিৰ কাৰিকৰী পদ্ধতি, গছপুলিৰ প্ৰতিপালন, উৎপাদিত সামগ্ৰী ক্ৰয়ৰ নিশ্চয়তা আৰু এই খেতিৰ দীৰ্ঘম্যাদী লাভ আদি বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। উল্লেখ্য যে, জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাৰ উপৰিও ৰাৱনাপাৰ গাঁও পঞ্চায়ত কাৰ্যালয়ৰ সভাগৃহত শতাধিক কৃষকৰ উপস্থিতিত অনুষ্ঠিত হয় আন এখন সজাগতা সভা। য’ত কৃষক ৰাইজক তৈল খেজুৰ খেতি সম্বন্ধীয় বিভিন্ন বিষয় অৱগত কৰা হয়। লগতে ৰাষ্ট্ৰীয় প্ৰাকৃতিক কৃষি অভিযান (National Mission on Natural Farming) আঁচনি সন্দৰ্ভতো কৃষক ৰাইজক সজাগ কৰা হয়। তদুপৰি, কৃষক ৰাইজৰ সৈতে বিভাগীয় বিষয়া সকলৰ কৃষি সম্বন্ধীয় ভিন্ন দিশ সন্দৰ্ভত মত-বিনিময় হয়। সভাত জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ভাস্কৰ জ্যোতি ফুকন, কৃষি উন্নয়ন বিষয়া ক্ৰমে ৰাজা ফুকন, জিণ্টু সোণোৱাল, নীলোৎপল শইকীয়া, সহকাৰী কৃষি পৰিদৰ্শক প্ৰভাত শইকীয়া, অযোধ্যা দাস, মিডিয়া বিশেষজ্ঞ দিব্যজ্যোতি ৰাজখোৱা, কৃষি সম্প্ৰসাৰণ সহায়ক, সংশ্লিষ্ট আন বিভাগৰ বিষয়া, বিশিষ্ট ব্যক্তি আৰু গাঁও প্ৰধান সকল উপস্থিত থাকে।

মাহজোৰা কাৰ্যসূচীৰ বাবে বিভাগসমূহৰ প্ৰস্তুতি পৰ্যালোচনা জিলা আয়ুক্তৰ

সেৱা সংকল্প অভিযান’ৰ প্ৰস্তুতি সন্দৰ্ভত কামৰূপত জিলা পৰ্যায়ৰ সভা

অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, অসম বাৰ্তা, ১৬ ছেপ্টেম্বৰ ঃ ১৭ ছেপ্টেম্বৰৰ পৰা ১৭ অক্টোবৰ, ২০২৬লৈ অনুষ্ঠিত হ’বলগীয়া ‘সেৱা সংকল্প অভিযান’ উপলক্ষে কামৰূপ জিলাত মাহজোৰা কাৰ্যসূচী ৰূপায়ণৰ প্ৰস্তুতি আৰু বিভিন্ন বিভাগে গ্ৰহণ কৰিবলগীয়া কাৰ্যসূচী সন্দৰ্ভত বুধবাৰে আমিনগাঁওস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন জিলা পৰ্যায়ৰ সভা অনুষ্ঠিত হৈ যায়। সভাত সভাপতিত্ব কৰে কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই। সভাত মাহজোৰা ‘সেৱা সংকল্প অভিযান’ৰ সময়ছোৱাত বিভিন্ন বিভাগে ৰূপায়ণ কৰিবলগীয়া কাৰ্যসূচীসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে বিভাগসমূহৰ কাৰ্যসূচীভিত্তিক প্ৰস্তুতি, পৰিকল্পনা আৰু ৰূপায়ণৰ অগ্ৰগতিৰ বুজ লয়। সভাত জনসাধাৰণলৈ চৰকাৰী সেৱাৰ ফলপ্ৰসূ অন্তিম পৰ্যায়ৰ প্ৰদান (last-mile delivery), নাগৰিক-কেন্দ্ৰিক শাসন ব্যৱস্থা, দুৰ্বল আৰু প্ৰয়োজনীয় সহায়ৰ অধিকাৰী শ্ৰেণীৰ কল্যাণ আদি বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। লগতে জনসেৱাৰ সৈতে জড়িত ব্যক্তি তথা কৰ্মীসকলৰ অৱদানক স্বীকৃতি আৰু উৎসাহ প্ৰদানৰ বাবেও উপযুক্ত পদক্ষেপ গ্ৰহণৰ বিষয়ে আলোচনা কৰা হয়। সভাত স্বাস্থ্য, সামাজিক কল্যাণ, পৰিষ্কাৰ-পৰিচ্ছন্নতা, জনসজাগতা, সামাজিক সেৱা আৰু জনসাধাৰণৰ অংশগ্ৰহণৰ সৈতে জড়িত বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ বিষয়ে আলোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে কাৰ্যসূচীসমূহ তৃণমূল পৰ্যায়লৈ লৈ যোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে, যাতে জিলাখনৰ বিভিন্ন অঞ্চলৰ জনসাধাৰণে এই কাৰ্যসূচীসমূহৰ সৈতে সংযুক্ত হোৱাৰ সুযোগ লাভ কৰে। জিলা আয়ুক্তগৰাকীয়ে সংশ্লিষ্ট বিভাগসমূহক নিজ নিজ কাৰ্যসূচী আগতীয়াকৈ পৰিকল্পনা কৰি আন্তঃবিভাগীয় সমন্বয়ৰ জৰিয়তে সুচাৰুৰূপে ৰূপায়ণ কৰিবলৈ নিৰ্দেশ দিয়ে। বিশেষকৈ চৰকাৰী সেৱা আৰু কল্যাণমূলক আঁচনিসমূহৰ সুবিধা প্ৰকৃত হিতাধিকাৰী আৰু প্ৰয়োজনীয় লোকসকলৰ ওচৰলৈ সময়মতে আৰু ফলপ্ৰসূভাৱে পোৱাটো নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাত বিভিন্ন বিভাগৰ মাজত সমন্বয় আৰু সহযোগিতা, কাৰ্যসূচীসমূহৰ সময়মতে ৰূপায়ণ আৰু জনসাধাৰণৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ বিষয়েও আলোচনা কৰা হয়। লগতে অভিযানৰ সময়ছোৱাত অনুষ্ঠিত হ’বলগীয়া কাৰ্যসূচীসমূহৰ প্ৰচাৰ-প্ৰসাৰ, নথিভুক্তকৰণ আৰু সময়মতে প্ৰতিবেদন প্ৰস্তুত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ উপৰিও, জিলা আয়ুক্তগৰাকীয়ে সকলো সংশ্লিষ্ট বিভাগক নিজ নিজ কাৰ্যসূচীৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি ১৭ ছেপ্টেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ সমগ্ৰ মাহজুৰি ‘সেৱা সংকল্প অভিযান’ৰ কাৰ্যসূচীসমূহ সুপৰিকল্পিত, সমন্বিত আৰু সুচাৰুৰূপে ৰূপায়ণ কৰিবলৈ নিৰ্দেশ দিয়ে। সভাত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, জিলা উন্নয়ন আয়ুক্ত গৰ্গ মোহন দাস, অতিৰিক্ত জিলা আয়ুক্তসকল ক্ৰমে আদিত্য গগৈ, গীতাশ্ৰী লাচিত, দেৱাশিস গোস্বামী, মনিকা বৰগোহাঁইৰ লগতে বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

হাজোৰ বৰদধিত মহাপুৰুষ শ্ৰীশ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ তম্ জন্মোৎসৱ উপলক্ষে মহিলাৰ দিহানাম প্ৰতিযোগিতাৰ আয়োজন

অসম বাৰ্তা, হাজো, ১৬ ছেপ্টেম্বৰ ঃ বৰদধি সনাতন যুৱক সংঘৰ উদ্যোগত অহা ২০ ছেপ্তেম্বৰ (২ আহিন, ৰবিবাৰ) তাৰিখে জগতগুৰু মহাপুৰুষ শ্ৰীশ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ তম জন্মোৎসৱ অতি উলহ-মালহেৰে উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা হৈছে। এই উপলক্ষে বৰদধি সত্ৰৰ ৰাজহুৱা মণিকূট প্ৰাঙ্গণত সদৌ অসম ভিত্তিত ভিত্তিত “মহিলাৰ দিহানাম প্ৰতিযোগিতা”ৰ আয়োজন কৰা হৈছে। সংঘৰ কৰ্মকৰ্তাই জনোৱা মতে, ধৰ্মপ্ৰাণ ৰাইজ তথা আই-মাতৃসকলৰ মাজত নাম-ধৰ্মৰ চৰ্চা বৃদ্ধি কৰাৰ উদ্দেশ্যে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাৰ ভৰ্তি মাচুল ২০০ টকা নিৰ্ধাৰণ কৰা হৈছে। প্ৰতিযোগিতাত বিজয়ীসকলৰ বাবে আকৰ্ষণীয় নগদ পুৰস্কাৰ ঘোষণা কৰা হৈছে। প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ: ১০, ০০০১ (দহ হাজাৰ এক) টকাদ্বিতীয় পুৰস্কাৰ: ৭, ০০১ (সাত হাজাৰ এক) টকাতৃতীয় পুৰস্কাৰ: ৫, ০০০১ (পাঁচ হাজাৰ এক) টকা। উক্ত অনুষ্ঠানত অঞ্চলটোৰ সমূহ ভক্তপ্ৰাণ ৰাইজক উপস্থিত থাকি কাৰ্যসূচী সফল কৰি তুলিবলৈ উদযাপন সমিতিয়ে আহ্বান জনাইছে। প্ৰতিযোগিতাত অংশগ্ৰহণ আৰু অধিক তথ্যৰ বাবে ৮৬৩৮৬৬৪১২৬, ৮৬৩৮৬০৫২১১ অথবা ৭০০২২৬৫০১৭ নম্বৰত যোগাযোগ কৰিবলৈ আয়োজক সমিতিয়ে অনুৰোধ জনাইছে।

ছৈখোৱাত ম’বাইল নেটৱৰ্কে জ্বলা-কলা খুৱাইছে উপভোগকাৰীক

অসম বাৰ্তা, ছৈখোৱা, ১৬ ছেপ্টেম্বৰ ঃ বৰ্তমান সময়ত আধুনিকতাৰ পৰশত নিতৌ নন আৱিষ্কাৰে পৃথিৱীখনৰ ৰেহৰূপ সলনি কৰিছে ঠিক সেই সময়তে ছৈখোৱাত ম’বাইল নেটৱৰ্কে জলাকলা খুৱাইছে সাধাৰণ জনতাক। বিদুৎ সংযোগ বিছিন্ন হ’লেই ছৈখোৱাৰ নেটৱৰ্ক টাৱাৰবোৰে চকু মোদা কুলিৰ ভাঁও ধৰিবলৈ আৰম্ভ কৰে। বিদ্যালয়ত অধ্যয়নৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগতে বেংক, দোকান পোহাৰ ইত্যাদিত অনলাইন কাম নতুবা যিকোনো ধৰণৰ এপ্লাই কৰাত অসুবিধাৰ সন্মুখীন হোৱা দেখা যায়। টাৱাৰৰ পৰ্যবেক্ষকে জেনেৰেটাৰত তেল নভৰোৱাৰ অভিযোগ বহু দিনৰে পৰাই উত্থাপন হৈ আছে। এই বিষয়ে কোনো দল-সংগঠনে মাতনপতাত তেওঁলোকে একনায়কত্ববাদ চলাই যোৱা পৰিলক্ষিত হৈছে। সেইয়েহে ছৈখোৱাৰ জিঅকে ধৰি অন্যান্য নেটৱৰ্ক সমূহৰ চাৰ্ভিছ ক্ষিপ্ৰতা কৰিবলৈ ছৈখুৱাবাসীয়ে দাবী জনাইছে।

ডিব্ৰুগড়ত ইঞ্জিনিয়াৰ্ছ ফ’ৰামৰ উদ্যোগত ৰাষ্ট্ৰীয় অভিযন্তা দিৱস পালন

অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড়, ১৬ ছেপ্টেম্বৰ ঃ ডিব্ৰুগড়ত ইঞ্জিনিয়াৰ্ছ ফ’ৰামৰ উদ্যোগত মঙলবাৰে ডিব্ৰুগড়ৰ স্থানীয় হোটেল গাৰ্ডেন ট্ৰিটত পালন কৰা হয় ৰাষ্ট্ৰীয় অভিযন্তা দিৱস। এই উদ্দেশ্যে ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বিভিন্ন বিভাগৰ কৰ্মৰত আৰু অৱসৰপ্ৰাপ্ত সহস্ৰাধিক অভিযন্তাই অংশগ্ৰহণ কৰে। ভাৰতৰ অভিযন্তাৰ পিতৃপুৰুষ তথা ভাৰতৰত্ন ছাৰ বিশ্বেশ্বৰায়ৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে মুখ্য অতিথি তথা ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকাই। অভিযন্তা দিৱসৰ সৈতে সংগতি ৰাখি প্ৰকাশ কৰা কৰা বাৰ্ষিক স্মৃতিগ্ৰন্থখন আমন্ত্ৰিত বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত উন্মোচন কৰা হয়। অনুষ্ঠানত উপস্থিত থকা বিশিষ্ট অতিথি আৰু অভিযন্তা সকলক সভাত গামোচা, চেলেং আৰু সম্বৰ্ধনা-পত্ৰৰে সন্মান জনোৱা হয়। সম্বৰ্ধনা-পত্ৰ পাঠ কৰে লেখিকা সুৰজিতা সন্দিকৈয়ে। সপোনক বাস্তৱায়িত কৰাৰ প্ৰক্ৰিয়াই হৈছে অভিযন্তাৰ মূল পৰিচয়— এই বাৰ্তাৰে অনুষ্ঠানত অভিযন্তাৰ ভূমিকা আৰু দায়িত্বৰ ওপৰত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায় মুখ্য অতিথি ড° কন্দৰ্প কুমাৰ ডেকাই। ভাষণত তেখেতে এজন অভিযন্তাই কি কৰিব পাৰে আৰু সমাজৰ বাবে কি কৰি আছে,



সেই বিষয়ে উদাহৰণসহ ব্যাখ্যা কৰে। গভীৰ প্ৰযুক্তিবিদ্যাৰ বিষয়ে উল্লেখ কৰি অসম্ভৱকো অভিযন্তা সকলে কিদৰে সম্ভৱ কৰি তোলে, বিজ্ঞানী আৰু অভিযন্তাৰ মাজৰ সম্পৰ্ক, লগতে অভিযান্ত্ৰিক ক্ষেত্ৰৰ বিভিন্ন দিশৰ ওপৰত তথ্য সমৃদ্ধ বক্তব্য আগবঢ়ায়। অনুষ্ঠানত বিশিষ্ট অতিথি তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা, সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকাই দিনটো তেওঁৰ বাবে নষ্টালজিক সময় বুলি উল্লেখ কৰে। তেখেতে কয়, বিজ্ঞানীসকলে নতুন নতুন উদ্ভাৱন কৰে আৰু অভিযন্তাসকলে সেই উদ্ভাৱনক বাস্তৱ ৰূপ দি সমাজক আগুৱাই নিয়ে। নিজৰ কৰ্মজীৱনৰ অভিজ্ঞতা ব্যক্ত কৰি নৱপ্ৰজন্মৰ অভিযন্তা সকলক নিষ্ঠা আৰু দায়িত্ববোধেৰে কাম কৰি অভিযান্ত্ৰিক ক্ষেত্ৰত কোনো ধৰণৰ খুঁটি-নাটি যাতে বৈ নাযায়, তাৰ বাবে আহ্বান জনায়। উদ্‌যাপন সমিতিৰ সভাপতি প্ৰতুল বৰুৱাই সভাপতিত্ব কৰাৰ লগতে উদযাপন সমিতিৰ সম্পাদক হেমন্ত কুমাৰ দাস বাগ্‌চীয়ে উদ্বোধনী ভাষণ আগবঢ়ায়। অনুষ্ঠানটো আঁত ধৰে নিলয় দাস আৰু পিয়ংকা দাসে। অনুষ্ঠানত বিশিষ্ট অভিযন্তা ৰবীন্দ্ৰনাথ ভট্টাচাৰ্য, অধীক্ষক অভিযন্তা (অৱসৰপ্ৰাপ্ত), জলসিঞ্চন বিভাগ; বিশিষ্ট অভিযন্তা নাৰায়ণ শৰ্মা, অৱসৰপ্ৰাপ্ত, পি ডব্লিউ ডি বিভাগৰ উপদেষ্টা, অভিযন্তা মঞ্চ, ডিব্ৰুগড়ৰ বিশিষ্ট অভিযন্তা ভীম বাহাদুৰ চেত্ৰী, কাৰ্য্যবাহী অভিযন্তা (অৱসৰপ্ৰাপ্ত), জলসিঞ্চন বিভাগ; আৰু ডিব্ৰুগড় ইঞ্জিনিয়াৰ্ছ ফ’ৰামৰ কাৰ্যকৰী সভাপতি ভূপেন গগৈসহ ফ’ৰামৰ বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে। অনুষ্ঠানত ‘শংকৰে সিঁচে নামৰ কঠীয়া’ শীৰ্ষক কোৰাছ পৰিৱেশন কৰাৰ পিছত ফ’ৰামৰ সদস্য আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্য আৰু আমন্ত্ৰিত শিল্পীৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হয় বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান। দিহানামকে ধৰি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰে সামৰণি পৰে ডিব্ৰুগড় ইঞ্জিনিয়াৰ্ছ ফ’ৰামৰ “ৰাষ্ট্ৰীয় অভিযন্তা দিৱস”।

“ৰাজ্যিক শিক্ষক বঁটা-২০২৬” প্ৰাপক পিএমশ্ৰী ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষক সম্বৰ্ধনা গৰিয়া জাতীয় পৰিষদ, জাতীয় ঐতিহ্য সুৰক্ষা মঞ্চৰ

অসম বাৰ্তা, বৰপেটা সদৰ, ১৬ ছেপ্টেম্বৰ ঃ “ৰাজ্যিক শিক্ষক বঁটা ২০২৬”ৰে সন্মানিত ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰণেন্দ্ৰ কুমাৰ দাসক গৰিয়া জাতীয় পৰিষদৰ বৰপেটা জিলা সমিতি আৰু ভেল্লা আঞ্চলিক সমিতিৰ লগতে সামাজিক, সাংস্কৃতিক অনুষ্ঠান “জাতীয় ঐতিহ্য সুৰক্ষা মঞ্চ ভেল্লা”ৰ তৰফৰ পৰা অসীম শ্ৰদ্ধা আৰু আন্তৰিকতম অভিনন্দন জ্ঞাপন কৰে। মংগলবাৰে বিদ্যালয় প্ৰাংগণতে শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয় পৰিচালনা সমিতিৰ উপস্থিতিত অধ্যক্ষ ৰণেন্দ্ৰ কুমাৰ দাসক একোখনকৈ ফুলাম গামোচা আৰু প্ৰশস্তি পত্ৰৰে অভিনন্দন জ্ঞাপন কৰে। অভিনন্দন জ্ঞাপন কৰি জাতীয় ঐতিহ্য সুৰক্ষা মঞ্চৰ সভাপতি আজিজুল হকে কয়- জ্ঞানৰ পোহৰেৰে অন্ধকাৰাচ্ছন্ন সমাজক আলোকিত কৰা মানৱেই শিক্ষক। নিজে ম’মৰ দৰে জ্বলি পোহৰ বিলাই শান্তি প্ৰতিষ্ঠা কৰে এই শিক্ষকসকলে। এগৰাকী যশস্বী, কীৰ্তিমান, পণ্ডিতপ্ৰৱৰ, জ্ঞানত পস্বী, কৰ্তব্যপৰায়ণ, প্ৰজ্ঞাশীল, স্নেহশীল, আদৰ্শবান, অনুপ্ৰেৰণাদায়ী, পথপ্ৰদৰ্শক শিক্ষাগুৰুৱে সমাজক বৌদ্ধিক, শৈক্ষিক আৰু নৈতিক দিশত নেতৃত্ব দি সমাজখনক আগুৱাই নিয়ে। জ্ঞানৰ জ্যোতিৰে শিক্ষাৰ ক্ষেত্ৰখনক আলোকিত কৰি মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰত বিশেষভাৱে অৰিহণা যোগায় শিক্ষকসকলে। এনেধৰণৰ জ্ঞান-গৰিমাৰ অধিকাৰী হোৱা বাবে পি এম শ্ৰী ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰণেন্দ্ৰ কুমাৰ দাসক গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰী দামোদৰদেৱ আন্তৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত অনুষ্ঠিত ৬৫ সংখ্যক শিক্ষক দিৱসত “ৰাজ্যিক শিক্ষক বঁটা-২০২৬”ৰে সন্মানিত কৰা হৈছে। ইয়াৰ পূৰ্বেও অধ্যক্ষ গৰাকীয়ে ২০১৮ বৰ্ষৰ ৫৭ সংখ্যক শিক্ষক দিৱসত জিলা আদৰ্শ শিক্ষকৰ সন্মান লাভেৰে পি এম শ্ৰী ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। “জাতীয় ঐতিহ্য সুৰক্ষা মঞ্চ ভেল্লা”ৰ সাধাৰণ সম্পাদক চাইজুৰ ৰহমানে ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰণেন্দ্ৰ কুমাৰ দাসৰ এই প্ৰাপ্তিত বিদ্যালয়খনৰ লগতে বৰপেটাৰ জিলা তথা বৃহত্তৰ ভেল্লা অঞ্চলবাসী গৌৰৱান্বিত, আনন্দিত হৈছে বুলি কয়। তেওঁৰ অনুপম, অপূৰ্ব, অবিস্মৰণীয়, গৌৰৱোজ্জ্বল, মহিমাময় অৱদানে শিক্ষা জগতক আলোকিত, ধন্য, সমৃদ্ধ কৰিছে বলি কয়। এই অনুষ্ঠানতে “জিলা শিক্ষক বঁটা ২০২৬” প্ৰাপক ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী মফিদা বেগমকো ফুলাম গামোচা আৰু প্ৰশস্তি পত্ৰৰে অভিনন্দন জ্ঞাপন কৰা হয়। অনুষ্ঠানত সদৌ অসম গৰিয়া জাতীয় পৰিষদৰ বৰপেটা জিলা সমিতিৰ সাধাৰণ সম্পাদক ছাজিদুৰ ৰহমান (ৰাণা), ভেল্লা আঞ্চলিক সমিতিৰ সভাপতি আজিজ আহমেদ, সাধাৰণ সম্পাদক ছফিকুল হুছেইন, উপ সভাপতি ৰোজ আলী, জাতীয় ঐতিহ্য সুৰক্ষা সমিতিৰ উপ সভাপতি মস্তানুৰ হক(ৰাজা), সহকাৰী সম্পাদক আদিত আলী, মনজুৰ হকসহ কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে। ইপিনে দুয়োগৰাকী শিক্ষাগুৰুকে ভেল্লা বজাৰ গাঁৱৰক্ষী বাহিনী তৰফৰ পৰাও অভিনন্দন জ্ঞাপন কৰা হয়।

দেৰগাঁৱত ৱাৰ্ড সদস্যৰ বিৰুদ্ধে চৰকাৰী গৃহ আবণ্টনক লৈ অভিযোগ

অভিযোগ অস্বীকাৰ কৰি সংবাদমেলত স্পষ্টীকৰণ স্নেহলতা নাথৰ; ভাইৰেল অডিঅ’ক AI-নিৰ্মিত বুলি দাবী

অসম বাৰ্তা, দেৰগাঁও, ১৬ ছেপ্টেম্বৰ ঃ দেৰগাঁৱত এগৰাকী ৱাৰ্ড সদস্যৰ বিৰুদ্ধে প্ৰধানমন্ত্ৰী আৱাস যোজনা (PMAY)ৰ গৃহ আবণ্টনক কেন্দ্ৰ কৰি উত্থাপিত অভিযোগক লৈ ব্যাপক চৰ্চা সৃষ্টি হৈছে। সদৌ অসম নাথ-যোগী ছাত্ৰ সন্থাৰ সভাপতিৰ বক্তব্য অনুসৰি, আৰ্থিকভাৱে দুৰ্বল পৰিয়ালসমূহে চৰকাৰী আঁচনিৰ সুবিধা লাভ কৰাৰ বিপৰীতে বহু লোকেও সুবিধা লাভ কৰাৰ অভিযোগ উত্থাপন হৈছে। সংগঠনটোৰ অভিযোগ অনুসৰি, চৰকাৰী গৃহ আবণ্টনৰ নামত ধন লোৱাৰ অভিযোগো উত্থাপিত হৈছে। এই সন্দৰ্ভত একাংশ স্থানীয় লোকে ৱাৰ্ড সদস্যগৰাকীৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰা বুলি দাবী কৰা হৈছে। অৱশ্যে, বহু স্থানীয় লোকে এই বিষয়ত কোনো মন্তব্য প্ৰকাশ কৰা নাই। ইয়াৰ মাজতে ৱাৰ্ড সদস্য স্নেহলতা নাথে বুধবাৰে অনুষ্ঠিত এখন সংবাদমেলত উত্থাপিত অভিযোগসমূহ সম্পূৰ্ণৰূপে অস্বীকাৰ কৰি নিজৰ স্থিতি স্পষ্ট কৰে। সংবাদমেলত নাথে অভিযোগসমূহৰ সমৰ্থনত উপযুক্ত প্ৰমাণ দাখিল কৰিবলৈ



আহ্বান জনায়। তেওঁৰ বক্তব্য অনুসৰি, তেওঁ কোনো ব্যক্তিৰ পৰা চৰকাৰী গৃহৰ নামত ধন গ্ৰহণ কৰা নাই। অভিযোগ প্ৰমাণ কৰিবলৈ বেংক একাউণ্টৰ লেনদেনৰ তথ্য অথবা ধন দিয়া-লোৱাৰ নিৰ্ভৰযোগ্য প্ৰমাণ দাখিল কৰিব লাগিব বুলিও তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয় যে অভিযোগসমূহ প্ৰমাণিত হ’লে তেওঁ আইনী পৰিণতিৰ সন্মুখীন হ’বলৈ সাজু। আনহাতে, অভিযোগ মিছা প্ৰমাণিত হ’লে তেওঁৰ সুনাম আৰু পৰিয়ালৰ সন্মান ক্ষুণ্ণ হোৱাৰ বাবে আইনী ব্যৱস্থা গ্ৰহণ কৰিব পাৰে বুলিও সংবাদমেলত উল্লেখ কৰে। ইফালে, সামাজিক মাধ্যমত ভাইৰেল হোৱা এটা অডিঅ’ ৰেকৰ্ডিংক লৈও সংবাদমেলত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে ৱাৰ্ড সদস্যগৰাকীয়ে। তেওঁৰ দাবী অনুসৰি, উক্ত অডিঅ’টো কৃত্ৰিম বুদ্ধিমত্তা (AI)ৰ সহায়ত প্ৰস্তুত বা পৰিৱৰ্তন কৰা হ’ব পাৰে। অৱশ্যে, অডিঅ’টোৰ প্ৰকৃত উৎস আৰু সত্যতা সম্পৰ্কে স্বাধীনভাৱে নিশ্চিত তথ্য এই পৰ্যন্ত প্ৰকাশ পোৱা নাই। সংবাদমেলত নাথে সদৌ অসম নাথ-যোগী ছাত্ৰ সন্থাৰ সংশ্লিষ্ট কমিটিখনৰ বৈধতা সম্পৰ্কেও প্ৰশ্ন উত্থাপন কৰে। ৱাৰ্ড সদস্যগৰাকীয়ে নিজৰ সামাজিক কাম-কাজৰ কথাও সংবাদমেলত উল্লেখ কৰে। তেওঁৰ দাবী অনুসৰি, বানপানীৰ সময়ত আৰু বানপানীৰ পিছত তেওঁৰ ৱাৰ্ডৰ কেইবাটাও পৰিয়ালক খাদ্য সামগ্ৰীসহ বিভিন্ন ধৰণে সহায় আগবঢ়াইছে। কিছুমান কামত ব্যক্তিগত ধনো ব্যয় কৰা বুলি তেওঁ দাবী কৰে। স্নেহলতা নাথে কয় যে তেওঁ ৰাইজৰ সেৱাৰ উদ্দেশ্যৰে ৱাৰ্ড সদস্য হিচাপে কাম কৰি আহিছে আৰু চৰকাৰী আঁচনিৰ ধন আত্মসাৎ কৰাৰ অভিযোগ সম্পূৰ্ণ ভিত্তিহীন। ঘটনাটোক কেন্দ্ৰ কৰি এতিয়া অভিযোগকাৰী পক্ষই উত্থাপন কৰা অভিযোগ আৰু ৱাৰ্ড সদস্যগৰাকীয়ে দিয়া স্পষ্টীকৰণ— দুয়োটাৰে সত্যতা নিৰপেক্ষ তদন্তৰ জৰিয়তে স্পষ্ট হোৱাটো গুৰুত্বপূৰ্ণ হৈ পৰিছে। অভিযোগসমূহৰ প্ৰমাণ, চৰকাৰী নথি-পত্ৰ, গৃহ আবণ্টনৰ তালিকা আৰু ধন লেনদেনৰ তথ্য পৰীক্ষা কৰাৰ পিছতহে বিষয়টোৰ প্ৰকৃত ছবি স্পষ্ট হ’ব।

আৰ.ডি মটৰৰ্ছ চেৰিটেবল ট্ৰাষ্টৰ উদ্যোগত তেজপুৰৰ পৰ্বতীয়া নিম্ন বুনিয়াদী বিদ্যালয়ত বৃহৎ শিশু উদ্যান মুকলি

অসম বাৰ্তা, তেজপুৰ সদৰ, ১৬ ছেপ্টেম্বৰ ঃ তেজপুৰৰ নিকামুলস্থিত আৰ ডি মটৰ্ছৰ চেৰিটেবল ট্ৰাষ্টে ১৮৯৮ চনত স্থাপিত তেজপুৰৰ ঐতিহ্যমণ্ডিত পৰ্বতীয়া নিম্ন বুনিয়াদী বিদ্যালয়ৰ চৌহদত আটক ধুনীয়াকৈ নিৰ্মাণ কৰি উলিওৱা এখন শিশু উদ্যান কালি আনুষ্ঠানিকভাৱে মুকলি কৰে। সেই অনুসৰি আজি দিনৰ ১১ বজাত ১২৮ বছৰীয়া গৌৰৱজ্জ্বল পৰ্বতীয়া নিম্ন বুনিয়াদী বিদ্যালয়ত শ্ৰীশ্ৰী বৰালিমৰা সত্ৰৰ ডেকা সত্ৰাধিকাৰ শোভন মহন্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত আৰ ডি মটৰ্ছৰ বিষয়ববীয়াৰ লগতে কেইবগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিদ্যালয়খনৰ সহ-শিক্ষক কুশল বৰাই আতধৰা আৰু কন কন ছাত্ৰসকলে পৰিবেশন কৰা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মায়াবিনী গীতেৰে আৰম্ভ হোৱা বিশেষ সভাখনত আৰ ডি মটৰ্ছৰ এচ ডি এম প্ৰিয়ংকু দত্ত, অৱসৰপ্ৰাপ্ত শিক্ষক ভদ্ৰেশ্বৰ শইকীয়া, শোণিতপুৰ জিলা সাংবাদিক সন্থা (আজু)ৰ কাৰ্যকৰী সভাপতি অসমীয়া প্ৰতিদিনৰ তেজপুৰৰ জ্যেষ্ঠ সাংবাদিক দিব্যজ্যোতি নাথ, ভাস্কৰ্য শিল্পী মোহিনী হাজৰিকা আৰু সমাজকৰ্মী দেৱধৰ বৰা, তেজপুৰ সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক ছাইদুল ইছলাম বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে। সভাত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰুণা তামোলী বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী জয়শ্ৰী বৰা আৰু মাতৃগোটৰ সদস্যসকলে আমন্ত্ৰিত বিশিষ্ট অতিথিসকলক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। ইয়াৰ পিছতে এচডিএম প্ৰিয়ংকু দত্তই নিজা ভাষণত আৰ ডি মটৰ্ছ চেৰিটেবুল ট্ৰাষ্টে শিশু উদ্যান প্ৰকল্প নিৰ্মাণ কৰাৰ সন্দৰ্ভত অসমৰ বিভিন্ন প্ৰান্তত ৰূপায়ণ কৰা কাৰ্যসূচীৰ বিষয়ে বিস্তৃতভাৱে দাঙি ধৰে। জানিব পৰা মতে বৰ্তমানলৈকে অবিভক্ত শোণিতপুৰ আৰু বিশ্বনাথ জিলাত আৰ ডি মটৰ্ছে ২০২৪-২৫ বৰ্ষত ১০খন, ২০২৫-২৬ বৰ্ষত ১৪খন প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ বাবে শিশু উদ্যান গঢ়ি তুলিবলৈ সক্ষম হয়। ইয়াৰ বিপৰীতে ৰাজ্যখনত ১০৪খন চৰকাৰী বিদ্যালয়ত এই প্ৰকল্পৰ অধীনত শিশু উদ্যান স্থাপন কৰিছে। সভাত ভাস্কৰ্য শিল্পী মোহনী হাজৰিকা আৰু প্ৰধান শিক্ষয়িত্ৰী জয়শ্ৰী বৰাই ভাষণ প্ৰদান কৰি আৰ ডি মৰ্টছ চেৰিটেবুল ট্ৰাষ্টে বিগত দিন ধৰি ছাত্ৰছাত্ৰীৰ বাবে গ্ৰহণ কৰি অহা এই পদক্ষেপক আদৰণি জনাই বিদ্যালয়খনৰ কন কন ছাত্ৰ-ছাত্ৰীৰ কাৰণে দিনৌ খেলাধূলা কৰাৰ ব্যৱস্থাৰে শিশু উদ্যান স্থাপন কৰাক ধন্যবাদ জনাই ভূয়সী প্ৰশংসা কৰে। ইফালে কণকণ ছাত্ৰ-ছাত্ৰীসকলে একক আৰু দলীয়ভাৱে পৰিবেশন কৰা নৃত্যই উপস্থিত সকলোকে আপ্লুত কৰে। এই ক্ষেত্ৰত আৰ ডি মটৰ্ছৰ তৰফৰ পৰা আগবঢ়োৱা খেলা আৰু অনুশীলন সামগ্ৰীসহ শিশু উদ্যানখন ডেকা সত্ৰাধিকাৰ শোভন মহন্ত আৰু এচ ডি এম প্ৰিয়ংকু দত্তই ছাত্ৰছাত্ৰীসকলৰ বাবে মুকলি কৰে। সভাত আৰ ডি মৰ্টছৰ তৰফৰ পৰা এইচ আৰ সমৰজিত বৰা, ইভেণ্ট মেনেজাৰ অমিত বড়োৰ লগতে অংকুৰ বৰা, চি আৰ চি আৰু স্থানীয় ৰাইজ, ছাত্ৰছাত্ৰীসকল উপস্থিত থাকে। উল্লেখ্য যে পৰ্বতীয়া নিম্ন বুনিয়াদী বিদ্যালয় কৰ্তৃপক্ষই শিশু উদ্যানখন স্থাপন কৰাৰ বাবে আৰ ডি মটৰ্ছক এখন সম্বৰ্ধনা পত্ৰ প্ৰদান কৰে।

গভীৰ অনিশ্চয়তাত ৪ বছৰীয়া সন্তানসহ পত্নী

বহিঃ ৰাজ্যলৈ গৈ অকাল মৃত্যুক সাৱতিলে মাজুলীৰ জামুৰনি গাঁৱৰ দিগন্ত দত্তই

অসম বাৰ্তা, উজনী মাজুলী, ১৬ ছেপ্টেম্বৰ ঃ সপোন খেদি বহিঃৰাজ্যলৈ যোৱা মাজুলীৰ এজন যুৱক শেষত কফিনত স্বগৃহলৈ নশ্বৰ দেহ হৈ উভতি অহাৰ হৃদয়বিদাৰক ঘটনাই নিজ গাঁও জামুৰনিত গভীৰ শোকৰ ছাঁ পেলাইছে। মাজুলীৰ জামুৰনি গাঁৱৰ ৩৩ বছৰীয়া দিগন্ত দত্তই মাত্ৰ দুমাহ পূৰ্বে পৰিয়ালৰ আৰ্থিক অৱস্থা সুদৃঢ় কৰাৰ আশাৰে কৰ্মসূত্ৰে হায়দৰাবাদলৈ গৈছিল। কিন্তু কৰ্মস্থলীত অসুস্থ হৈ পৰাৰ পিছত ঘৰলৈ উভতি আহি থকা অৱস্থাত কলকাতাত তেওঁৰ মৃত্যু হয়। বুধবাৰে 'শ্ৰদ্ধাঞ্জলি আঁচনি'ৰ অধীনত বহিঃৰাজ্যৰ পৰা বিমানযোগে তেওঁৰ নশ্বৰ দেহ ডিব্ৰুগড়ৰ মোহনবাৰী বিমানবন্দৰলৈ অনা হয়। তাৰ পিছত এম্বুলেন্সযোগে নিজ বাসগৃহ জামুৰনি গাঁৱলৈ লৈ অহা হয়। মৃতদেহ নিজ গৃহত উপস্থিত হোৱাৰ লগে লগেই পত্নী, চাৰি বছৰীয়া সন্তান, আত্মীয়-স্বজন আৰু গাঁওবাসীৰ হিয়াভঙা কান্দোনে সমগ্ৰ অঞ্চলৰ পৰিৱেশ শোকাকুল কৰি তোলে। ঘৰখনৰ একমাত্ৰ উপাৰ্জনকাৰী আছিল দিগন্ত দত্ত। কণমানি সন্তানটোৰ ভৱিষ্যৎ গঢ়ি তোলাৰ লগতে পৰিয়ালটোক পোহপাল দিয়াৰ আশাৰে তেওঁ বহিঃৰাজ্যলৈ গৈছিল। কিন্তু কৰ্মস্থলীলৈ যোৱাৰ মাত্ৰ দুমাহৰ ভিতৰতে নিয়তিৰ নিষ্ঠুৰ পৰিহাসত তেওঁ অকাল মৃত্যুক সাৱটি ল'ব লগা হয়। স্থানীয় লোকসকলে জনোৱা মতে, বিশ্বকৰ্মা পূজাত দেউতাৰ সৈতে নামঘৰত ভাওনা চোৱাৰ সপোন দেখা চাৰি বছৰীয়া সন্তানটোৱে এতিয়া দেউতাকক কফিনত আবদ্ধ নিথৰ দেহ হিচাপেহে লাভ কৰা বুলি সকলো শোকাকুল হৈ পৰা পৰিলক্ষিত হয়। ইফালে দিগন্ত দত্তৰ নশ্বৰদেহ স্বগৃহলৈ অনাৰ ক্ষেত্ৰত মাজুলী জিলা আৰক্ষী-প্ৰশাসন, জিলা প্ৰশাসন, স্থানীয় বিধায়ককে ধৰি সংশ্লিষ্ট সকলো পক্ষই বিশেষ দায়িত্ব গ্ৰহণ কৰে। পিছত নিজ জন্মস্থান জামুৰনি গাঁৱতে হিন্দু ৰীতি-নীতি অনুসৰি তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। ইফালে, পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰীক হেৰুৱাই পত্নী আৰু চাৰি বছৰীয়া সন্তানটোৱে গভীৰ অনিশ্চয়তাৰ সন্মুখীন হোৱাত স্থানীয় ৰাইজে চৰকাৰক পৰিয়ালটোক উপযুক্ত আৰ্থিক সহায় আৰু পুনৰসংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ কাতৰ আহ্বান জনাইছে।

মাজুলী মহাবিদ্যালয়ত বিশ্ব অ'জন দিৱসত ড° দেৱজিৎ শইকীয়া

"অ'জন স্তৰৰ সুৰক্ষাইহে আমাৰ ভৱিষ্যত নিশ্চিত কৰিব"

অসম বাৰ্তা, উজনী মাজুলী, ১৬ ছেপ্টেম্বৰ ঃ "পৃথিৱীখন এতিয়া অতিশয় উষ্ণ হৈ ক্ৰমান্বয়ে বসবাসৰ অনুপযোগী হৈ পৰিছে। এতেকে, পৃথিৱী জীৱকুলৰ বাসবাসৰ উপযোগী কৰি ৰখাৰ দায়িত্ব মানৱ জাতিয়ে ল'বই লাগিব। কিন্তু, আমি যেন সেই কথা বুজিবৰ প্ৰয়াস কৰা নাই। পৃথিৱীৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ অজ'ন স্তৰকো আমি সুৰক্ষিত কৰিব লাগিব। অ'জন স্তৰৰ সুৰক্ষাইহে আমাৰ ভৱিষ্যত নিশ্চিত কৰিব।"— এই বক্তব্য মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ। আজি 'বিশ্ব অ'জন দিৱস' উপলক্ষে মহাবিদ্যালয় পদাৰ্থ বিজ্ঞান বিভাগ, ভূগোল বিভাগ, পৰিৱেশ কোষ আৰু মাজুলী জিলা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ যৌথ উদ্যোগত মাজুলী মহাবিদ্যালয়ত আয়োজিত বিশেষ সভাখনি উদ্বোধন কৰি অধ্যক্ষ ড° শইকীয়াই এইদৰে কয়। মাজুলী মহাবিদ্যালয় বিজ্ঞান মঞ্চৰ সহযোগত আয়োজন কৰা অনুষ্ঠানটিৰ আৰম্ভণিতে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ মাজুলী জিলাৰ সমন্বয়ক তথা মহাবিদ্যালয় শিক্ষক গোটৰ সম্পাদক ড° অনুপ কুমাৰ দলে সকলোকে আদৰণি জনায়। মহাবিদ্যালয়ৰ 'সত্ৰাধিকাৰ পদ্মকান্ত গোস্বামী সভাকক্ষ'ত আয়োজিত অনুষ্ঠানটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি গুৱাহাটীৰ এছ বি দেউৰা মহাবিদ্যালয়ৰ অধ্যাপক ডঃ পুলক তালুকদাৰে অ'জন স্তৰৰ অৱক্ষয়ৰ বিভিন্ন কাৰণসমূহ বৰ্ণনা কৰি ভৱিষ্যতৰ স্বাৰ্থত সকলোকে পৰিৱেশ সুৰক্ষাৰ দিশত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়। মহাবিদ্যালয় পৰিৱেশ কোষৰ মুখ্য উপদেষ্টা অধ্যাপিকা ইন্দিৰা বড়াই আঁত ধৰা অনুষ্ঠানটিত মুখ্য অতিথিৰ ভাষণ দি মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, উপ-সভাপতি ড° ৰূপজ্যোতি বৰা, ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক ড° দেৱজ্যোতি ভট্টাচাৰ্য, ড° বিশাল ভূএগ, ভূগোল বিভাগৰ সহকাৰী অধ্যাপক আচাৰ্য মোহন দাস, পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক ড° দিগন্ত হাতীবৰুৱা, অধ্যাপক লেঃ কংকন বৰদলৈ, ড° দিব্যজ্যোতি বৰা, গণিত বিভাগৰ অধ্যাপক বিশাল শইকীয়া আদিয়ে দৃশ্য-শ্ৰব্য মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলৰ আগত অ'জন স্তৰৰ অৱক্ষয়ৰ ভয়াবহতাৰ বিষয়ে উপস্থাপন কৰে। সভাত দ্বিশতাধিক শিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰে।

ডুমডুমাত বিশ্ব অ'জন দিৱস পালন



অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৬ ছেপ্টেম্বৰ ঃ সমগ্ৰ বিশ্বৰ লগতে আজি ডুমডুমা বন সংমণ্ডল প্ৰাধিকাৰী কাৰ্যালয়ৰ উদ্যোগত বন সংমণ্ডল প্ৰাধিকাৰীৰ কাৰ্যালয়ৰ খেলপথাৰত 'বিশ্ব অ'জন দিৱস' উদযাপন কৰা হয়। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগ, অসমৰ অধীনত ডুমডুমা বন সংমণ্ডল প্ৰাধিকাৰী কাৰ্যালয়ৰ উদ্যোগত আৰু ৰূপাই ডাইনামিক ফিজিকেল একাডেমীৰ সহযোগত দিনটোৰ লগত সংগতি ৰাখি ৰূপাই চাইডিং আৰু ডুমডুমাত এক সজাগতামূলক ৰেলী উলিওৱা হয়। ৰেলীৰ জৰিয়তে অ'জন স্তৰ সংৰক্ষণ আৰু পৰিৱেশ সুৰক্ষাৰ প্ৰতি জনসাধাৰণক সজাগ কৰাৰ চেষ্টা কৰা হয়। উক্ত ৰেলীটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ডুমডুমা বন সংমণ্ডল প্ৰাধিকাৰী পুষ্পধৰ বৰগোঁহাইয়ে। দিনটোৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। উল্লেখযোগ্য যে প্ৰতি বছৰে ১৬ ছেপ্টেম্বৰত 'বিশ্ব অ'জন দিৱস' পালন কৰা হয়। সূৰ্যৰ ক্ষতিকাৰক অতিবেঙুনীয়া ৰশ্মিৰ পৰা পৃথিৱীৰ জীৱজগতক সুৰক্ষা প্ৰদান কৰা অ'জন স্তৰৰ গুৰুত্ব সম্পৰ্কে জনসচেতনতা বৃদ্ধি কৰাই এই দিৱসৰ মূল উদ্দেশ্য। অ'জন স্তৰ সংৰক্ষণৰ লগতে জলবায়ু আৰু পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ গছপুলি ৰোপণ, প্ৰদূষণ হ্ৰাস আৰু পৰিৱেশ অনুকূল জীৱনশৈলী গ্ৰহণৰ ওপৰতো এই দিৱসত গুৰুত্ব আৰোপ কৰা হয়। উদ্যোক্তাসকলে সুস্থ পৰিৱেশ আৰু সুৰক্ষিত অ'জন স্তৰৰ বাবে সামূহিক প্ৰচেষ্টাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে।

লখিমপুৰত উড়িয়া সমাজৰ 'নোৱা-খাই পৰ্ব'ৰ আৰম্ভণি অনুষ্ঠান

অসম বাৰ্তা, লীলাবাৰী, ১৬ ছেপ্টেম্বৰ ঃ 'নোৱা-খাই পৰ্ব' উড়িয়াভাষী লোকসকলৰ ন-খোৱা উৎসৱ। কৃষিজীৱী উড়িয়াভাষী লোকসকলে পালন কৰা উৎসৱটি গণেশ চতুৰ্থীৰ পিছদিনাৰ পৰা অনুষ্ঠিত হয়। উড়িয়াভাষী লোকসকলৰ গুৰুত্বপূৰ্ণ সামাজিক উৎসৱ 'নোৱা-খাই পৰ্ব'টি লখিমপুৰ জিলা উড়িয়া সমাজ আৰু জহিং-কয়লামাৰী উড়িয়া সমাজৰ উদ্যোগত জহিং খেলপথাৰত অনুষ্ঠিত হ'ব। আজি পুৱা সমলেশ্বৰী দেৱী তথা শস্য আৰাধনাৰ বাবে মুখ্য পুৰোহিত ভীমসেন ডুঙৰী আৰু নোৱা-খাই পৰ্ব উদ্‌যাপন সমিতিৰ সভাপতি সঞ্জিত তাঁতিৰ নেতৃত্বত লখিমপুৰৰ উড়িয়াভাষী লোকসকলে জহিং খেলপথাৰৰ পূজাস্থলীৰ ধাননি পথাৰলৈ সমদল কৰে। উড়িয়া লোকসকলৰ লোক-বাদ্য বজাই নৃত্য-গীত কৰি শস্য দেৱতাক আদৰণি কৰি অনা দৃশ্যই পৰিৱেশটি মোহিত কৰি তোলে। উল্লেখ্য যে, অহা ২০ ছেপ্টেম্বৰ দেওবাৰে দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে 'নোৱা-খাই পৰ্ব'টি উদযাপিত হ'ব। লখিমপুৰ জিলা উড়িয়া সমাজৰ সভাপতি বিমল চাওৱে উড়িয়া সমাজৰ ধ্বজা উত্তোলনেৰে আৰম্ভণি হ'বলগা অনুষ্ঠানটিত লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক কানন সেৱক খাণ্ডেত্ৰাই যে সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰাৰ সমান্তৰালকৈ মুকলি উড়িয়া নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

নাম কাটনি গাঁৱৰ যুৱক সকলে শ্ৰমদান কৰি পৰিষ্কাৰ কৰিলে দীঘলীয়া পথ

মাজুলীৰ বিভিন্ন পথৰ কাষত গজিছে অপতৃণ; পথৰ দাঁতিত হাবি-জংঘলেৰে ভৰি পৰাত যান-বাহন তথা পথচাৰীৰ জীৱনলৈ বিপদ

অসম বাৰ্তা, মাজুলী, ১৬ ছেপ্টেম্বৰ ঃ মাজুলীৰ গাঁৱে-ভূঞে, বাট পথ, মথাউৰিৰ দাঁতিত হ'বলৈ অপতৃণেৰে ভৰি পৰাত জংঘললৈ ৰূপান্তৰিত হৈছে, খেতিৰ পথাৰ বাট পথৰ দাঁতি। লোক নিৰ্মাণ বিভাগ আৰু জলসম্পদ বিভাগৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সকলে পূৰ্বে সেই বিলাক পৰিষ্কাৰ কৰিছিল। কিন্তু বিভাগ দুটাৰ অৱসৰ লোৱা চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সকলৰ ঠাইত নতুন কৰ্মচাৰী নিয়োগ নকৰা এনে পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হৈছে বুলি জানিব পৰা গৈছে। তদুপৰি বতৰৰ পৰিৱৰ্তনৰ ফলত যতে মতে গজি উঠিছে অপতৃণ। মাজুলীৰ ৰাজপথত সঘনাই দুৰ্ঘটনা সংঘটিত হোৱাৰ ইও এক কাৰণ বুলি মাজুলীৰ ৰাইজে অভিহিত কৰিছে। কিন্তু বিভাগ দুটাই এই ক্ষেত্ৰত কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপিত হৈছে। ইয়াৰ মাজতে মাজুলী জিলাৰ নামকাটনী গাঁৱৰক্ষী বাহিনীয়ে স্থানীয় যুৱকবৃন্দৰ সহযোগত নসত্ৰৰ পৰা নামকাটনী গাঁৱলৈ যোৱা পথৰ দুয়োকাষৰ হাবি-জংঘল কাটি পৰিষ্কাৰ কৰি এক স্বচ্ছতা কাৰ্যসূচী ৰূপায়ণ কৰি এক উদাহৰণ ডাঙি ধৰিবলৈ সক্ষম হৈছে। কাৰণ পথৰ কাষৰ হাবি-জংঘলৰ বাবে যান-বাহনৰ চলাচলত যাতে কোনো অসুবিধা বা সম্ভাব্য দুৰ্ঘটনা সংঘটিত নহয়, সেই দিশৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই পদক্ষেপ গ্ৰহণ কৰা হয় গাঁৱৰ যুৱ সমাজে সদৰি কৰে। গাঁওখনৰ পৰিৱেশ পৰিষ্কাৰ কৰি ৰখাৰ লগতে ৰাইজৰ যাতায়াত অধিক সুৰক্ষিত আৰু সুচল কৰি তোলাৰ ক্ষেত্ৰত গাঁৱৰক্ষী বাহিনীৰ এই সামাজিক দায়বদ্ধতা অত্যন্ত প্ৰশংসনীয়। এই মহানুভৱতাপূৰ্ণ আৰু জনকল্যাণমূলক পদক্ষেপৰ বাবে নামকাটনী গাঁওৰক্ষী বাহিনী আৰু সহযোগিতা আগবঢ়োৱা যুৱকবৃন্দলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছ মাজুলীৰ সচেতন মহলে। কেৱল চৰকাৰলৈ বাটনাচাইপ্ৰতিখন গাঁৱতে এনে ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবে আহ্বান জনায়।

শ্ৰীৰামপুৰত ২০ লক্ষাধিক টকাৰ চোৰাং চেগুন কাঠ জব্দ

অসম বাৰ্তা, গোসাঁইগাঁও, ১৬ ছেপ্টেম্বৰ ঃ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁৱৰ শ্ৰীৰামপুৰত আৰক্ষীৰ অভিযানত ২০ লক্ষাধিক টকাৰ চোৰাং চেগুন কাঠ জব্দ কৰা হৈছে। জানিব পৰা মতে ডিমাপুৰৰ পৰা নাগপুৰ অভিমুখে গৈ থকা এখন ১২ চকীয়া ট্ৰাকত কাঠখিনি চোৰাংভাৱে সৰবৰাহ কৰা হৈছিল। বাহিৰৰ পৰা ট্ৰাকখনত খৰি ভৰ্তি কৰি ৰখা হৈছিল যদিও খৰিৰ তলত আৰু ভিতৰত লুকুৱাই বৃহৎ পৰিমাণৰ চেগুন কাঠ কঢ়িয়াই নিয়া হৈছিল। আৰক্ষীৰ গোপন সূত্ৰৰ খবৰৰ ভিত্তিত শ্ৰীৰামপুৰত অভিযান চলাই ট্ৰাকখন জব্দ কৰে আৰক্ষীয়ে। অভিযানত দুজন লোককো গ্ৰেপ্তাৰ কৰা হৈছে। গ্ৰেপ্তাৰ হোৱা লোক দুজন বিহাৰৰ মিৰ্জাপুৰৰ নছাত খান আৰু আলিফ খান বুলি জানিব পৰা গৈছে। আৰক্ষীৰ জিম্মাত লোৱা ট্ৰাকখনৰ নম্বৰ NL04-AA-1290। অৱশ্যে আৰক্ষীৰ প্ৰাথমিক অনুসন্ধানত ট্ৰাকখনত ব্যৱহাৰ কৰা নম্বৰটো প্ৰকৃত নম্বৰ নহয় বুলি জানিব পৰা গৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে অধিক তদন্ত অব্যাহত ৰাখিছে।

কাদঙৰ ৰূপাকুছিত ৰাষ্ট্ৰীয় পোষণ মাহ উদ্‌যাপন

অসম বাৰ্তা, জনীয়া, ১৬ ছেপ্টেম্বৰ ঃ বৰপেটা জিলাৰ মন্দিয়া সংহত শিশু উন্নয়ন প্ৰকল্পৰ অন্তৰ্গত ৪০৩নং দক্ষিণ ৰূপাকুছি আদৰ্শ অংগনবাড়ী কেন্দ্ৰত ১৪ ছেপ্টেম্বৰত নৱম ৰাষ্ট্ৰীয় পোষণ মাহ উদযাপন কৰা হয়। ইয়াৰ লগত সংগতি ৰাখি আয়োজিত পোষণ মেলা শুভ উদ্বোধন কৰে জনীয়া প্ৰেছ ক্লাবৰ সভাপতি মইনুল হক চৌধুৰীয়ে। তদুপৰি পোষণ মাহ উপলক্ষে জনীয়া ফখৰুদ্দিন আলী আহমেদ মেমোৰিয়েল চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ পিজিটি দেৱান দানেচ আলীৰ সভাপতিত্বত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অংগনবাড়ী কৰ্মী ফিৰোজা খাতুনে। উক্ত সভাত অতিথি হিচাপে মন্দিয়া চিডিপিঅ' কাৰ্যালয়ৰ খণ্ড সমন্বয়ক ধ্ৰুৱ দাস, আই পি এল গ্লু'বেলৰ ৰাজীৱ কলিতা, এ এন এম ৰাজেদা আহমেদ, সুন্দৰী দাস, মুখ্য পৰ্যবেক্ষিকা শেৱালি দাস, পোষণ মেলাৰ উদ্বোধক জ্যেষ্ঠ সাংবাদিক মইনুল হক চৌধুৰীয়ে পোষণ মাহৰ উদ্দেশ্য আৰু তাৎপৰ্যৰ ওপৰত বক্তব্য প্ৰদান কৰে। সভাত সমাজ সচেতক আব্দুছ ছাত্তাৰ, ছুপাইভাইজৰ মঞ্জু কলিতা, অৱসৰী অংগনবাড়ী কৰ্মী হালিমা খাতুন উপস্থিত থাকে। উল্লেখ্য য কৰ্মী সহায়িকাসকলে পুষ্টিকৰ খাদ্যৰ ওপৰত দেখুৱা প্ৰদৰ্শনী চাই সকলোৱে আপ্লুত হয়। পোষণ মেলাত কাদং আৰু গোবিন্দপুৰ গাওঁ পঞ্চায়তৰ অংগনবাড়ী কৰ্মী সহায়িকাৰ উপৰি শিশু, কিশোৰী, বোৱাৰী, প্ৰসূতি তথা মহিলা সকলে অংশগ্ৰহণ কৰে।

সংগীত সুধাকৰ জুবিন গাৰ্গৰ প্ৰথম মৃত্যুবাৰ্ষিকী উপলক্ষে ৰূপাইত স্মৃতিচাৰণ সভাৰ আয়োজন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৬ ছেপ্টেম্বৰ ঃ অহা ১৯ ছেপ্টেম্বৰ তাৰিখে প্ৰাণৰ শিল্পী, সংগীত সুধাকৰ জুবিন গাৰ্গৰ প্ৰথম মৃত্যুবাৰ্ষিকী। এই উপলক্ষে তিনিচুকীয়া জিলা সাহিত্য সভাৰ উদ্যোগত আৰু ৰূপাই শতদল শাখা সাহিত্য সভাৰ আতিথ্যত মহান শিল্পীগৰাকীক স্মৰণ আৰু শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ উদ্দেশ্যে স্মৃতিচাৰণ সভা এখনৰ আয়োজন কৰা হৈছে। ৰূপাই শাখা সাহিত্য সভাৰ প্ৰাংগণত অনুষ্ঠিত হ'বলগীয়া এই অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পুৱা ১০.০০ বজাত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠান, পুৱা ১০-৩০ বজাত স্মৃতিচাৰণ সভা অনুষ্ঠিত হ'ব। তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া এই সভাত অনাতাঁৰ শিল্পী বীনা দেৱী বৰদলৈ মুখ্য বক্তা হিচাপে উপস্থিত থকাৰ লগতে তিনিচুকীয়া জিলা সাহিত্য সভাৰ উপ-সভাপতি চন্দ্ৰ কুমাৰ বৰুৱা, অসম সাহিত্য সভাৰ তিনিচুকীয়া জিলাৰ প্ৰতিনিধি মোহন মৰাণ আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। এই স্মৃতিচাৰণ সভাতেই জুবিন গাৰ্গৰ আত্মীয় বীৰেন অধ্যাপকে প্ৰচীৰ পত্ৰিকা উন্মোচন কৰিব। বিয়লি ৪ বজাত ৰূপাই শতদল শাখা সাহিত্য সভাৰ চৌহদত বন্তি প্ৰজ্বলন, ৪-৩০ বজাত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি, ৫ বজাত সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা, সন্ধিয়া ৫.৩০ বজাত গীত-মাত-কবিতাৰে জুবিন গাৰ্গৰ স্মৃতি ৰোমন্থন অনুষ্ঠান। সন্ধিয়া ৭ বজাত "মায়াবিনী" গীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি পৰিব। গীত-মাত-কবিতাৰে প্ৰাণৰ শিল্পী, সংগীত সুধাকৰ জুবিন গাৰ্গৰ স্মৃতি ৰোমন্থন কৰাৰ উপলক্ষে দিনজোৰা কাৰ্যসূচীৰে আয়োজিত অনুষ্ঠানৰ প্ৰতিটো কাৰ্যসূচীলৈ সমূহ ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে তিনিচুকীয়া জিলা সাহিত্য সভাৰ সম্পাদক অৰূপ কুমাৰ চাংমাই আৰু ৰূপাই শতদল শাখা সাহিত্য সভাৰ সম্পাদক ৰাতুল গগৈয়ে।

সমিতিৰ সৰ্বোচ্চ ঋণৰ সীমা এক কৌটি বিশ লাখ টকা নিৰ্ধাৰণ

পূব চেঙা সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

অসম বাৰ্তা, দৌলাশাল, ১৬ ছেপ্টেম্বৰ ঃ বৰপেটা জিলাৰ পূব চেঙা সমবায় সমিতিৰ ২০২৫-২৬ ইং বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভাখন আজি চেঙা মুছলমান গাঁওস্থিত সমবায়খনৰ কাৰ্যালয় প্ৰাংগণত পুৱা ১০: ৩০ বজাত অনুষ্ঠিত হয়। সমবায়খনৰ সভাপতি ইকৰাম হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সাধাৰণ সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সমবায়খনৰ সম্পাদক আব্দুল ওহাবে। সমবায়খনৰ সম্পাদক আব্দুল ওহাবে যোৱা বিত্তীয় বৰ্ষৰ সাধাৰণ সভাৰ কাৰ্য বিৱৰণী আৰু প্ৰতিবেদন পাঠ কৰাৰ পাছতেই অংশীদাৰ-ৰাইজে হাত-চাপৰিৰে অনুমোদন জনায়। আভ্যন্তৰীণ হিচাপ পৰীক্ষকৰ দ্বাৰা যুগুতোৱা সমবায় সমিতিখনৰ ২০২৫-২৬ ইং বৰ্ষৰ আয়-ব্যয়ৰ খতিয়ান দাখিল কৰা হয় সভাখনত। চৰকাৰীভাৱে যুগুতোৱা ২০২৫-২৬ ইং বৰ্ষৰ আয়-ব্যয়ৰ খতিয়ানৰ প্ৰতিবেদন সমবায়খনৰ সম্পাদক আব্দুল ওহাবে পাঠ কৰাৰ পাছত সদনে সৰ্বসন্মতভাৱে অনুমোদন জনায়। সভাখনত চলিত ইংৰাজী বৰ্ষৰ সম্ভাব্য বাজেট গ্ৰহণ কৰাৰ লগতে ২০২৬-২৭ ইং বৰ্ষৰ বাবে সমবায় সমিতিখনৰ সৰ্বোচ্চ ঋণৰ সীমা এক কৌটি বিশ লাখ টকা নিৰ্ধাৰণ কৰা হয়। ২০২৬-২৭বৰ্ষৰ বাবে আজিৰ এই সাধাৰণ সভাখনতেই আভ্যন্তৰীণ হিচাপ পৰীক্ষক নিযুক্তি দিয়া হয়। আভ্যন্তৰীণ হিচাপ পৰীক্ষক কেইগৰাকী হৈছে- মুখ্য হিচাপ পৰীক্ষক আফাজুৰ ৰহমান (মাজদিয়া), হিচাপ পৰীক্ষক ক্ৰমে ৰফিক আলী(চেঙা), মকছেদ আলী (চেঙা), মফিজুদ্দিন (চতলা) আৰু মৰ্তুজ আলী (খংৰা)। বৰপেটা জিলাৰ সমবায় সমিতিসমূহৰ সহকাৰী পঞ্জীয়কৰ কাৰ্যালয়ৰ জ্যেষ্ঠ পৰিদৰ্শক আজিজুৰ ৰহমানে পৰ্যবেক্ষক হিচাপে সাধাৰণ সভাখনত উপস্থিত থাকে। সমবায়খনৰ সম্পাদক আব্দুল ওহাবে সংবাদ মাধ্যমত কয় যে- "আজিৰ এই সাধাৰণ সভাত অংশীদাৰ ৰাইজৰ স্বতঃস্ফুৰ্ত উপস্থিতিয়ে আমাক যথেষ্ট উৎসাহিত কৰিছে আৰু আঞ্চলিক অংশীদাৰ ৰাইজৰ এই উপস্থিতিয়ে আগন্তুক দিনত আমাক আৰু অধিক কৰ্মপ্ৰেৰণা যোগাব। ৪৬২৩জন অংশীদাৰ ৰাইজ থকা আমাৰ সমবায় সমিতিখনে নিয়মমতেই নিয়াৰিকৈ সমবায়ৰ কাম পৰিচালনা কৰাৰ বাবে আজিৰ এই সাধাৰণ সভাখনতেই আমি প্ৰতিজ্ঞাবদ্ধ হৈছোঁ। সমবায়খনৰ দ্ৰুত উন্নয়নত আমি সদায় গুৰুত্ব প্ৰদান কৰিম।" আজিৰ এই সভাখনত সঞ্চালকমণ্ডলীৰ সভাপতি ইকৰাম হুছেইন, উপ-সভাপতি খবিৰ উদ্দিন আহমেদ, সদস্য-সদস্যা ক্ৰমে মাণিক আলী, আব্দুল কাদেৰ, তালেব আলী, বাবুল আলী, পুতলা টেষ্ট, তাইজুদ্দিন সিকদাৰ, কুলেন বড়ো, আব্দুল লতিফ, উমিয়া বেগম আৰু আনোৱাৰা বেগম উপস্থিত থাকে। আজিৰ এই সভাখনত সহস্ৰাধিক অংশীদাৰ ৰাইজ উপস্থিত থাকি সভাখন সফল কৰি তোলাত আটাইলৈ ধন্যবাদ জ্ঞাপন কৰে সমবায়খনৰ সম্পাদক আব্দুল ওহাবে।

পত্নী হত্যাকাণ্ডৰ অভিযুক্ত ৰামানুজ গোস্বামীৰ নশ্বৰ দেহ গৌৰীপুৰ শ্মশানত দাহন

অসম বাৰ্তা, গৌৰীপুৰ, ১৬ ছেপ্টেম্বৰ ঃ ৰাজ্যজুৰি চৰ্চিত পত্নী হত্যাকাণ্ডৰ অভিযুক্ত ৰামানুজ গোস্বামীৰ নশ্বৰ দেহ যোৱা নিশা গুৱাহাটীৰ পৰা গৌৰীপুৰস্থিত নিজ বাসগৃহলৈ অনাৰ পিছতে পৰিয়াল, আত্মীয়-স্বজন আৰু স্থানীয় লোকসকলৰ মাজত শোকৰ পৰিৱেশৰ সৃষ্টি হয়। নশ্বৰ দেহটো এবাৰ চাবলৈ গোস্বামী পৰিয়ালৰ বাসগৃহৰ সন্মুখত স্থানীয় লোকৰ সমাগম ঘটে। গুৱাহাটীৰ পৰা এম্বুলেঞ্চযোগে নশ্বৰ দেহটো গৌৰীপুৰৰ বাসগৃহলৈ অনা হয়। অন্তিম সংকাৰৰ পূৰ্বে পৰিয়ালৰ তৰফৰ পৰা এম্বুলেঞ্চখনতে কিছু ধৰ্মীয় ৰীতি-নীতি পালন কৰা পৰিলক্ষিত হয়। সন্ধিয়াৰ পৰাই আত্মীয়-স্বজন আৰু স্থানীয় লোকসকলে শ্মশানযাত্ৰাৰ বাবে অপেক্ষা কৰি আছিল যদিও নিশা প্ৰায় ১১ঃ১০ বজাত পৰিয়ালৰ লোকসকলে এম্বুলেঞ্চযোগে ৰামানুজ গোস্বামীৰ নশ্বৰ দেহ গৌৰীপুৰ শ্মশানলৈ লৈ যায়। ইফালে, নশ্বৰ দেহটো পৰম্পৰাগতভাৱে বাহেৰে নিৰ্মাণ কৰা চাঙত লৈ যোৱাৰ পৰিৱৰ্তে এম্বুলেঞ্চযোগে শ্মশানলৈ নিয়াক লৈ স্থানীয় একাংশ লোকে অসন্তুষ্টি প্ৰকাশ কৰে। স্থানীয় লোকসকলৰ মতে, তেওঁলোকৰ পৰম্পৰাগত ৰীতি-নীতি অনুসৰি শ্মশানযাত্ৰাত চাঙ ব্যৱহাৰ কৰাৰ প্ৰথা আছে। অৱশ্যে এই বিষয়ত গোস্বামী পৰিয়ালৰ তৰফৰ পৰা কোনো আনুষ্ঠানিক মন্তব্য প্ৰকাশ কৰা হোৱা নাই। নশ্বৰ দেহটো গৃহলৈ অনাৰ পিছত ৰামানুজ গোস্বামীৰ পিতৃয়ে সাংবাদিকৰ আগত সংক্ষিপ্ত মন্তব্য কৰি কয়, "মই আৰু একো নকওঁ। মোৰ ল'ৰা আৰু অসমৰ সম্পদ হেৰাই গ'ল।" ইফালে, ৰামানুজ গোস্বামীৰ মৃত্যুত তেওঁৰ মাতৃ অঞ্জলি শৰ্মাকো শোকত ভাগি পৰা দেখা যায়। বাসগৃহৰ সন্মুখত আত্মীয়-স্বজনৰ লগতে স্থানীয় লোকৰ উপস্থিতিত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। আনহাতে, এগৰাকী যুৱ সমাজকৰ্মীয়ে সাংবাদিকৰ আগত ৰামানুজ গোস্বামীৰ সন্দৰ্ভত মন্তব্য কৰি তেওঁ ভাল পৰিয়ালৰ সন্তান আৰু পঢ়া-শুনাত মেধাৱী আছিল বুলি উল্লেখ কৰে। পৰৱৰ্তী সময়ত বেয়া সংগৰ প্ৰভাৱত পৰি তেওঁৰ জীৱন বিপথে পৰিচালিত হোৱা বুলি সমাজকৰ্মীগৰাকীয়ে মত প্ৰকাশ কৰে। লগতে যুৱ সমাজক ড্ৰাগছ তথা নিচাজাতীয় দ্ৰব্যৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনাই অসম চৰকাৰক ৰাজ্যজুৰি ড্ৰাগছবিৰোধী অভিযান অধিক শক্তিশালী কৰাৰ দাবী জনায়। নিচাজাতীয় দ্ৰব্যৰ প্ৰভাৱত বহু যুৱক-যুৱতীৰ জীৱন বিপদাপন্ন হৈ পৰিছে বুলি উল্লেখ কৰি সমাজকৰ্মীগৰাকীয়ে ভৱিষ্যতে যাতে এনে ঘটনাৰ পুনৰাবৃত্তি নহয়, তাৰ বাবে সমাজৰ সকলো শ্ৰেণীৰ লোকক সজাগ আৰু সচেতন হ'বলৈ আহ্বান জনায়। পৰৱৰ্তী সময়ত ৰামানুজ গোস্বামীৰ নশ্বৰ দেহ গৌৰীপুৰ শ্মশানলৈ লৈ যোৱা হয় আৰু তাত পৰিয়ালৰ লোকসকলৰ উপস্থিতিত তেওঁৰ অন্তিম সংকাৰ সম্পন্ন কৰা হয়।

চেপনত প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত দিখাৰী ফুটবল ক্লাব কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ

অসম বাৰ্তা, চেপন, ১৬ ছেপ্টেম্বৰ ঃ ডিব্ৰুগড় জিলাৰ চেপন কমলদৈ বেতবাৰী আৰু ১ নং ৰঙাগড়া যুৱ সংঘৰ উদ্যোগত, মৰাণহাট ক্ৰীড়া সস্থাৰ তত্বাৱধানত স্থানীয় কমলদৈ বেতবাৰী ৰাজহুৱা খেলপথাৰত চলি থকা প্ৰথম বাৰ্ষিক প্ৰাইজমানি ও ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে দিখাৰী ফুটবল ক্লাব। প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত এখন প্ৰি-কোৱাৰ্টাৰ ফাইনেল খেলত দিখাৰী ফুটবল ক্লাবে চৰাইদেউৰ দিচাংপানী ফুটবল ক্লাবক ১-০ গলত পৰাজিত কৰে। তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনৰ প্ৰথমাৰ্ধ গলশূন্যভাৱে সামৰণি পৰে। আনহাতে দ্বিতীয়াৰ্ধৰ খেলৰ আৰম্ভণিৰ পৰাই দুয়োটা দলে দলে খেলৰ গতি বৃদ্ধি কৰে আৰু খেলৰ ৪০ মিনিটত দিখাৰী ফুটবল ক্লাবৰ সুযোগ সন্ধানী খেলুৱৈ প্ৰকাশ তাঁতীয়ে দলক ১-০ৰ অগ্ৰগতি প্ৰদান কৰে। অৱশ্যে খেলৰ অন্তিম সময়লৈকে দিচাংপানী ফুটবল ক্লাবে সমতা স্থাপনৰ বাবে চেষ্টা চলায় যদিও সফল হ'ব নোৱাৰিলে। আজিৰ খেলখন পৰিচালনা কৰে বিষ্ণু জ্যোতি লাচন, চন্দন নায়ক, অপূৰ্ব চেতিয়া আৰু মঙ্গল কৰোৱাই। কাইলৈ প্ৰতিযোগিতাৰ চতুৰ্থখন প্ৰি-কোৱাৰ্টাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব। বিয়লি ৩-০০ বজাৰ পৰা আৰম্ভ হ'ব লগা খেলখনত কমললৈ যিটোৰ ষ্টাৰ ফুটবল একাদশে চেপন চাহ বাগিচা ২১ নম্বৰ ফুটবল ক্লাবৰ মুখামুখি হ'ব।

সৰ্প দংশনৰ চিকিৎসাত বিশ্বনাথ জিলা চিকিৎসালয়ৰ বিৰল অভিলেখ

অসম বাৰ্তা, বিহালী, ১৬ ছেপ্টেম্বৰ ঃ বিষাক্ত সৰ্প দংশনৰ চিকিৎসাত পুনৰ সফলতাৰ নজিৰ দাঙি ধৰিলে বিশ্বনাথ জিলা চিকিৎসালয়ে। মাত্ৰ ২৪ ঘণ্টাৰ ভিতৰতে অতি বিষাক্ত গোৱাল আৰু চকৰি ফেটী সাপৰ দংশনত মৃত্যুৰ মুখত পৰা দুগৰাকী মহিলাৰ প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হৈছে চিকিৎসালয়খন। প্ৰথম ঘটনা পাভৈ মিছামাৰীৰ চাৰি মহীয়া গৰ্ভৱতী মহিলা প্ৰিয়া ভূমিজক গোৱাল সাপে দংশন কৰে। অতি ৮০সংকটজনক অৱস্থাত তেওঁক জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। দ্বিতীয় ঘটনা বিশ্বনাথৰ মিজিকা কলাপানীৰ শ্বৰিতা মুণ্ডাক চকৰি ফেটী সাপে দংশন কৰে। দুয়োগৰাকী ৰোগীকে জ্যেষ্ঠ চিকিৎসক ডাঃ ৰিপুণ চেতিয়াৰ নেতৃত্বত থকা চিকিৎসকৰ দলটোৱে তাৎক্ষণিক চিকিৎসা প্ৰদান কৰে। প্ৰতিগৰাকী ৰোগীকে ২০ টাতকৈ অধিক এণ্টিভেনম প্ৰদান কৰি নিৰন্তৰ পৰ্যবেক্ষণত ৰাখি সুস্থ কৰি তোলা হয়। এই সফলতাৰ লগে লগে ডাঃ ৰিপুণ চেতিয়াৰ নেতৃত্বত বিশ্বনাথ জিলা চিকিৎসালয়ে এহেজাৰৰো অধিক সৰ্প দংশনৰ ৰোগীৰ প্ৰাণ ৰক্ষা কৰি এক নতুন অভিলেখ গঢ়িলে।

গৰুৰ প্ৰস্ৰাৱক মূল্য সংযোজন কৰি তৰল সাৰ হিচাপে ব্যৱহাৰৰ স্বীকৃতি

ড° ৰবীন কুমাৰ দত্ত আৰু ড° ঋতুপৰ্ণ শইকীয়াৰ গৱেষণালব্ধ উদ্ভাৱনলৈ ভাৰত চৰকাৰৰ পেটেণ্ট

অসম বাৰ্তা, গহপুৰ, ১৬ ছেপ্টেম্বৰ ঃ গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত তেজপুৰ বিশ্ববিদ্যালয়লৈ আহিছে এক উল্লেখযোগ্য স্বীকৃতি। বিশ্ববিদ্যালয়খনৰ ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক ড° ৰবীন কুমাৰ দত্ত আৰু প্ৰাক্তন গৱেষক ছাত্ৰ ড° ঋতুপৰ্ণ শইকীয়াৰ গৱেষণালব্ধ “VALUE-ADDED CATTLE URINE AS LIQUID FERTILIZER” শীৰ্ষক উদ্ভাৱনৰ বাবে ভাৰত চৰকাৰৰ পেটেণ্ট কাৰ্যালয়ে তেজপুৰ বিশ্ববিদ্যালয়ৰ নামত পেটেণ্ট প্ৰদান কৰিছে। ভাৰত চৰকাৰৰ পেটেণ্ট কাৰ্যালয়ে জাৰি কৰা পেটেণ্ট প্ৰমাণ-পত্ৰ অনুসৰি, উক্ত পেটেণ্টৰ নম্বৰ হৈছে ৬০০৩৬৭ আৰু আবেদন নম্বৰ ২০২২৩১০৪২১৬৫। ২০২২ চনৰ ২২ জুলাই তাৰিখে পেটেণ্টটোৰ বাবে আবেদন দাখিল কৰা হৈছিল। গৱেষণাটোৰ মূল বিষয় হৈছে গৰুৰ প্ৰস্ৰাৱক মূল্য সংযোজন কৰি তৰল সাৰ হিচাপে কৃষিক্ষেত্ৰত ব্যৱহাৰ কৰা। অৰ্থাৎ গৰুৰ প্ৰস্ৰাৱক বৈজ্ঞানিক পদ্ধতিৰে প্ৰক্ৰিয়াকৰণ আৰু মূল্য সংযোজনৰ জৰিয়তে কৃষিৰ বাবে উপযোগী তৰল সাৰ হিচাপে ব্যৱহাৰৰ সম্ভাৱনাক এই উদ্ভাৱনত গুৰুত্ব দিয়া হৈছে। পেটেণ্ট প্ৰমাণ-পত্ৰত আৱিষ্কাৰক হিচাপে তেজপুৰ বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক ড° ৰবীন কুমাৰ দত্ত আৰু প্ৰাক্তন ছাত্ৰ ড° ঋতুপৰ্ণ শইকীয়াৰ নাম উল্লেখ আছে। আনহাতে, পেটেণ্ট গ্ৰহীতা হিচাপে তেজপুৰ বিশ্ববিদ্যালয়ৰ নাম সন্নিৱিষ্ট কৰা হৈছে। ভাৰত চৰকাৰৰ পেটেণ্ট কাৰ্যালয়ৰ প্ৰমাণ-পত্ৰ অনুসৰি, ২৫ আগষ্ট ২০২৬ তাৰিখে পেটেণ্টটো প্ৰদান কৰা হয়। পেটেণ্ট আইন, ১৯৭০ৰ বিধান অনুসৰি, ২২ জুলাই ২০২২ৰ পৰা ২০ বছৰৰ বাবে পেটেণ্টটো কাৰ্যকৰী হৈ থাকিব। ইফালে, এই গৱেষণাৰ সৈতে জড়িত ড° ঋতুপৰ্ণ শইকীয়াৰ ঘৰ গহপুৰত। তেজপুৰ বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক অধ্যাপক ড° ৰবীন কুমাৰ দত্তৰ তত্ত্বাৱধানত “Resource-oriented Sanitation of Human and Cattle Urine” শীৰ্ষক বিষয়ত গৱেষণা সম্পন্ন কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰা ড° ঋতুপৰ্ণ শইকীয়া গহপুৰ সমজিলাৰ অন্তৰ্গত খাৰৈগুৰী নিবাসী মোলান শইকীয়া আৰু ৰিনা শইকীয়াৰ সুযোগ্য পুত্ৰ। ড° ঋতুপৰ্ণ শইকীয়াই বৰ্তমান তেজপুৰৰ শলমৰাত অৱস্থিত ডিফেন্স ৰিচাৰ্চ লেবৰটৰীত ৰিচাৰ্চ এচ'চিয়েট হিচাপে কৰ্মৰত হৈ আছে। গৰুৰ প্ৰস্ৰাৱৰ দৰে জৈৱিক সম্পদক বৈজ্ঞানিক গৱেষণাৰ জৰিয়তে কৃষিক্ষেত্ৰত ব্যৱহাৰযোগ্য তৰল সাৰলৈ ৰূপান্তৰৰ এই উদ্ভাৱনে বিকল্প আৰু মূল্য সংযোজিত কৃষি-উপাদানৰ ক্ষেত্ৰত গৱেষণাৰ নতুন সম্ভাৱনাৰ দিশ উন্মোচন কৰিছে। একে সময়তে ড° ৰবীন কুমাৰ দত্ত আৰু ড° ঋতুপৰ্ণ শইকীয়াৰ এই গৱেষণালব্ধ সাফল্যই তেজপুৰ বিশ্ববিদ্যালয়ৰ গৱেষণা আৰু উদ্ভাৱনীমূলক কাৰ্যকলাপৰ ক্ষেত্ৰতো এক উল্লেখযোগ্য সংযোজন হিচাপে পৰিগণিত হৈছে। উল্লেখ্য যে পেটেণ্টটো বাহাল ৰাখিবলৈ নিৰ্ধাৰিত সময়ত নবীকৰণ মাচুল পৰিশোধ কৰিব লাগিব বুলি জানিব পৰা গৈছে।

সৰুপথাৰ মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাৰ ধন ৰাহি কৰি বান সাহায্যলৈ ৬০ হাজাৰ টকা প্ৰদান

ছাত্ৰ-ছাত্ৰীৰ দায়বদ্ধতাৰ অনন্য নিদৰ্শন



অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১৬ ছেপ্টেম্বৰ ঃ সমাজৰ প্ৰতি দায়বদ্ধতা আৰু সহমৰ্মিতাৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰিছে সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে। মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাই নৱাগত আদৰণী সভাৰ বাবে নিৰ্ধাৰিত ধনৰাশি সঠিক পৰিকল্পনাৰে ব্যয় কৰি ৰাহি হোৱা ৬০হাজাৰ টকা বান সাহায্য হিচাপে আগবঢ়াইছে। মঙলবাৰে, ১৫ছেপ্টেম্বৰ ২০২৬ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক ৰাজ বড়ো, সাংস্কৃতিক সম্পাদক দেৱাংগ আৰু সদস্য আলবেনা মুছাহাৰীয়ে অসমৰ মাননিয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হাতত বান সাহায্য হিচাপে ৬০হাজাৰ টকাৰ এখন চেক প্ৰদান কৰে। উল্লেখযোগ্য যে, ছাত্ৰ-ছাত্ৰীসকলৰ আটাইতকৈ হেঁপাহৰ অনুষ্ঠান নৱাগত আদৰণী সভাখন এইবাৰ বাহুল্য বৰ্জন কৰি অনুষ্ঠিত কৰা হৈছিল। অনুষ্ঠানটোৰ বাবে নিৰ্ধাৰিত ধনৰাশিৰ পৰা কিছু পৰিমাণ ৰাহি কৰি সেই ধন সমাজৰ বানপীড়িত লোকসকলৰ সহায়ৰ বাবে আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে ছাত্ৰ একতা সভাই। ছাত্ৰ-ছাত্ৰীসকলৰ এনে পদক্ষেপে কেৱল তেওঁলোকৰ সামাজিক দায়বদ্ধতাই প্ৰতিফলিত কৰা নাই, বৰং নতুন প্ৰজন্মৰ মাজত মানৱীয়তা, সহমৰ্মিতা আৰু সমাজৰ প্ৰতি দায়িত্ববোধ যে গভীৰভাৱে জীয়াই আছে, তাৰো এক ইতিবাচক বাৰ্তা বহন কৰিছে। নৱাগত আদৰণী সভাৰ আনন্দ-উৎসৱৰ মাজতো সমাজৰ দুৰ্দশাগ্ৰস্ত লোকসকলৰ কথা চিন্তা কৰি সাহায্যৰ হাত আগবঢ়োৱা সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ এই পদক্ষেপে বিভিন্ন মহলত প্ৰশংসা লাভ কৰিছে। আনহাতে সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° প্ৰাপ্তি ঠাকুৰে ছাত্ৰ-ছাত্ৰীৰ এনে মহান কৰ্মত আনন্দিত হৈ পৰিছে আৰু সকলোকে শলাগ জনাইছে। “যাত্ৰা অসীম, অনন্ত...” — সহমৰ্মিতা আৰু মানৱীয়তাৰ এই যাত্ৰা যাতে এনেদৰেই অব্যাহত থাকে, সেয়াই এতিয়া সকলোৰে কামনা।

দৰঙত জিলাত ৯ম ৰাষ্ট্ৰীয় পোষণ মাহৰ অধীনত অভিনৱ উদ্যোগৰ শুভাৰম্ভ

অসম বাৰ্তা, দেওমৰনৈ, ১৬ ছেপ্টেম্বৰ ঃ নৱম ৰাষ্ট্ৰীয় পোষণ মাহ, ২০২৬ৰ অধীনত জনসাধাৰণৰ অংশগ্ৰহণ বৃদ্ধি কৰা আৰু স্থানীয়ভাৱে উপলব্ধ পুষ্টিকৰ খাদ্য গ্ৰহণৰ প্ৰতি উৎসাহিত কৰাৰ উদ্দেশ্যে দৰং জিলাত আজি দুটা অভিনৱ পোষণ উদ্যোগৰ জিলা পৰ্যায়ৰ শুভাৰম্ভনি কৰা হয়। সেইয়া হৈছে “পোষণ গোপালভোগ প্ৰস্তুতি উৎসৱ” (“POSHAN GOPAL BHOG Preparation Utsav”) আৰু “মোৰ অংগনৱাড়ী কেন্দ্ৰ, মোৰ পোষণ থালি” (“MY AWC, MY POSHAN THALI”)। এই দুয়োটা অভিনৱ উদ্যোগৰ আজি আনুষ্ঠানিকভাৱে শুভাৰম্ভনি কৰে অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা তথা মীন বিভাগৰ মন্ত্ৰী নীলিমা দেৱীয়ে। আজিৰ এই অনুষ্ঠানত তেখেতৰ সৈতে উপস্থিত থাকে দৰঙ জিলা আয়ুক্ত আয়ুষী জৈন, আই. এ. এছ., দৰং জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা; পশ্চিম মঙলদৈ আঞ্চলিক পঞ্চায়তৰ সভাপতি, দৰং জিলা সমাজ কল্যাণ বিষয়া, পশ্চিম মঙলদৈ খণ্ড উন্নয়ন বিষয়া, জলজলি BPHCৰ মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া, জিলাখনৰ CDPO সকল আৰু লগতে পোষণ অভিযান, দৰঙৰ জিলা সমন্বয়কককে ধৰি অন্যান্য সংশ্লিষ্ট বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। এই শুভাৰম্ভণি অনুষ্ঠানৰ সমান্তৰালভাৱে এখন ‘পোষণ মেলা’ অনুষ্ঠিত কৰা হয়। মেলাত বিভিন্ন পুষ্টিকৰ খাদ্য প্ৰস্তুতিৰ প্ৰদৰ্শনী, ৰেচিপি ডেম'নষ্ট্ৰেচনৰ লগতে স্থানীয়ভাৱে উপলব্ধ বিভিন্ন সেউজীয়া শাক-পাচলি আৰু ঋতুগত ফল-মূলৰ বিপণী স্থাপন কৰা হয়। ইয়াৰ জৰিয়তে দৈনন্দিন খাদ্য তালিকাত স্থানীয়ভাৱে উপলব্ধ, পুষ্টিকৰ আৰু স্বাস্থ্যকৰ খাদ্য অন্তৰ্ভুক্ত কৰাৰ গুৰুত্বৰ ওপৰত বিশেষভাৱে আলোকপাত কৰা হয়। এই অনুষ্ঠানত ভাষণ প্ৰদান কৰি মাননিয় কেবিনেট মন্ত্ৰী নীলিমা দেৱীয়ে জিলাখনৰ সকলো অংগনৱাড়ী কৰ্মী (AWW)-ক পোষণ মাহৰ বাৰ্তা জিলাখনৰ প্ৰতিগৰাকী হিতাধিকাৰীৰ ওচৰলৈ লৈ যাবলৈ আহ্বান জনায়। লগতে মাতৃ আৰু পৰিয়ালসমূহক স্থানীয়ভাৱে উপলব্ধ পুষ্টিকৰ শাক-পাছলি আৰু পৰম্পৰাগত খাদ্য গ্ৰহণৰ বাবে উৎসাহিত কৰাৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। দৰঙৰ জিলা আয়ুক্ত আয়ুষী জৈনেও সকলো অংগনৱাড়ী কৰ্মীক অংগনৱাড়ী কেন্দ্ৰ পৰ্যায়ত জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণ আৰু মালিকীস্বত্ব নিশ্চিত কৰি অভিনৱ পোষণ উদ্যোগসমূহ সফলভাৱে ৰূপায়ণ কৰিবলৈ উৎসাহিত কৰে। এই কাৰ্যসূচীৰ অধীনত দৰং জিলা প্ৰশাসনে অংগনৱাড়ী কেন্দ্ৰসমূহৰ জৰিয়তে পুষ্টি সজাগতা বৃদ্ধি, স্থানীয়ভাৱে উপলব্ধ পুষ্টিকৰ খাদ্যৰ প্ৰচাৰ, জনসাধাৰণৰ অংশগ্ৰহণ আৰু স্বাস্থ্যকৰ খাদ্যাভ্যাস গঢ়ি তোলাটো সম্ভৱ হ'ব বুলি আশা প্ৰকাশ কৰিছে।

কৃতী শিক্ষক বঁটাপ্ৰাপক চাৰছিং বে'ক বিশ্বনাথ জিলা কাৰ্বি সাংস্কৃতিক সমাজৰ সম্বৰ্ধনা

অসম বাৰ্তা, বিহালী, ১৬ ছেপ্টেম্বৰ ঃ বিশ্বনাথ জিলাৰ বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত বিহমাৰী জাৰণি নিবাসী তথা শ্বহীদ কমলা মিৰি প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক চাৰছিং বে' ক আজি বিশ্বনাথ জিলা কাৰ্বি সাংস্কৃতিক সমাজৰ এটা সঁজাতি দলে তেখেতৰ বাসগৃহত উপস্থিত হৈ সম্বৰ্ধনা পত্ৰ আৰু এখনি পৰম্পৰাগত কাৰ্বি প'হ'ৰে সম্বৰ্ধনা জনায়। উল্লেখ্য যে শিক্ষক গৰাকীয়ে সদ্যহতে ২০২৬ বৰ্ষৰ জিলা কৃতী শিক্ষক বঁটা লাভ কৰি কাৰ্বি সমাজৰ বাবে গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। সঁজাতি দলটোৱে শিক্ষক গৰাকীৰ সৈতে শৈক্ষিক দিশৰ লগতে বিভিন্ন সামাজিক উত্তৰণৰ দিশতো আলোচনাত মিলিত হয়। সঁজাতি দলটোত বিশ্বনাথ জিলা কাৰ্বি সাংস্কৃতিক সমাজৰ সভাপতি যোগেন তেৰণ, উপ-সভাপতি নিৰঞ্জন ইংতি, জোনাছিং ইংতি, বৰছিং ইংতি আদিয়ে উপস্থিত থাকে।

মাজুলীৰ পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত নৱাগত আদৰণী সভা

কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা; উমাৰাম শইকীয়া আৰু ৰামেশ্বৰ বৰা সোঁৱৰণী মেধাৰী বঁটা প্ৰদান

অসম বাৰ্তা, উজনী মাজুলী, ১৬ ছেপ্টেম্বৰ ঃ মাজুলীৰ মাধ্যমিক শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ২০২৬ বৰ্ষৰ নৱাগত আদৰণী সভাখন আজি বৃহত্তি কাৰ্যসূচীৰে অনুষ্ঠিত হয়। বিদ্যালয়ৰ প্ৰাঙ্গণত নিৰ্মাণ কৰা বৃহৎ মণ্ডপত অনুষ্ঠিত হোৱা উক্ত নৱাগত আদৰণী সভা উপলক্ষে আজি পুৱা বিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ছাত্ৰ ছাত্ৰীসকলে পৰিৱেশ পৰিষ্কাৰ কৰে। তাৰপিছত গছপুলি ৰোপণ কৰে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ গজেন বৰাই। পুৱা ৮.৩০ বজাত বিদ্যালয়ৰ পতাকা উত্তোলন কৰে বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি জয়ন্ত বৰুৱাই। পুৱা ন' বজাত ছহিদ তৰ্পণ কৰে মাজুলী জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰাঞ্জল শইকীয়াই। নৱাগত আদৰণী সভা উপলক্ষে প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা “সমন্বয়” উন্মোচন কৰে মাজুলী জিলা কবি সন্মিলনৰ সম্পাদক শ্যামন্ত পায়েঙে। তাৰ পিছত বিদ্যালয়ৰ নৱাগত ছাত্ৰ ছাত্ৰীসকলক বিদ্যালয়ৰ মূল প্ৰৱেশদ্বাৰৰ পৰা বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিত আৰু শিক্ষক শিক্ষয়িত্ৰীসকলে ফুল, চন্দন, তিলক আৰু ধূপ দীপৰে আদৰণী জনোৱা হয়। বিদ্যালয়ৰ জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীসকলে নৱাগত ত্ৰিশতাধিক ছাত্ৰ-ছাত্ৰীক ঢোল, তাল, পেঁপা খোলা আদি বজাই সাংস্কৃতিক শোভাযাত্ৰা কৰি বিদ্যালয়ৰ ভিতৰলৈ আদৰি আনে। দুপৰীয়া এঘাৰ বজাৰ পৰা নৱাগত আদৰণী সভা উপলক্ষে নিৰ্মাণ কৰা বৃহৎ মণ্ডপত নৱাগত আদৰণী সভা উপলক্ষে মুকলি সভা অনুষ্ঠিত হয়। জ্যেষ্ঠ শিক্ষক যদু কলিতাই আঁত ধৰা বৃহৎ মুকলি সভাখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে শুভাৰম্ভ কৰা হয়। বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিতে সভাপতিত্ব কৰা উক্ত মুকলি সভাখন উদ্বোধন কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নিৰণ শইকীয়াই। সভাত নিৰ্দিষ্ট বক্তাৰ তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে জেংৰাই মুখ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক দেৱজিত শইকীয়াই। সভাত বিশিষ্ট অতিথি হিচাপে গড়মূৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কুমুদ গোস্বামী, নামনি মাজুলী জ্যেষ্ঠ



মাধ্যমিক বিদ্যালয়ৰ প্ৰৱক্তা তথা শৈক্ষিক সমন্বয়ক প্ৰশান্ত শইকীয়া, মাজুলী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা পবিত্ৰ গোস্বামী, মাজুলী জিলাৰ টি এম পি কে'ৰ সম্পাদক হেমন্ত মিলি, গড়মূৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি পলাশ জ্যোতি নাথ, বিদ্যালয়ৰ অভিভাৱক সমিতিৰ সভাপতি মাণিক হাজৰিকা, সম্পাদক লক্ষ্য গায়ন, বিশিষ্ট সমাজকৰ্মী ৰঞ্জন শইকীয়া, দুলেন শইকীয়া আদিয়ে অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। সভাত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক বিক্ৰম পগাগে আদৰণী ভাষণ প্ৰদান কৰে। উক্ত, মুকলি সভাত চলিত বৰ্ষত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিদ্যালয়খনৰ পৰা সৰ্বোচ্চ নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ জিণ্টু মণি নাথক উমাৰাম শইকীয়া স্মৃতি মেধাৱী ছাত্ৰ বঁটা (দাতা- ৰঞ্জন শইকীয়া, গড়মূৰ) প্ৰদান কৰা হয়। সভাত বিদ্যালয়ৰ পৰা চলিত বৰ্ষত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত দ্বিতীয় সৰ্বোচ্চ নম্বৰ লাভ কৰা পংকজ দলেক ৰামেশ্বৰ বৰা সোঁৱৰণী মেধাৱী বঁটা (দাতা- দেৱজিত বৰা, খোনাচুক) প্ৰদান কৰা হয়। উক্ত বঁটা প্ৰদান অনুষ্ঠানত বিদ্যালয়ৰ পৰা চলিত বৰ্ষত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৪২জন মেধাৱী ছাত্ৰ ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত চলিত বৰ্ষত শ্ৰেষ্ঠ নৱাগত যতীন্দ্ৰ নাৰায়ণ বৰা আৰু নিশা কলিতাক শ্ৰেষ্ঠ নৱাগত বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত বিদ্যালয়ৰ পুৰণি ছাত্ৰী বিউতি হাজৰিকাই আদৰণি ভাষণ প্ৰদান কৰে। সভাত শলাগৰ শৰাই আগবঢ়াই যদু কলিতাই। উক্ত, নৱাগত আদৰণী সভা উপলক্ষে বিয়লি ডেৰ বজাৰ পৰা বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ৰমেশ চন্দ্ৰ শইকীয়াই পৰিচালনা কৰা উক্ত বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান কেইবাটাও গীত পৰিৱেশন কৰি উদ্বোধন কৰে বিশিষ্ট শিল্পী তথা কৃতী শিক্ষক অমিয় কুমাৰ চিৰাঙে। ছাত্ৰীসকলৰ সমবেত সংগীতেৰে শুভাৰম্ভ কৰা উক্ত, সাংস্কৃতিক অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে দীৰ্ঘ সময় ধৰি গীত, নৃত্য, অভিনয় আদি পৰিৱেশন কৰি সকলোকে মুগ্ধ কৰে।

উদ্ধাৰ নকল সোণৰ নাও; এজনক আটক

হাজো আৰক্ষীৰ জালত নকল সোণৰ চোৰাং বেপাৰী



অসম বাৰ্তা, হাজো, ১৬ ছেপ্টেম্বৰ ঃ নকল সোণৰ চোৰাং ব্যৱসায় লখিমপুৰৰ বঙালমাৰা গাঁৱৰ পৰা এতিয়াও পৰিচালিত হৈ আছে। এই কথা পুনৰ এবাৰ প্ৰমাণিত হ'ল হাজো আৰক্ষীৰ এক অভিযানত। লখিমপুৰৰ বঙালমাৰা আৰক্ষীৰ সহযোগত হাজো আৰক্ষীৰ এটা দলে চলোৱা এক অভিযানত উদ্ধাৰ হয় এখন নকল সোণৰ নাও। লগতে আৰক্ষীয়ে আটক কৰে নকল সোণৰ চোৰাং ব্যৱসায়ৰ লগত জড়িত আটাবুৰ ৰহমান নামৰ এজন চোৰাং বেপাৰী। ঘটনা অনুসৰি বিগত কামাখ্যাৰ অম্বুবাচী মেলাত চাৰিজনীয়া এটা প্ৰৱঞ্চকৰ দলে গুজৰাটৰ জয়দেৱ তিৱাৰী নামৰ লোক জনৰ ওচৰত বিক্ৰী কৰিছিল এখন নকল সোণৰ নাও। প্ৰায় ৬০০ গ্ৰাম ওজনৰ নকল সোণৰ নাও আচল বুলি ৪লাখ ৫০পঞ্চাশ হাজাৰ টকাত বিক্ৰী কৰিছিল প্ৰৱঞ্চকৰ দলটোৱে। কিন্তু জয়দেৱ তিৱাৰী নামৰ লোকজনে সোণখিনি ক্ৰয় কৰাৰ পিছতে সন্দেহ হোৱাত পৰীক্ষা কৰি নকল বুলি জানিব পাৰে। আনহাতে এই নকল সোণৰ নাওৰ সমস্ত লেনদেন হাজো আৰক্ষী থানাৰ অন্তৰ্গত আগিয়াঠুৰিৰ গণেশ মন্দিৰৰ সমীপত সংঘটিত হৈছিল। সেয়ে ভুক্তভোগী জয়দেৱ তিৱাৰী ততাতৈয়াকৈ হাজো আৰক্ষী থানাত দাখিল কৰে এখন এজাহাৰ। এই এজাহাৰৰ ভিত্তিত হাজো আৰক্ষীৰ এটা দলে লখিমপুৰ জিলাৰ বঙালমাৰা আৰক্ষীৰ সহযোগত অনুসন্ধান আৰম্ভ কৰি বঙালমাৰাৰ নিজ গৃহৰ পৰা প্ৰৱঞ্চক দলটোৰ মূল অভিযুক্ত আতাবুৰ ৰহমান নামৰ এজন লোকক আটক কৰে। আনহাতে এই চোৰাং বেপাৰৰ সৈতে জড়িত আন তিনিজন লোক অভিযুক্তক বিচাৰি আৰক্ষীৰ অভিযান অব্যাহত ৰাখিছে যদিও সম্প্ৰতি পলাতক হৈ আছে তিনি চলাই আছে তিনি অভিযুক্ত। উল্লেখ্য যে লখিমপুৰ জিলাৰ বঙালমাৰা গাঁৱত নকল সোণৰ চোৰাং ব্যৱসায়ৰ জড়িত বহু লোকক সময়ে সময়ে লখিমপুৰ জিলা আৰক্ষীয়ে আটক কৰি আহিছে যদিও এতিয়াও বঙালমাৰা গাঁৱৰ পৰাই সমগ্ৰ অসম তথা বহি ৰাজ্যত এই ব্যৱসায় চলি আহিছে।

অসম কৃষি শ্ৰমিক ইউনিয়নৰ নলবাৰী জিলা সন্মিলন সম্পন্ন

অসম বাৰ্তা, দৌলাশাল, ১৬ ছেপ্টেম্বৰ ঃ অসম কৃষি শ্ৰমিক ইউনিয়ন নলবাৰী জিলাৰ প্ৰথমখন সন্মিলন আজি দিনযোৰা বিস্তৃত কাৰ্যসূচীৰে বৰক্ষেত্ৰীৰ মুকালমুৱাত অনুষ্ঠিত হৈ যায়। মুকালমুৱাৰ মাজমজিয়াত থকা চিপিআই(এম)ৰ বৰক্ষেত্ৰীৰ আঞ্চলিক সমিতিৰ কাৰ্যালয়ত অনুষ্ঠিত সন্মিলনৰ পতাকা উত্তোলন কৰে নলবাৰীৰ জ্যেষ্ঠ গণতান্ত্ৰিক নেতা উমেশ দত্তই। ছহিদ বেদীত মাল্যাৰ্পণ কৰে অসম কৃষি শ্ৰমিক ইউনিয়নৰ ৰাজ্যিক সভাপতি অজিত দাসে। ইয়াৰ পাছতেই উমেশ দত্ত আৰু নীলকান্ত বৈশ্যৰ সঞ্চালকমণ্ডলীত অনুষ্ঠিত সন্মিলনত উমেশ দত্তক সভাপতি আৰু আলটাফ হুছেইনক সম্পাদক হিচাপে লৈ নলবাৰী জিলাৰ পূৰ্ণাংগ সমিতিখন গঠন কৰা হয়। সন্মিলনত অসমৰ বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিয়া, ভগ্ন ৰাস্তা-ঘাট পুনঃনিৰ্মাণ কৰা, এম জি এনেৰেগা আইন পুনৰ বাহাল ৰখা, কৃষকক মৰাপাট খেতিৰ উচিত মূল্য প্ৰদান কৰা, প্ৰতিগৰাকী কৃষক শ্ৰমিকক ষাঠি বছৰ বয়সৰ পিছত সামাজিক সুৰক্ষাৰ বাবে পেঞ্চন দিয়া ইত্যাদি বিষয়ৰ ওপৰত আলোচনা কৰি প্ৰস্তাৱ গ্ৰহণ কৰে। সভাত ৰাজ্যিক সভাপতি অজিত দাস আৰু উপ সভাপতি ভূপেন শৰ্মা উপস্থিত থাকে। অজিত দাসে সামৰণি ভাষণত কৃষি শ্ৰমিকৰ বিভিন্ন সমস্যাৰ কথা উল্লেখ কৰি কয় যে ষাঠি বছৰ পিছত এজন কৃষি শ্ৰমিকৰ সামাজিক সুৰক্ষাৰ বাবে পেঞ্চনৰ প্ৰয়োজন। ক্ৰমবৰ্ধিত মূল্যবৃদ্ধিৰ সময়ত কৃষি শ্ৰমিকৰ অৱস্থা অতিশয় শোচনীয় হৈ পৰাৰ সময়ত তেওঁলোক সামাজিক সুৰক্ষাৰ পৰা বঞ্চিত হৈ আহিছে, সেয়ে বৃদ্ধ কালত সামাজিক সুৰক্ষাৰ বাবে পেঞ্চনৰ প্ৰয়োজন বুলি মন্তব্য কৰে। গৰীব শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষাবৃত্তি আৰু বিনামূলীয়া চিকিৎসাৰ অধিকাৰৰ ব্যৱস্থাৰ কথা উল্লেখ কৰি তেওঁ কয় যে চিকিৎসা সেৱা বৰ্তমান আকাশলংঘী হোৱাৰ লগে লগে দুখীয়া মানুহৰ ওপৰত ই ভূতৰ ওপৰত দানহ পৰা দিছে। তেওঁ লগতে কয় যে ভূমিহীন মানুহক চৰকাৰে মাটি দিয়াটো কল্যাণকামী চৰকাৰ এখনৰ দায়িত্ব। তাৰ বিপৰীতে সাম্প্ৰদায়িক দৃষ্টিভংগীৰে কামকাজ কৰা হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে দুখীয়া ৰাইজক উচ্ছেদ কৰি বৃহৎ বৃহৎ পুঁজিপতিক সেই ভূমি গতাই দিয়া কাৰ্যক তীব্ৰ সমালোচনা কৰে। আম্বানী-আদানীৰ স্বাৰ্থত কাম কৰা অসম চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰি ৰাজ্যিক নেতা গৰাকীয়ে সন্মিলনত কৃষি শ্ৰমিকসকলৰ ঐক্য, সংগঠনৰ শক্তিশালীকৰণ আৰু শ্ৰমিকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

দলগাঁৱত আমছুৰ ২ ঘণ্টীয়া অৱস্থান ধৰ্মঘট

অসম বাৰ্তা, দলগাঁও, ১৬ ছেপ্টেম্বৰ ঃ সংখ্যালঘু লোকৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)ৰ দৰং জিলা সমিতিৰ উদ্যোগত আজি দলগাঁৱত ২ ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। দলগাঁও সমজিলা কাৰ্যালয়ৰ সন্মুখত আমছুৰ দৰং জিলা সমিতিয়ে এই প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। অৱস্থান ধৰ্মঘটত National Identity Card প্ৰদান, উচ্ছেদিত লোকক পুনৰ সংস্থাপনৰ ব্যৱস্থা, ভূমিহীন লোকক ভূমিৰ পট্টা প্ৰদান, উচ্ছেদৰ ৰাজনীতি বন্ধ কৰা আৰু বৈষম্য দূৰ কৰাৰ দাবী উত্থাপন কৰে সংগঠনটোৱে। ইয়াৰ লগতে মাটি ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত থকা বৈষম্য দূৰ কৰা, সাম্প্ৰদায়িক বিষবাষ্প বিয়পোৱা লোকৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ আৰু শিক্ষাখণ্ডত Associate Professor তথা PG Teacher পদত নিযুক্তি প্ৰদানৰ দাবীও উত্থাপন কৰে আমছুৱে। বিভিন্ন দাবী সম্বলিত এই অৱস্থান ধৰ্মঘটৰ জৰিয়তে আমছুৰ দৰং জিলা সমিতিয়ে চৰকাৰক দাবীসমূহৰ প্ৰতি শীঘ্ৰে গুৰুত্ব প্ৰদান কৰি সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

নাজিৰা সমজিলা অন্তৰ্গত বানত ক্ষতিগ্ৰস্ত ধৰ্মীয় অনুষ্ঠানলৈ একঁকালীন আৰ্থিক সাহায্য প্ৰদান

অসম বাৰ্তা, যোৰহাট, ১৬ ছেপ্টেম্বৰ ঃ যোৱা ১৯ জুলাই তাৰিখে সংঘটিত হোৱা প্ৰলয়ংকাৰী বানত, ক্ষতিগ্ৰস্ত হোৱা ধৰ্মীয় অনুষ্ঠানসমূহলৈ ৰাজ্য চৰকাৰৰ দ্বাৰা একঁকালীন আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। আজি নাজিৰা সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত চেক বিতৰণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। নাজিৰা বিধানসভা সমষ্টিৰ বিধায়ক ময়ূৰ বৰগোহাঁই চেক বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। লগতে উপস্থিত থাকে নাজিৰা সমজিলা আয়ুক্ত প্ৰতিভা মেস্ৰাম। নাজিৰা সমজিলা অন্তৰ্গত ক্ষতিগ্ৰস্ত হোৱা মুঠ ৫১৭টা ধৰ্মীয় অনুষ্ঠানলৈ, প্ৰতিটো অনুষ্ঠানৰ বাবদ ১.৫ লাখ টকাকৈ একঁকালীন আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। এই সাহায্যৰ চেকসমূহ পৰ্যায়ক্ৰমে বিতৰণ কৰা হ'ব। আজি আনুষ্ঠানিক ভাৱে ১৩খন চেক নিৰ্বাচিত ধৰ্মীয় অনুষ্ঠানৰ



প্ৰতিনিধিৰ হাতত অৰ্পণ কৰা হয়। তদুপৰি ভাষণ প্ৰদান কৰি বিধায়ক ময়ূৰ বৰগোহাঁইয়ে মাননিয় মুখ্যমন্ত্ৰীক বানপানীত ক্ষতিগ্ৰস্ত ধৰ্মীয় অনুষ্ঠানসমূহলৈ আগবঢ়োৱা এই আৰ্থিক সাহায্যৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে বানপানীৰ সময়ছোৱাত আৰু পৰৱৰ্তী সময়ত সাহায্য আৰু পুনৰ্সংস্থাপনমূলক কাম-কাজত নাজিৰা সমজিলা প্ৰশাসনে ফলপ্ৰসূভাৱে আৰু নিৰন্তৰভাৱে আগবঢ়োৱা সেৱা আৰু প্ৰচেষ্টাৰো শলাগ লয়। অনুষ্ঠানত নাজিৰা সমজিলাৰ সহকাৰী আয়ুক্ত অৰুণাভ সোণোৱাল; গাঁও পঞ্চায়তৰ প্ৰতিনিধি সকল, বিষয়া-কৰ্মচাৰী আৰু সংশ্লিষ্ট ধৰ্মীয় প্ৰতিষ্ঠানৰ প্ৰতিনিধি সকল উপস্থিত থাকে। এই একঁকালীন আৰ্থিক সাহায্যৰ জৰিয়তে বানপানীত ক্ষতিগ্ৰস্ত ধৰ্মীয় অনুষ্ঠানসমূহৰ পুনৰ্সংস্থাপন আৰু পুনৰ্গঠনত সহায় আগবঢ়োৱাৰ লগতে স্বাভাৱিক কাৰ্যকলাপ পুনৰ আৰম্ভ কৰাত সহায় হ'ব বুলি আশা কৰা হৈছে।

ভোগপুৰৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত শোকাৱহ পথ দুৰ্ঘটনা

অসম বাৰ্তা, বান্দৰদেৱা, ১৬ ছেপ্টেম্বৰ ঃ লখিমপুৰ জিলাৰ বিহপুৰীয়া সমষ্টিৰ অন্তৰ্গত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ভোগপুৰত আজি পুৱাই সংঘটিত হ'ল এক শোকাবহ পথ দুৰ্ঘটনা। প্ৰাতঃ ভ্ৰমণ কৰিবলৈ ওলাই যোৱা এগৰাকী ব্যক্তিক ঘৰৰ সন্মুখতে অচিনাক্ত বাহনে মহতিয়াই থৈ গ'ল। ফলত থিতাতে নিহত হয় ৰঞ্জন শইকীয়া নামৰ ব্যক্তিজন। এখন বাহনে খুন্দিওৱাৰ পিছতে আন এখন বাহন মুৰৰ ওপৰেৰে পাৰ হৈ যোৱাৰ সন্দেহ স্থানীয় ৰাইজৰ। ব্যক্তিজনৰ মুখমণ্ডল সম্পূৰ্ণ ছিন্ন ভিন্ন হৈ যোৱাৰ ফলত প্ৰথম অৱস্থাত চিনাক্ত কৰিব পৰা নাছিল মৃতদেহটো। পৰৱৰ্তী সময়ত স্থানীয় ৰাইজে নাৰায়ণপুৰ আৰক্ষী থানাত জনোৱাত আৰক্ষী আহি মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে লখিমপুৰ মেডিকেল কলেজ হস্পিটেললৈ প্ৰেৰণ কৰাৰ লগতে ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে।

/

১৯ ছেপ্তেম্বৰত আছুৰ উদ্যোগত

১৯ ছেপ্টেম্বৰত ‘পোহৰৰে চাকিগছি’ শীৰ্ষক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হ’ব। আছুৰ সভাপতি উৎপল শৰ্মাই এই কথা সদৰি কৰে। তেওঁ সামাজিক মাধ্যমযোগে এক ভিডিঅ’ বাৰ্তাত এই বিষয়ে উল্লেখ কৰে। উৎপল শৰ্মাই কয়, “সৃষ্টিৰ পোহৰেৰে অগণন হৃদয় জয় কৰা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ নিবেদন কৰি সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে ৰাজ্যৰ প্ৰতিখন জিলা সদৰত অহা ১৯ ছেপ্টেম্বৰত ‘পোহৰৰে চাকিগছি’ শীৰ্ষক এটি বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হ’ব। এই কাৰ্যসূচীৰ জৰিয়তে প্ৰতিখন জিলা ছাত্ৰ সন্থাই স্থানীয় শিল্পী, ছাত্ৰ-ছাত্ৰী, বিশিষ্ট নাগৰিক আৰু ৰাইজক লগত লৈ জুবিন গাৰ্গৰ কালজয়ী গীত ‘মায়াবিনী’ পৰিৱেশন কৰিব।” তেওঁ লগতে কয়, “ইয়াৰ লগতে বিভিন্ন ইতিবাচক আৰু সৃষ্টিশীল কাৰ্যসূচীৰে শিল্পীগৰাকীৰ চিন্তা, সৃষ্টি আৰু চেতনাক উদযাপন কৰা হ’ব। আনহাতে কেন্দ্ৰীয়ভাৱে গুৱাহাটীৰ লতাশিল খেলপথাৰত সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজন কৰা হ’ব ‘পোহৰৰে চাকিগছি’ কাৰ্যসূচী।” শৰ্মাই আন এক প্ৰসংগ উল্লেখ কৰি কয়, “এটা বছৰ পাৰ হ’বলৈ হ’ল অসমৰ ৰাইজৰ মনত এটা প্ৰশ্ন অনবৰতে দোলা দি আছে, প্ৰাণৰ শিল্পীগৰাকীয়ে কেতিয়া ন্যায় পাব? যেতিয়াৰ পৰা আদালতত দৈনন্দিন শুনানি আৰম্ভ হৈছে, ন্যায় প্ৰক্ৰিয়াটো সঠিকভাৱে আগবাঢ়িছে বুলি মানুহ কিছু আশ্বস্ত হৈছে। তেতিয়াৰে পৰা ৰাইজ ৰাজপথলৈ ওলাই অহা বন্ধ হৈছে।” তেওঁ কয়, “কিন্তু প্ৰাণৰ শিল্পীগৰাকীৰ ন্যায়ৰ দাবীত মানুহৰ অন্তৰত জ্বলি থকা জুই নিৰ্বাপিত হোৱা নাই। যেতিয়ালৈ দোষীয়ে কঠোৰ আইনী শাস্তি লাভ নকৰিব, তেতিয়ালৈ জুবিন গাৰ্গে ন্যায় পাইছে বুলি লক্ষ্য লক্ষ্য অনুৰাগী ৰাইজ আশ্বস্ত নহ’ব, তেতিয়ালৈকে জুইকুৰা নিৰ্বাপিত নহয়। পুনৰবাৰ প্ৰাণৰ শিল্পীৰ ন্যায়ৰ দাবী উত্থাপন কৰিছোঁ।” শেষত উৎপল শৰ্মাই কয়, “এবছৰ পাৰ হৈ গ’ল, এতিয়াৰ পৰি জুবিন গাৰ্গৰ সৃষ্টিৰাজী পৰিকল্পিত সংৰক্ষণ, নতুন প্ৰজন্মৰ মাজত প্ৰচাৰ-প্ৰসাৰ, তেখেতৰ মানৱতাবাদী আদৰ্শ চিন্তা, অসম প্ৰেম, এইবোৰ নতুন প্ৰজন্মৰ মাজলৈ কঢ়িয়াই লৈ যোৱা এই যাত্ৰাটো পৰিকল্পিতভাৱে আগবাঢ়িব লাগিব।” ইয়াৰ বাবে উদ্যোগ ল’বলৈ তেওঁ চৰকাৰক আহ্বান জনায়। ইফালে, বৃহস্পতিবাৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে জুবিন ক্ষেত্ৰত অনুষ্ঠিত হ’ব ‘জুবিন দিৱস’। জুবিন ক্ষেত্ৰই ইয়াৰ বাবে পূৰ্ণ প্ৰস্তুতি চলাই থকা হৈছে। এই বিশেষ দিনটোক কেন্দ্ৰ কৰি অসম ৰাজ্যিক চালক সন্থাই জুবিন অনুৰাগীসকলৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই চালক সন্থাই জুবিন অনুৰাগীসকলক অতি ন্যূনতম খৰচত জুবিন ক্ষেত্ৰলৈ অহা-যোৱা কৰাৰ এক বিশেষ সুবিধা প্ৰদান কৰিব। সদৌ অসম ৰাজ্যিক চালক সন্থাৰ সাধাৰণ সম্পাদক আব্দুল কাদিৰে এই কথা সদৰি কৰে। তদুপৰি অনলাইন যোগে ৰাজ্যিক চালক সন্থাৰ গাড়ী বুকিং কৰিলে ৫০ শতাংশ ভাড়া আদায় দিলে হ’ব। ইয়াৰ উপৰি যাত্ৰীসকলৰ বাবে বিনামূলীয়া খোৱাপানীৰো ব্যৱস্থা কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ লগতে কয়, “প্ৰায় ১৫০ ৰ পৰা ২০০খন গাড়ী এই সেৱাত নিয়োজিত থাকিব। এই বিশেষ গাড়ীবোৰ খানাপাৰাত সাজু হৈ ৰৈ থাকিব। গাড়ীবোৰ চিনাক্তকৰণৰ বাবে প্ৰতিখন গাড়ীত জুবিন গাৰ্গৰ প’ষ্টাৰ আৰু অসম ৰাজ্যিক চালক সন্থাৰ প’ষ্টাৰ লগোৱা থাকিব। ১৯ ছেপ্টেম্বৰৰ পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ এই বিশেষ সেৱা উপলব্ধ হ’ব।” সাধাৰণ সম্পাদকগৰাকীয়ে পুনৰ কয়, “আমি সৰুৰে পৰা জুবিন দাৰ গান শুনি শুনিয়েই ডাঙৰ হৈছোঁ। তেওঁৰ প্ৰতি আমাৰ শ্ৰদ্ধা সদায় পৃথক। আপোনালোকে মন কৰিলে দেখিব যে যিকোনো ৰাজহুৱা পৰিবহণত যাত্ৰা কৰিলে প্ৰায় ৯০ শতাংশ গাড়ীত জুবিন গাৰ্গৰ গান বাজি থাকে। তেওঁ অকল এজন শিল্পীয়েই নাছিল, সমাজৰ প্ৰতিটো ক্ষেত্ৰতে তেওঁ সদায় আগভাগ লৈ আহিছে। তেওঁৰ ব্যক্তিত্ব ইমান মহান আছিল যে সাধাৰণ মানুহে তাক ঢুকিয়েই নাপায়।”

অৰ্থনীতিৰ ওপৰত অহৰহ নেতিবাচক

এনে মন্তব্য কৰে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে। আন্তঃৰাষ্ট্ৰীয় কৰ গৱেষণা আৰু বিশ্লেষণ ফাউণ্ডেশ্যন (ITRAF) য়ে আয়োজন কৰা “নতুন যুগৰ কৰ” সম্পৰ্কীয় অষ্টম আন্তঃৰাষ্ট্ৰীয় কৰ সন্মিলনত ভাষণ দি বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে সমগ্ৰ বিশ্বৰ বহু দেশে অতি কঠিন পৰিস্থিতিৰ মাজেৰে পাৰ হৈ আহিব লগা হৈছে। তেনে পৰিস্থিতিতো ভাৰতৰ অৰ্থনীতিয়ে ত্ৰৈমাসিকভাৱে ৭.১ শতাংশ বৃদ্ধিৰ হাৰ প্ৰদৰ্শন কৰাটো কোনো “যাদৃচ্ছিক সংখ্যা” নহয়। তেওঁ কয়, “উদ্যোগসমূহে তেওঁলোকে কাম কৰি থকা পৰিৱেশটো ভালদৰে বুজি পোৱাটো অত্যন্ত প্ৰয়োজন। তাৰ বাবে পৃথিৱীৰ আন দেশৰ উদ্যোগসমূহৰ সৈতে অধিক সংযোগ স্থাপন কৰিব লাগে। তেওঁলোকে জানিব লাগে যে সকলোতে পৰিৱেশ কিমান কঠিন হৈ পৰিছে। কিন্তু এই দেশত একোৱেই নহয় বুলি অহৰহ নেতিবাচক মন্তব্য কৰি থকাটোৱে মোক যথেষ্ট চিন্তিত কৰি তুলিছে।” বিত্তমন্ত্ৰীগৰাকীয়ে কৰ নীতিৰ ওপৰত স্বতন্ত্ৰ গৱেষণাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে কৰ নীতিৰ বিতৰ্ক কেতিয়াও খণ্ডগত বিবেচনাৰ বাহিৰলৈ যোৱা উচিত নহয়। তেওঁ কৰ পেছাদাৰীসকলক “খণ্ডীয় স্বাৰ্থৰ ঊৰ্দ্ধলৈ উঠি দেশক সৰ্বোচ্চ প্ৰাথমিকতা দিবলৈ” আহ্বান জনায়। তেওঁ লগতে কয় যে চৰকাৰে ইচ্ছাকৃতভাৱে উৎসত কৰ কৰ্তন (TDS) আৰু উৎসত কৰ সংগ্ৰহ (TCS) সম্পৰ্কীয় নিয়মসমূহ সৰল কৰি সীমা বৃদ্ধি কৰিছে, যাৰ ফলত অপ্ৰয়োজনীয় অপৰাধমূলক পৰিণতি যথেষ্ট হ্ৰাস পাইছে। বিত্তমন্ত্ৰীয়ে জোৰ দি কয় যে কৰ নীতিৰ আলোচনাত ভাৰতৰ অৰ্থনৈতিক আৰু উন্নয়নমূলক অগ্ৰাধিকাৰসমূহ বহল অৰ্থত প্ৰতিফলিত হোৱা উচিত; ই কেৱল ব্যক্তিগত খণ্ড বা পেছাদাৰী স্বাৰ্থৰ দ্বাৰা পৰিচালিত হোৱা অনুচিত। তেওঁ কৰ বিবাদৰ বেকলগ কেৱল পৰিচালনা কৰিয়েই নাথাকি সেইবোৰ হ্ৰাস কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ আহ্বান জনায়। তেওঁ উদ্যোগৰ প্ৰতিনিধি আৰু নীতি গৱেষকসকলক কাৰ্যকৰী তথা পৰিমাণগত আইনী বিকল্পৰ পৰামৰ্শ আগবঢ়াই ৰাজহুৱা উপদেশ উন্নীত কৰিবলৈ অনুৰোধ জনায়। “দৰ্শনটো অতি সৰল- স্বেচ্ছামূলক অনুসৰণ সৰল কৰা আৰু প্ৰকৃততে বলবৎকাৰী ক্ষমতাৰ প্ৰয়োজন হোৱা গোচৰসমূহৰ বাবে সংৰক্ষিত ৰখা। আমাৰ লক্ষ্য কেৱল বিবাদ পৰিচালনা কৰা নহয়, কৰৰ গোচৰ হ্ৰাস কৰা, “বিত্তমন্ত্ৰীগৰাকীয়ে কয়। তেওঁ লগতে কয়, “বিবাদ সমাধান আঁচনিসমূহে কৰদাতা আৰু চৰকাৰ উভয়কে পুৰণি বিবাদসমূহ অনিৰ্দিষ্টকাললৈ দীঘলীয়া কৰি ৰখাৰ পৰিৱৰ্তে সেয়া বন্ধ কৰাৰ সুযোগ প্ৰদান কৰে। তদুপৰি ২০২৪ চনত আপীল ন্যায়াধিকৰণৰ সন্মুখত বিভাগীয় আবেদনৰ বাবে আৰ্থিক সীমা ৬০ লাখ টকালৈ, উচ্চ ন্যায়ালয়ৰ সন্মুখত ২ কোটি টকালৈ, আৰু উচ্চতম ন্যায়ালয়ৰ সন্মুখত ৫ কোটি টকালৈ বৃদ্ধি কৰা হৈছে।” আন্তঃৰাষ্ট্ৰীয় কৰ সম্পৰ্কত বিত্তমন্ত্ৰীয়ে উল্লেখ কৰে যে ভাৰতে মৰিচাছ, ছিংগাপুৰ আৰু চাইপ্ৰাছৰ সৈতে কৰ চুক্তি পুনৰ আলোচনা কৰি মূলধনী লাভৰ ওপৰত উৎসত কৰ আৰোপ কৰাৰ অধিকাৰ পুনৰ লাভ কৰিছে। সীতাৰমণে কয় যে বৃদ্ধি আৰু উন্নয়নৰ পথত ভাৰতেও নিজা প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে, তথাপি বিশ্বৰ কঠিন পৰিৱেশৰ মাজতো ভাৰতৰ অৱস্থা আন দেশতকৈ বহুত উন্নত হৈ আছে। শুল্ক ভাবুকি, তিনিটা চলি থকা যুদ্ধ, হৰমুজ জলদ্বীপৰ চাৰিওফালে সৃষ্টি হোৱা অসুবিধা, লগতে খাৰুৱা তেল আৰু সাৰৰ দামৰ প্ৰভাৱকে ধৰি কেইবাটাও প্ৰত্যাহ্বানৰ কথা উল্লেখ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে খাৰুৱা তেল আৰু সাৰ ভাৰতৰ সৰ্বাধিক আমদানি সামগ্ৰী।

কংগ্ৰেছ প্ৰাৰ্থী শিৱামণি বৰাক কটাক্ষ

নিৰ্বাচনত TMCৰ প্ৰাৰ্থী আব্দুল চালামৰ হৈ মনোনয়ন পত্ৰ দাখিলৰ সময়ত উপস্থিত থাকে বাঘবৰ সমষ্টিৰ তৃণমূল কংগ্ৰেছৰ বিধায়ক শ্বেৰমান আলী আহমেদ। নগাঁৱত উপস্থিত হৈ শ্বেৰমান আলী আহমেদে কয় যে কংগ্ৰেছে শিৱামণি বৰাক টিকট দিলে, কিন্তু ৬০ শতাংশ সংখ্যালঘু অঞ্চলৰ বাবে এজন সংখ্যালঘু প্ৰাৰ্থী কিয় কংগ্ৰেছে নিদিলে। তেওঁ আৰু কয়, “এই গৰাকীয়েই সেই গৰাকী শিৱামণি বৰা, যি গৰাকীয়ে ৫ বছৰ বিধায়ক হৈ থকাৰ সময়তেই বৰদোৱাত উচ্ছেদ হ’ল। কিন্তু তেওঁ একো এটা শব্দ নকৰিলে। সেই শিৱামণি বৰাই সংসদত গৈ ৰাইজৰ স্বাৰ্থৰ হকে যে মাত মাতিব, তাক সন্দেহ আছে। তেওঁতো ইংৰাজী-হিন্দী একোৱেই নাজানে। এই ভাৰতত যদি বিজেপিৰ বিৰুদ্ধে কোনোবা শক্তিশালী দল আছে, তেনেহ’লে সেইটো হৈছে তৃণমূল কংগ্ৰেছ। তেনেক্ষেত্ৰত কংগ্ৰেছ আৰু AIUDF-এ ভোট বিভাজন নকৰি আমাক সমৰ্থন কৰিব লাগিছিল।” আনহাতে বদৰুদ্দিন আজমলক কটাক্ষ কৰি তেওঁ কয় যে ১০ বাৰ বিধায়ক হ’লেই নিজকে অভিজ্ঞ বুলি নকয়। তেওঁৰ সমষ্টিত এতিয়াও কেঁচা ৰাস্তা আছে। ধুবুৰী বাসীৰ বাবে তেওঁ একোৱেই কৰা নাই। তেওঁ পঞ্চায়তৰ আঁচনি উদ্বোধন কৰিবলৈও বিধায়কক লগত লৈ যায়। বদৰুদ্দিন আজমলক অভিজ্ঞ বুলি নকয়, তেওঁ এজন প্ৰৱঞ্চক।

নিশু আজাদক ভাবুকিৰ গোচৰত

গুৰুত্বপূৰ্ণ মন্তব্য কৰি ন্যায়ালয়ে কিশোৰীগৰাকী আৰু তেওঁৰ পৰিয়ালৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ উত্তৰ প্ৰদেশ আৰু দিল্লী আৰক্ষীক স্পষ্ট নিৰ্দেশ প্ৰদান কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, দিল্লীৰ যন্তৰ-মন্তৰত ককৰোচ জনতা পাৰ্টিৰ আন্দোলনৰ পিছৰে পৰা নিশু আজাদ আৰু তেওঁৰ পৰিয়ালক সামাজিক মাধ্যমত যৌন নিৰ্যাতন তথা প্ৰাণে মৰাৰ তীব্ৰ ভাবুকি দিয়াৰ উপৰিও তেওঁলোকৰ গৃহত শিলগুটি নিক্ষেপ কৰাৰ দৰে অভিযোগ উত্থাপন হৈছিল। আনকি তেওঁৰ পিতৃ সঞ্জয় আজাদৰ ওপৰত আক্ৰমণ চলোৱাৰ সন্দৰ্ভতো অভিযোগ উঠিছিল। প্ৰধান বিচাৰপতি সূৰ্য কান্ত, বিচাৰপতি জয়মাল্য বাগচী আৰু বিচাৰপতি ভি. মোহনাক লৈ গঠিত উচ্চতম ন্যায়ালয়ৰ বিচাৰপীঠে এই সমগ্ৰ বিষয়টো অত্যন্ত গম্ভীৰভাৱে গ্ৰহণ কৰে। ন্যায়ালয়ে ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাক এই সন্দৰ্ভত পঞ্জীয়ন কৰা এফ.আই.আৰ. (FIR)ৰ ওপৰত ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু পৰিয়ালটোক পৰ্যাপ্ত আৰক্ষী নিৰাপত্তা যোগান ধৰিবলৈ নিৰ্দেশ দিয়ে। ইফালে, উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পিছতো কিশোৰীগৰাকীয়ে সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰিছে যে তেওঁ আৰু তেওঁৰ পৰিয়ালে এতিয়াও উপযুক্ত সুৰক্ষা পোৱা নাই, যাৰ ফলত তেওঁৰ শিক্ষা আৰু দশম শ্ৰেণীৰ বোৰ্ড পৰীক্ষাৰ প্ৰস্তুতিত বাধাৰ সৃষ্টি হৈছে। ইফালে নিশু আৰু তেওঁৰ প্ৰতিপক্ষৰ মাজত একাধিক ক্ৰছ-এফ.আই.আৰ. পঞ্জীয়ন হোৱাক লৈ ন্যায়ালয়ে ঘটনাৰ বিতং স্থিতি প্ৰতিবেদন তলব কৰিছে। উচ্চতম ন্যায়ালয়ৰ এই প্ৰত্যক্ষ হস্তক্ষেপৰ পিছত এতিয়া দিল্লী আৰু উত্তৰ প্ৰদেশ আৰক্ষীয়ে নিশু আজাদৰ পৰিয়ালৰ নিৰাপত্তাৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰে, সেয়া হ’ব পৰৱৰ্তী সময়ত লক্ষণীয়।

প্ৰবীণ অভিনেতা অনন্ত নাগলৈ ২০২৪

নাগক ২০২৪ বৰ্ষৰ সন্মানীয় ‘দাদা চাহেব ফাল্কে বঁটা’ৰ বাবে নিৰ্বাচিত কৰা হৈছে। বুধবাৰে প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰোৱে এই ঘোষণা কৰে। ঘোষণা অনুসৰি নাগক দীৰ্ঘদিনীয়া কেৰিয়াৰ আৰু ভাৰতীয় চিনেমা, বিশেষকৈ কানাড়া চিনেমালৈ আগবঢ়োৱা অৱদানৰ বাবে এই বঁটা প্ৰদান কৰা হৈছে। সুদীৰ্ঘ পাঁচটা দশকজোৰা কেৰিয়াৰ আৰু ভাৰতীয় চিনেমা, বিশেষকৈ কানাড়া চলচ্চিত্ৰ উদ্যোগলৈ আগবঢ়োৱা অমূল্য সংবৰ্ধনৰ বাবে এই সৰ্বোচ্চ চলচ্চিত্ৰ সন্মান অনন্ত নাগক প্ৰদান কৰাৰ নিৰ্ণয় লোৱা হৈছে। ১৯৪৮ চনৰ ৪ ছেপ্টেম্বৰত জন্মগ্ৰহণ কৰা অনন্ত নাগ কানাড়া চিনেমাৰ অন্যতম পৰিচিত নাম। ২৫০ খনতকৈও অধিক কানাড়া ছবিকে ধৰি তেওঁ ৩০০ৰো অধিক ছবিত কাম কৰিছে। তেওঁৰ উল্লেখযোগ্য কৰ্মৰ ভিতৰত হিন্দী, তেলুগু, তামিল, মাৰাঠী, মালয়ালম আৰু ইংৰাজী ভাষাৰ ছবিও অন্তৰ্ভুক্ত। চলচ্চিত্ৰৰ উপৰিও নাগে টেলিভিছনতো অভিনয় কৰিছে। লেখক আৰ কে নাৰায়ণৰ ৰচনাৰ আধাৰত নিৰ্মিত জনপ্ৰিয় দূৰদৰ্শন ধাৰাবাহিক মালগুদী ডেজৰো অংশ আছিল নাগ। অভিনেতা হিচাপে তেওঁৰ যাত্ৰা আৰম্ভ হৈছিল মঞ্চত। কলেজীয়া জীৱনত ১৮ বছৰ বয়সত সন্ত চৈতন্য মহাপ্ৰভুৰ জীৱনৰ আধাৰত ৰচিত নাটকত মুখ্য চৰিত্ৰত অভিনয় কৰিবলৈ নিৰ্বাচিত হৈছিল। পাছলৈ গৌতম বুদ্ধ আৰু অন্যান্য বিষয়ৰ আধাৰত ৰচিত নাটকত অভিনয় কৰিছিল। পিছৰ পাঁচ বছৰত তেওঁ মঞ্চত ৫০ টাতকৈও অধিক ভিন্ন চৰিত্ৰত অভিনয় কৰে। প্ৰবীণ অভিনেতাগৰাকীক দাদা চাহেব ফাল্কে বঁটাৰ বাবে মনোনীত কৰাৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে নিজৰ এক্স হেণ্ডেলযোগে অভিনন্দন জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে পোষ্টযোগে উল্লেখ কৰে যে, “কিংবদন্তি অনন্ত নাগজীক দাদা চাহেব ফাল্কে বঁটা প্ৰদান কৰাৰ বাবে অভিনন্দন। কেইবা দশক ধৰি তেওঁৰ অনবদ্য অভিনয়, উল্লেখযোগ্য বহু মুখিতা আৰু উজ্জ্বলতাই ভাৰতীয় চিনেমা, বিশেষকৈ কানাড়া চিনেমাত অতি শক্তিশালী সাঁচ ৰাখিছে। যি ভূমিকাতেই অভিনয় কৰিছে, তেওঁ কঢ়িয়াই আনিছে বিৰল গভীৰতা আৰু প্ৰামাণ্যতা। এয়া সঁচাকৈয়ে এজন বিৰল শিল্পীৰ বাবে প্ৰাপ্য আৰু সমৃদ্ধিশালী সন্মান।”

২০ ছেপ্টেম্বৰত গুৱাহাটীত জৰুৰী

পৰা এই অভিৱৰ্তন আয়োজন কৰা হৈছে। এই প্ৰসংগত আজি গুৱাহাটী প্ৰেছ ক্লাবত এক সংবাদমেল সম্বোধন কৰি আহ্বায়কসকলৰ হৈ হৰকুমাৰ গোস্বামী, ড° ঘনশ্যাম নাথ, দেৱজিত চৌধুৰী, অধ্যাপক তাইজুদ্দিন আহমেদ আৰু প্ৰহ্লাদ দাস পাণিকাই অভিৱৰ্তনৰ উদ্দেশ্য স্পষ্ট কৰে। তেওঁলোকে কয় যে বৰ্তমান ৰাজ্যখনত এন আৰ চি আৰু নথি-পত্ৰৰ নামত সৃষ্টি কৰা অনিশ্চয়তা, উচ্ছেদ আৰু বুলড’জাৰ অভিযান, ভূমিৰ অধিকাৰ খৰ্ব, গণতান্ত্ৰিক প্ৰতিবাদ দমন, কৰ্মসংস্থাপনৰ অভাৱ, প্ৰব্ৰজিত শ্ৰমিকৰ অনিশ্চিত জীৱন আৰু পৰিৱেশ ধ্বংসৰ ফলত সৃষ্টি হোৱা প্ৰলয়ংকৰী বান-খহনীয়াৰ বাবে সমগ্ৰ অসমত এক সামগ্ৰিক নাগৰিক সংকটে দেখা দিছে। লক্ষ্মীনাথ তামুলী, ড° আব্দুল মান্নান, মনোৰম গগৈ, সঞ্জয় কুমাৰ তাঁতী, মুনীন বায়ন, ড° পদ্মপাণি, নীলিম কুমাৰ, হিমাংশু প্ৰসাদ দাস, ড° কমল কুমাৰ তাঁতী, মুবিনা আখতাৰ, শান্তনু বৰঠাকুৰ আদিকে ধৰি ৰাজ্যৰ প্ৰায় ১৫০ গৰাকী বিশিষ্ট নাগৰিক, সমাজকৰ্মী তথা ছাত্ৰ-যুৱ আৰু শ্ৰমিক-কৃষক সংগঠনৰ প্ৰতিনিধিয়ে এই অভিৱৰ্তনৰ আহ্বান জনাইছে। অভিৱৰ্তনৰ মূল দাবীসমূহৰ ভিতৰত আছে যে এন আৰ চি উন্নীতকৰণ প্ৰক্ৰিয়াক পূৰ্ণতা নিদিয়াকৈ অনিৰ্দিষ্টকাললৈ ওলমাই ৰখা বন্ধ কৰিব লাগিব আৰু একে সময়তে বিতৰ্কিত তথা অসাংবিধানিক এছ আই আৰ ৰাজ্যবাসীৰ ওপৰত জাপি দিয়াৰ অপচেষ্টা কোনো কাৰণতেই গ্ৰহণ কৰা নহ’ব। জোৰ-জুলুমকৈ চলোৱা উচ্ছেদ অভিযান বন্ধ কৰি ক্ষতিগ্ৰস্ত লোকসকলৰ ভূমি অধিকাৰ আৰু পুনৰ সংস্থাপন সুনিশ্চিত কৰিব লাগিব। উজনি অসমৰ শেহতীয়া বান আৰু প্ৰলয়ত ক্ষতিগ্ৰস্ত লোকসকলক উপযুক্ত ক্ষতিপূৰণ আৰু সংস্থাপন দিব লাগিব। লগতে কৰ্পʼৰেট গোষ্ঠীৰ দ্বাৰা ৰাজ্যৰ প্ৰাকৃতিক সম্পদ লুণ্ঠন বন্ধ কৰাৰ লগতে কাজিৰঙাকে ধৰি সংবেদনশীল পৰিৱেশতন্ত্ৰ ধ্বংসৰ চেষ্টা ৰোধ কৰিব লাগিব। আনহাতে, সংবাদমেলত আহ্বায়কসকলে উল্লেখ কৰে যে ২০ ছেপ্টেম্বৰৰ অভিৱৰ্তনত মত প্ৰকাশৰ স্বাধীনতা, প্ৰব্ৰজিত শ্ৰমিকৰ সুৰক্ষা, চৰকাৰী শিক্ষা, ভাষিক অধিকাৰ আদি বহুসংখ্যক বিষয়ত ব্যাপক আলোচনা কৰা হ’ব। তেওঁলোকে স্পষ্ট কৰি দিয়ে যে এই সংকট কোনো একক জাতি, ধৰ্ম বা সম্প্ৰদায়ৰ নহয়; বৰঞ্চ ই সমগ্ৰ গণতন্ত্ৰৰে সংকট। সেয়ে জাতি-ধৰ্ম-ভাষাৰ বিভাজন পাহৰি সকলো সচেতন আৰু গণতান্ত্ৰিক শক্তিক একত্ৰিত হৈ এখন ৰাজ্যব্যাপী যৌথ নাগৰিক মঞ্চ গঠনৰ অৰ্থে উক্ত অভিৱৰ্তনত অংশগ্ৰহণ কৰিবলৈ উদ্যোগতাসকলে আহ্বান জনাইছে।

প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিনত বিজেপিৰ

জলপ্লাৱনে সৃষ্টি কৰা দুৰ্গতক লৈ ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশ উত্তপ্ত হৈ পৰিছে। ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে অভিযোগ উত্থাপন কৰি কয় যে নিৰ্বাচনৰ সময়ত অসমলৈ আহি ডাঙৰ ডাঙৰ প্ৰতিশ্ৰুতি দিয়া প্ৰধানমন্ত্ৰীগৰাকীয়ে উজনি অসমৰ বিধ্বংসী বান আৰু জলপ্লাৱনৰ সময়ত দুৰ্গম অঞ্চলৰ খবৰ ল’বলৈ নাহিল। ইয়াৰ উপৰিও কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো বিশেষ সাহায্য প্ৰদান নকৰাৰ লগতে দুখ প্ৰকাশ কৰি কোনো বাৰ্তাও প্ৰেৰণ নকৰিলে। ৰাজ্যৰ শাসকীয় দলৰ নেতা, মন্ত্ৰী-বিধায়কসকল নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত ব্যস্ত থকাৰ সময়তে বানপীড়িত ৰাইজ চৰকাৰী সাহায্যৰ পৰা বঞ্চিত হ’বলগীয়া হৈছে বুলি অখিল গগৈয়ে ক্ষোভ প্ৰকাশ কৰে। এই অন্যায়ৰ বিৰুদ্ধে আৰু বানপীড়িত লোকসকলৰ উপযুক্ত ন্যায় তথা ক্ষতিপূৰণৰ দাবীত আগন্তুক ১৭ ছেপ্টেম্বৰ, বৃহস্পতিবাৰে দিছপুৰস্থিত লোকসেৱা ভৱনৰ সন্মুখত পুৱা ৮ বজাৰ পৰা বিয়লি ৪ বজালৈ এক প্ৰতিবাদী অনশন কাৰ্যসূচী ৰূপায়ণ কৰা হ’ব বুলি বিধায়ক অখিল গগৈয়ে জানিবলৈ দিয়ে। ৰাইজৰ দলৰ মুখ্য দাবীসমূহ- জলপ-াৱনত ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালক তাৎক্ষণিকভাৱে ১৫ হাজাৰৰ পৰা ২৫ হাজাৰ টকাকৈ সাহায্য প্ৰদান কৰিব লাগিব, গৃহ তথা সম্পত্তি হেৰুওৱা পৰিয়াল আৰু ক্ষতিগ্ৰস্ত প্ৰতিটো ব্যৱসায়িক প্ৰতিষ্ঠানক চৰকাৰে ১০ লাখ টকাকৈ ক্ষতিপূৰণ দিব লাগিব, মহাপ্লাৱনৰ অন্তৰালৰ কাৰণ উন্মোচন কৰি জগৰীয়া পক্ষক চিনাক্তকৰণ আৰু শাস্তি প্ৰদানৰ বাবে অনতিবিলম্বে চি বি আইৰ তদন্ত ঘোষণা কৰিব লাগিব আৰু অসম চৰকাৰৰ জলসম্পদ মন্ত্ৰী সুশান্ত বৰগোহাঁইক মন্ত্ৰীসভাৰ পৰা বৰ্খাস্ত কৰাৰ লগতে সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ আৰু নাজিৰাৰ বিধায়ক ময়ূৰ বৰগোহাঁইক গ্ৰেপ্তাৰ কৰিব লাগিব। বিধায়ক অখিল গগৈয়ে স্পষ্ট কৰি দিয়ে যে বানপীড়িত ৰাইজৰ সমস্যা সমাধান নোহোৱালৈকে চৰকাৰৰ বিৰুদ্ধে এই গণতান্ত্ৰিক সংগ্ৰাম অব্যাহত থাকিব। ১৭ ছেপ্টেম্বৰৰ অনশনৰ পিছতো চৰকাৰে এই দাবীসমূহ মানি নল’লে অহা ২৩ ছেপ্টেম্বৰত গুৱাহাটীত এক বিশাল গণ-প্ৰতিবাদ গঢ়ি তোলা হ’ব বুলি তেওঁ হুংকাৰ দিয়ে।

জুবিন দিৱসৰ প্ৰস্তুতি পৰিদৰ্শন বিমল

আৰু ব্যৱস্থাপনাৰ বুজ ল’বলৈ আজি জুবিন ক্ষেত্ৰত উপস্থিত হয় বিমল বৰা। আজি জুবিন ক্ষেত্ৰত উপস্থিত হৈ তেওঁ জুবিন দিৱসৰ তিনিদিনীয়া কাৰ্যসূচীৰ প্ৰস্তুতি আৰু ব্যৱস্থাপনা সম্পৰ্কে সবিশেষ বুজ লয়। এই পৰিদৰ্শনৰ সময়ত তেওঁ আয়োজকসকলৰ সৈতে প্ৰস্তুতিৰ অগ্ৰগতি সম্পৰ্কে আলোচনা কৰাৰ লগতে কাৰ্যসূচী সফল কৰি তুলিবলৈ প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়ায়। উল্লেখ্য, প্ৰাণৰ শিল্পী জুবিন গাৰ্গদেৱৰ স্মৃতিত অনুষ্ঠিত হ’বলগীয়া এই জুবিন দিৱস উপলক্ষে জুবিন ক্ষেত্ৰত ব্যাপক প্ৰস্তুতি চলি আছে। ১৭, ১৮ আৰু ১৯ ছেপ্টেম্বৰত অনুষ্ঠিত হ’বলগীয়া এই তিনিদিনীয়া কাৰ্যসূচীত ৰাজ্যজুৰিৰ পৰা অগণন অনুৰাগীয়ে অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে ইফালে, জুবিন দিৱসৰ এই বিশেষ ক্ষণত অসম ৰাজ্যিক চালক সন্থাই জুবিন অনুৰাগীসকলৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই চালক সন্থাই জুবিন অনুৰাগীসকলক অতি ন্যূনতম খৰচত জুবিন ক্ষেত্ৰলৈ অহা-যোৱা কৰাৰ সুবিধা প্ৰদান কৰিব। ইয়াৰ লগতে সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে ১৯ ছেপ্টেম্বৰত ৰাজ্যৰ প্ৰতিখন জিলা সদৰত ‘পোহৰৰে চাকিগছি’ শীৰ্ষক বিশেষ কাৰ্যসূচীৰো আয়োজন কৰা হ’ব।

দেৱাশিস শৰ্মা, শিৱামণি বৰা আৰু

পত্ৰ দাখিল কৰে। বিজেপিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাই আজি দুপৰীয়া মনোনয়ন পত্ৰ দাখিল কৰে। তেওঁৰ মনোনয়ন দাখিলৰ সময়ত তেওঁৰ সৈতে উপস্থিত আছিল মন্ত্ৰী পীযূষ হাজৰিকা, সাংসদ দিলীপ শইকীয়া আৰু মন্ত্ৰী কেশৱ মহন্ত। ইফালে, কংগ্ৰেছৰ প্ৰাৰ্থী শিৱামণি বৰায়ো আজি মনোনয়ন পত্ৰ দাখিল কৰে। তেওঁৰ মনোনয়ন দাখিল কাৰ্যসূচীত প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বৰ লগতে সাংসদ গৌৰৱ গগৈ আৰু ৰকিবুল হুছেইন উপস্থিত থাকে। আনহাতে, AIUDFৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলেও আজি মনোনয়ন পত্ৰ দাখিল কৰে। তিনিওগৰাকী প্ৰাৰ্থীয়েই সমৰ্থকৰ বিশাল সমদল আৰু ৰেলীৰে মনোনয়ন দাখিল কৰে। উল্লেখ্য যে, অহা ৬ অক্টোবৰত নগাঁও লোকসভা উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ’ব। ৯ অক্টোবৰত ভোটগণনা আৰু ফলাফল ঘোষণা কৰা হ’ব। ইতিমধ্যে এই নিৰ্বাচনৰ বাবে আটাইকেইটা ৰাজনৈতিক দলে নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে।

ড° ভূপেন হাজৰিকাৰ শতবৰ্ষ জয়ন্তীৰ

তেখেতৰ জীৱন আৰু অৱদানক আলোকপাত কৰা বিশেষ প্ৰদৰ্শনী আৰু স্মাৰক অনুষ্ঠান অনুষ্ঠিত হ’ব। এই অনুষ্ঠানটি মাননিয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ ভব্য উপস্থিতিয়েও সমৃদ্ধ কৰিব। তেওঁ লগতে উল্লেখ কৰে যে ভূপেনদা কেৱল অসমৰ নহয়, সমগ্ৰ ভাৰতৰ সাংস্কৃতিক চেতনাৰ এক উজ্জ্বল প্ৰতীক। সেয়েহে তেখেতৰ জয়ন্তীৰ এই সামৰণী অনুষ্ঠানভাগ তেখেতৰ মহান অৱদানৰ প্ৰতি যথোচিত শ্ৰদ্ধাঞ্জলি হিচাপে স্মৰণীয় কৰি তুলিবলৈ সাংস্কৃতিক পৰিক্ৰমা, পৰ্যটন আৰু তথ্য আৰু জনসংযোগ বিভাগক প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰে। উল্লেখ্য, ড° ভূপেন হাজৰিকাদেৱৰ শতবৰ্ষ জয়ন্তী উপলক্ষে ৰাজ্যজুৰি তথা দেশজুৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই সামৰণী অনুষ্ঠানৰ জৰিয়তে সুধাকণ্ঠগৰাকীৰ জীৱন আৰু অৱদানক নতুন প্ৰজন্মৰ মাজত কঢ়িয়াই লৈ যোৱাৰ লগতে তেখেতৰ কালজয়ী সৃষ্টিৰাজীক উদযাপন কৰা হ’ব।

মণিপুৰত সন্দেহযুক্ত নগা উগ্ৰপন্থীৰ

মঙলবাৰে জিৰিবাম জিলাৰ লেইছাংফাইত এই ঘটনা সংঘটিত হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, ঘৰৰ খেতিপথাৰৰ পৰা খৰি সংগ্ৰহ কৰি থকা মহিলাকেইগৰাকীক উগ্ৰপন্থীয়ে আক্ৰমণৰ লক্ষ্য কৰি লৈছিল। নিহত মহিলা দুগৰাকী ক্ৰমে ৬০ বছৰীয়া চোংগা ছিটলৌ আৰু ২৮ বছৰীয়া এন জি কিমনিও চিংছন। আনহাতে, স্থানীয় সূত্ৰই জনোৱা মতে, চিংছনে শেহতীয়াকৈ নাৰ্ছিং পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ পিছত ঘৰলৈ উভতি আহি পিতৃ-মাতৃক কৃষিকাৰ্যত সহায় কৰিছিল। এনে ঘটনাৰ বাবে কুকি সংগঠনসমূহে এনএছচিএন-আইএম আৰু জিইউএফ-কেক জগৰীয়া কৰিছে। তেওঁলোকে কয় যে, জিৰিবাম, টামেংলং আৰু ননে জিলাত কুকিসকলৰ সাধাৰণ নাগৰিকক উগ্ৰপন্থীয়ে আক্ৰমণৰ লক্ষ্য কৰি আহিছে। ৰাজ্যখনত ধাৰাবাহিকভাৱে সংঘটিত হৈ অহা আক্ৰমণ অথবা হত্যাৰ মাজতে এই কাণ্ড সংঘটিত হয়। এই ঘটনাৰ পিছতে কুকি-জো কাউন্সিলে এক বৃহৎ সিদ্ধান্ত গ্ৰহণ কৰিছে। শেহতীয়াকৈ নগা সশস্ত্ৰ উগ্ৰপন্থীৰ আক্ৰমণত নিহত হোৱা মহিলা দুগৰাকীৰ মৃতদেহ পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত সমাধিস্থ কৰাত সংগঠনটোৱে বাধা প্ৰদান কৰিছে। সংগঠনটোৱে এক বিবৃতিত কয়, “কুকি-জো কাউন্সিলৰ পৰা পৰৱৰ্তী নিৰ্দেশনা নোপোৱালৈকে এনে প্ৰতিগৰাকী ভুক্তভোগীৰ মৃতদেহ সমীপৰ শীতল ভঁৰালত নিৰাপদে ৰখা হ’ব।” উল্লেখ্য যে, মণিপুৰত কুকি-জো নাগৰিকৰ ওপৰত নগা সশস্ত্ৰ গোটে ধাৰাবাহিকভাৱে আক্ৰমণ চলোৱা কাৰ্যৰ গৰিহণা দি কাউন্সিলে এক বিবৃতিৰ জৰিয়তে এই নিৰ্দেশনা জাৰি কৰিছে। কাউন্সিলে নিহতসকলৰ প্ৰতি ন্যায় আৰু দায়বদ্ধতা নিশ্চিত কৰাত ব্যৰ্থ হোৱা বুলি অভিযোগ তুলি প্ৰতিবাদৰ মাজেৰে এক সুচিন্তিত আৰু সামূহিক পদক্ষেপ হিচাপে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। আন এটা বিশিষ্ট জনজাতীয় সংগঠন কুকি ইনপি মণিপুৰে এনএছচিএন-আইএম আৰু জেইউএফে সাধাৰণ তথা নিৰ্দোষী কুকি গাঁৱৰ লোকসকলক আক্ৰমণ কৰি হত্যা কৰাৰ দৰে ঘটনাক তীব্ৰ গৰিহণা দিছে। এক বিবৃতিত সংগঠনটোৱে বিগত তিনিদিনত ছয়জনকৈ নিৰীহ কুকি লোকক হত্যা কৰাৰা দাবী তোলে।

আৰৱ সাগৰত ভাৰত-পাকিস্তান

অৱহেলাৰ এক বৃহৎ দৃষ্টান্ত পোহৰলৈ আহিছে। ভাৰত আৰু পাকিস্তানৰ মাজত সম্পৰ্ক বিগত কিছু সময়ৰ পৰা ক্ৰমাগতভাৱে অৱনতি ঘটিছে। ইয়াৰ মাজতে আৰৱ সাগৰত এনে এক ঘটনা সংঘটিত হৈছে, যিয়ে দুয়োখন দেশৰ মাজত উত্তেজনা আৰু অধিক বৃদ্ধি কৰিব পাৰে। তথ্য অনুসৰি, বুধবাৰে উত্তৰ আৰৱ সাগৰত ভাৰতীয় নৌসেনা আৰু পাকিস্তান নৌসেনাৰ জাহাজৰ মাজত সাগৰৰ বুকুত মুখামুখি সংঘৰ্ষ ঘটে। ভাৰতে এই ঘটনাক লৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে আৰু পাকিস্তানক চুক্তিৰ সন্মান জনাবলৈ সকিয়নী দিছে। জানিব পৰা মতে, নতুন দিল্লীত থকা পাকিস্তান উচ্চায়োগৰ ভাৰপ্ৰাপ্ত বিষয়া (চাৰ্জ ডি এফেয়াৰ্ছ)ক বৈদেশীক পৰিক্ৰমা মন্ত্ৰালয়লৈ তলব কৰা হৈছে। ভাৰতীয় নৌসেনাৰ তৰফৰ পৰা দিয়া তথ্য অনুসৰি, ১৬ ছেপ্তেম্বৰত উত্তৰ আৰৱ সাগৰত নিয়মীয়া নিৰীক্ষণ অভিযানৰ সময়ত পাকিস্তান নৌসেনাৰ এখন জাহাজ ভাৰতীয় নৌসেনাৰ এখন ফ্ৰণ্টলাইন যুদ্ধজাহাজৰ কাষ চাপি আহে। জানিব পৰা মতে, পাকিস্তানৰ জাহাজখন অতি দ্ৰুত গতিৰে আহি আছিল আৰু অসুৰক্ষিত তথা অপেশাদাৰীভাৱে চলাচল কৰি আছিল। এই কাৰণতে দুয়োখন জাহাজৰ মাজত সংঘৰ্ষ হয়। অৱশ্যে, এই ঘটনাৰ ফলত কোনো ক্ষতি হোৱাৰ খবৰ পোৱা যোৱা নাই। ভাৰতীয় নৌসেনাৰ নিয়মীয়া নিৰীক্ষণ অভিযানৰ সময়তে সমগ্ৰ ঘটনাটো সংঘটিত হয়। এই সমগ্ৰ বিষয়টো পোহৰলৈ অহাৰ পাছত ভাৰতে তীব্ৰ প্ৰতিবাদ ব্যক্ত কৰিছে। নতুন দিল্লীত থকা পাকিস্তান উচ্চায়োগৰ চাৰ্জ ডি এফেয়াৰ্ছক বৈদেশীক পৰিক্ৰমা মন্ত্ৰালয়লৈ তলব কৰা হয়। এই সময়ছোৱাত পাকিস্তান নৌসেনাৰ গ্ৰহণযোগ্য নোহোৱা আৰু অপেশাদাৰী আচৰণৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰা হয়। এই ঘটনা আন্তঃৰাষ্ট্ৰীয় জলসীমাত সংঘটিত হৈছিল আৰু ইয়াত বিশেষ ক্ষতি হোৱা নাই যদিও, ইয়াক ১৯৯১ চনৰ এপ্ৰিল মাহত ভাৰত আৰু পাকিস্তানৰ মাজত সামৰিক অনুশীলন, যুদ্ধাভ্যাস আৰু সেনাৰ চলাচলৰ পূৰ্ব তথ্য প্ৰদান সংক্ৰান্তিয় চুক্তিৰ ১০ নং অনুচ্ছেদৰ প্ৰত্যক্ষ উলংঘন বুলি অভিহিত কৰা হৈছে। ভাৰত চৰকাৰে পাকিস্তান উচ্চায়োগৰ চাৰ্জ ডি এফেয়াৰ্ছক পৰামৰ্শ দিছে যে তেওঁ নিজৰ দেশৰ বিষয়াসকলক এই কথা অৱগত কৰোৱা উচিত, যাতে এনে ধৰণৰ ঘটনা পুনৰাবৃত্তি নহ’বলৈ সকলো সামৰিক গোটে উপযুক্ত সাৱধানতা অৱলম্বন কৰে। ইয়াৰ উপৰি ভাৰত আৰু পাকিস্তানৰ মাজত হোৱা চুক্তিৰ ব্যৱস্থাসমূহকো সন্মান জনোৱা উচিত। ইয়াৰ সমান্তৰালভাৱে বৈদেশীক পৰিক্ৰমা মন্ত্ৰালয়ে পাকিস্তানৰ ইছলামাবাদত থকা ভাৰতৰ চাৰ্জ ডি এফেয়াৰ্ছকো পাকিস্তানৰ বৈদেশিক মন্ত্ৰালয়ৰ ওচৰত অনুৰূপ প্ৰতিবাদ সাব্যস্ত কৰিবলৈ নিৰ্দেশ দিছে।

তেজপুৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰ

চৌহদৰ লগতে অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃত ছাত্ৰগৰাকী নগাঁৱৰ বাসিন্দা জ্যোতিস্মান বৰুৱা বুলি চিনাক্ত কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, কেমিকেল চায়েঞ্চ বিভাগৰ পঞ্চম ষাণ্মাসিকৰ ছাত্ৰ জ্যোতিস্মান বৰুৱাই বিশ্ববিদ্যালয়খনৰ লাচিত বৰফুকন ছাত্ৰাবাসৰ ৪২৩ নম্বৰ কোঠাৰ আৱাসী আছিল। আজি দুপৰীয়া আহাৰ গ্ৰহণৰ পিছত কোঠাটোৰ আন ছাত্ৰসকল উভতি আহি দৰ্জা ভিতৰৰ পৰা বন্ধ হৈ থকা দেখা পায়। বহু সময় ধৰি কোনো সঁহাৰি নোপোৱাত সন্দেহবশতঃ দৰ্জা ভাঙি ভিতৰত প্ৰৱেশ কৰাত ছাত্ৰজনে চিপজৰী লৈ আত্মহনন কৰি থকা অৱস্থাত প্ৰত্যক্ষ কৰে। এই ভয়ংকৰ দৃশ্য প্ৰত্যক্ষ কৰি লাচিত বৰফুকন ছাত্ৰাবাসৰ আৱাসী ছাত্ৰসকলৰ মাজত হুৱাদুৱা লাগে। লগে লগে ঘটনা সন্দৰ্ভত বিশ্ববিদ্যালয় কৰ্তৃপক্ষ আৰু স্থানীয় আৰক্ষীক অৱগত কৰা হয়। ঘটনাৰ খবৰ পাই আৰক্ষীৰ এটা দল শীঘ্ৰেই ঘটনাস্থলীত উপস্থিত হৈ ছাত্ৰজনৰ মৰণোত্তৰ দেহা উদ্ধাৰ কৰাৰ লগতে প্ৰাথমিক তদন্ত আৰম্ভ কৰে। অধ্যয়নৰত অত্যন্ত মেধাৱী ছাত্ৰজনে হঠাৎ কি কাৰণত এনে চূড়ান্ত আৰু ভয়ংকৰ পথ বাচি ল’লে, সেয়া এতিয়ালৈকে অস্পষ্ট হৈ আছে। আৰক্ষীৰ পূৰ্ণাংগ তদন্তৰ পিছতহে ঘটনাৰ প্ৰকৃত কাৰণ উন্মোচিত হ’ব বুলি ধাৰণা কৰা হৈছে।

EPFO মজুৰি সীমা ২৫ হাজাৰ

সীমা ১৫ হাজাৰ টকাৰ পৰা ২৫ হাজাৰ টকালৈ বৃদ্ধি কৰিছে কেন্দ্ৰীয় কেবিনেটে। আজি নতুন দিল্লীত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটৰ বৈঠকৰ পাছত সংবাদমেলত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই সিদ্ধান্তৰ কথা ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে সদৰি কৰা অনুসৰি, মজুৰিৰ সীমা বৃদ্ধিৰ ফলত ৫১ লাখৰো অধিক অতিৰিক্ত কৰ্মচাৰী বাধ্যতামূলকভাৱে EPFO-ৰ আওতালৈ অহাৰ সম্ভাৱনা আছে। ইয়াৰ ফলত কৰ্মচাৰীসকলৰ সামাজিক সুৰক্ষা অধিক বিস্তৃত হ’ব। এই সিদ্ধান্ত ৰূপায়ণত চৰকাৰৰ বছৰি প্ৰায় ১১, ৩৩৯ কোটি টকা ব্যয় হ’ব বুলি অনুমান কৰা হৈছে। সংশোধিত মজুৰি সীমা কাইলৈ বিশ্বকৰ্মা পূজাৰ দিনাৰ পৰা কাৰ্যকৰী হ’ব। অশ্বিনী বৈষ্ণৱে লগতে উল্লেখ কৰে যে ২০০৪ চনৰ পৰা ২০১৪ চনলৈকে এটা দশকত EPFO-ৰ মজুৰি সীমাত কোনো পৰিৱৰ্তন কৰা হোৱা নাছিল। ২০১৪ চনৰ ছেপ্তেম্বৰ মাহত এই সীমা বৃদ্ধি কৰি ১৫ হাজাৰ টকা কৰা হৈছিল। বিগত সময়ছোৱাত মজুৰি বৃদ্ধি, আয়ৰ পৰিমাণ বৃদ্ধি আৰু আনুষ্ঠানিক কৰ্মসংস্থাপনৰ সম্প্ৰসাৰণৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানৰ সিদ্ধান্তৰ জৰিয়তে মজুৰি সীমা পুনৰ ২৫ হাজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। ইফালে, এই সিদ্ধান্তৰ ফলত কৰ্মচাৰীসকলে ভৱিষ্যনিধিত সঞ্চয়ৰ সুবিধাৰ লগতে Employees’ Pension Scheme (EPS)-ৰ অধীনত পেঞ্চন সুৰক্ষা আৰু Employees’ Deposit Linked Insurance Scheme (EDLI)-ৰ অধীনত বীমা সুৰক্ষাও লাভ কৰিব বুলি জানিব পৰা গৈছে।

শ্বেহজাদ ভাট্টি নেটৱৰ্কক ইউএপিএৰ

নামৰ এই সংগঠনটো সীমান্তৰ সিপাৰৰ পৰা অস্ত্ৰ-শস্ত্ৰ, বিস্ফোৰক পদাৰ্থ আৰু নিচাযুক্ত সামগ্ৰী সৰবৰাহত জড়িত। সংগঠনটোৱে সহজে প্ৰভাৱিত হোৱা যুৱক-যুৱতী আৰু স্থানীয় সৰু-সুৰা অপৰাধত জড়িত লোকসকলক সন্ত্ৰাসবাদী কাৰ্যকলাপৰ দিশে প্ৰৰোচিত কৰাৰ কামতো জড়িত। ইয়াৰ জৰিয়তে দেশৰ গণতান্ত্ৰিক ব্যৱস্থা, সাম্প্ৰদায়িক সম্প্ৰীতি আৰু অভ্যন্তৰীণ নিৰাপত্তাৰ প্ৰতি গুৰুতৰ ভাবুকি সৃষ্টি কৰাই এই নেটৱৰ্কৰ মূল উদ্দেশ্য। গৃহমন্ত্ৰীৰ কাৰ্যালয়ে এ’ (পূৰ্বৰ টুইটাৰ)ত প্ৰকাশ কৰা এক পোষ্টত উল্লেখ কৰা হৈছে যে এই সংগঠনটোৱে হিংসাত্মক কাৰ্যকলাপৰ জৰিয়তে সন্ত্ৰাসবাদৰ সম্প্ৰসাৰণ কৰি আহিছে। ইয়াৰ ফলত ৰাজহুৱা শৃংখলা ব্যাহত হৈছে। লগতে বিভিন্ন ডিজিটেল যোগাযোগ মাধ্যম ব্যৱহাৰ কৰি উচটনিমূলক আৰু ঘৃণামূলক বিষয়বস্তু প্ৰচাৰ কৰি দেশৰ অখণ্ডতা আৰু সাম্প্ৰদায়িক সম্প্ৰীতিক লক্ষ্য কৰি আহিছে। গৃহ মন্ত্ৰণালয়ে জনাইছে যে শ্বেহজাদ ভাট্টি নেটৱৰ্কৰ এনে কাৰ্যকলাপে ভাৰতৰ গণতান্ত্ৰিক ব্যৱস্থা আৰু অভ্যন্তৰীণ নিৰাপত্তাৰ প্ৰতি প্ৰত্যক্ষ ভাবুকি সৃষ্টি কৰিছে। সেয়েহে ইউএপিএৰ অধীনত ইয়াক সন্ত্ৰাসবাদী সংগঠন হিচাপে ঘোষণা কৰা হৈছে। এই পদক্ষেপৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে সন্ত্ৰাসবাদ আৰু ইয়াৰ সহায়ক নেটৱৰ্কসমূহৰ বিৰুদ্ধে কঠোৰ মনোভাৱ স্পষ্ট কৰিছে।

ওদালগুৰিৰ বিদেশী ন্যায়াধীকৰণ আদালতৰ ন্যায়াধীশ ভূপেন চন্দ্ৰ

স্থানীয় লোকক চতুৰ্থ বৰ্গৰ চাকৰিত নিয়োগ, বিটিচিত নিৰ্বাচনী আচৰণ বিধি বলৱৎ থকাৰ সময়তে নিযুক্তি প্ৰদান, পশু চিকিৎসা বিভাগৰ অতিথিশালাক বাসগৃহ তথা আদালত হিচাপে ব্যৱহাৰৰ অভিযোগ উত্থাপন হৈছে। আৰক্ষীয়ে পেগুক গ্ৰেপ্তাৰ কৰি ৫০/২৬ নম্বৰত এটা গোচৰ ৰুজু কৰিছে।

অংকিতা এণ্টাৰপ্ৰাইজৰ সৌজন্যত ২৬ ছেপ্টেম্বৰত বিশেষ আড্ডা; মুখ্য অতিথি হৃষিকেশ গোস্বামী

জীৱনক উদযাপনৰ ব্যতিক্ৰমী প্ৰয়াস ‘শনিবৰীয়া আড্ডা’

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১৫ ছেপ্টেম্বৰ ঃ ব্যস্ততা আৰু গতানুগতিকতাৰ মাজতো জীৱনক অলপ বেলেগ ধৰণে উপভোগ কৰাৰ লগতে সাহিত্য, সংস্কৃতি, গীত-মাত আৰু মননশীল আলোচনাৰ জৰিয়তে এক সুন্দৰ সামাজিক পৰিৱেশ গঢ়ি তোলাৰ উদ্দেশ্যে অংকিতা এণ্টাৰপ্ৰাইজৰ সৌজন্যত আয়োজন কৰা হৈছে ‘শনিবৰীয়া আড্ডা’ৰ এক ব্যতিক্ৰমী অনুষ্ঠান। ‘জীৱনক উদ্‌যাপন কৰাৰ এক ব্যতিক্ৰমী প্ৰয়াস... শনিবৰীয়া আড্ডা’ শীৰ্ষক এই অনুষ্ঠানটো অহা ২৬ ছেপ্টেম্বৰ, শনিবাৰে সন্ধিয়া ৬বজাত সৰুপথাৰৰ ৰংঘৰ ৰাজহুৱা ভৱন প্ৰাংগনত অৱস্থিত অংকিতা এণ্টাৰপ্ৰাইজৰ বাকৰিত অনুষ্ঠিত হ'ব। প্ৰতি মাহৰ শেষৰ শনিবাৰে অনুষ্ঠিত হ'বলগীয়া এই আড্ডাৰ মূল উদ্দেশ্য হৈছে গতানুগতিকতাৰ বিপৰীতে কিছু সময়ৰ বাবে মানুহে মানুহৰ সৈতে মুখামুখি হৈ ভিন্নজনৰ ভিন্ন অভিজ্ঞতা, জীৱনবোধ আৰু চিন্তা-চৰ্চা বিনিময় কৰা। গীত-মাত, সাহিত্যৰ সৰস আলোচনা আৰু বিভিন্নজনৰ জীৱন-অভিজ্ঞতাৰ আদান-প্ৰদানৰ মাজেৰে জীৱনক অধিক জীপাল কৰি তোলাৰ এই প্ৰয়াসে সৰুপথাৰৰ সামাজিক-সাংস্কৃতিক পৰিৱেশত এক নতুন মাত্ৰা সংযোজন কৰিব বুলি আশা কৰা হৈছে। এই মাহৰ ‘শনিবৰীয়া আড্ডা’ৰ বিশেষ অতিথি হিচাপে উপস্থিত থাকিব সুবক্তা, মননশীল লেখক তথা অসম শিশু সাহিত্য ন্যাসৰ সচিব হৃষিকেশ গোস্বামী। তেওঁৰ চিন্তাশীল বক্তব্য আৰু সাহিত্য-জীৱনৰ অভিজ্ঞতাৰে অনুষ্ঠানটো অধিক সমৃদ্ধ হোৱাৰ আশা কৰা হৈছে। অংকিতা এণ্টাৰপ্ৰাইজৰ হৈ অনুষ্ঠানটোৰ আহ্বায়ক হিচাপে দায়িত্ব গ্ৰহণ কৰিছে দ্বিপেন কুমাৰ বৰাই। তেখেতে সৰুপথাৰ অঞ্চলৰ সাহিত্য-সংস্কৃতিপ্ৰেমী, সচেতন নাগৰিক তথা আড্ডাপ্ৰেমী ৰাইজক অনুষ্ঠানটোত উপস্থিত থাকি এই ব্যতিক্ৰমী প্ৰয়াসৰ সহযোগী হ'বলৈ আন্তৰিক আহ্বান জনাইছে। একেলগে কিছু সময় হাঁহি-ধেমালি, কথা-বতৰা, গীত-মাত আৰু সাহিত্যৰ সুৰভিৰে জীৱনক উদযাপন কৰাৰ বাবে সকলোকে আমন্ত্ৰণ জনাইছে।

ডিব্ৰুগড়ৰ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়ত ‘উল্লাস অভিযান’ৰ সজাগতা সভা

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৫ ছেপ্টেম্বৰ ঃ সমাজৰ পৰা নিৰক্ষৰতা দূৰ কৰি শিক্ষাৰ পোহৰ সকলোৰে মাজলৈ লৈ যোৱাৰ লক্ষ্যৰে ৰূপায়িত ‘উল্লাস অভিযান’ৰ এখন সজাগতা সভা আজি ডিব্ৰুগড়ৰ বৈৰাগীমঠস্থিত শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ভূষণ জ্যোতি সন্দিকৈৰ অধ্যক্ষতাত অনুষ্ঠিত সভাত ‘উল্লাস অভিযান’ৰ সমন্বয়ক হেমন্ত হাজৰিকাই অভিযানটোৰ লক্ষ্য, উদ্দেশ্য, গুৰুত্ব আৰু সামাজিক তাৎপৰ্য সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক বিস্তৃতভাৱে অৱগত কৰে। তেওঁ কয় যে সমাজৰ নিৰক্ষৰ লোকসকলক সাক্ষৰ কৰি তোলাৰ ক্ষেত্ৰত কেৱল চৰকাৰী ব্যৱস্থাই নহয়, ছাত্ৰ-ছাত্ৰী আৰু যুৱ সমাজেও সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলে কেনেদৰে ‘উল্লাস অভিযান’ৰ সৈতে জড়িত হৈ নিজৰ অঞ্চলৰ নিৰক্ষৰ লোকসকলক সাক্ষৰতা প্ৰদানৰ ক্ষেত্ৰত সহায় কৰিব পাৰে, সেই বিষয়েও সমন্বয়কগৰাকীয়ে বুজাই দিয়ে। শিক্ষাৰ পোহৰ সমাজৰ প্ৰতিটো স্তৰলৈ প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক সামাজিক দায়বদ্ধতাৰে আগবাঢ়ি আহিবলৈ তেওঁ আহ্বান জনায়। সজাগতা সভাত অনিল প্ৰসাদ সিংহ, গুণীন শেনচোৱা, মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ‘উল্লাস অভিযান’ৰ ক্ষেত্ৰকৰ্মীসকল উপস্থিত থাকে। শলাগৰ শৰাই আগবঢ়ায় অনিল প্ৰসাদ সিংহই।

বিশ্বনাথ আৰক্ষৰ সাফল্য; আটক দুই মানৱ সৰবৰাহকাৰীক

অসম বাৰ্তা, জিনজিয়া, ১৫ ছেপ্টেম্বৰ ঃ ঘটনাৰ বিৱৰণী অনুসৰি কালি এজনী ১০ বছৰীয়া ছোৱালী বিশ্বনাথৰ নিলপুৰ বাগানৰ পৰা অপহৰণ কৰে মানৱ সৰবৰাহ কাৰী এটা দলে। ততাতয়াকৈ বিশ্বনাথৰ বিধায়ক পল্লৱ লোচন দাসক কথাটো অৱগত কৰে পৰিয়ালৰ লোকে বিধায়ক গৰাকীৰ তৎপৰতা আৰু আৰক্ষীৰ অভিযানত আজি অপহৃত ছোৱালী জনীক উদ্ধাৰ কৰিবলৈ সক্ষম হয় বিশ্বনাথ আৰক্ষীয়ে। বিশ্বনাথ আৰক্ষীৰ দলে অপহৰণৰ লগত জড়িত দুই অপহৰণ কাৰী ক্ৰমে অৰ্জুন গোৱালা আৰু ভাইটি নায়কক ইতিমধ্যে কৰায়ত্ত কৰি আদালতলৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰিছে। বিশ্বনাথৰ বিধায়ক পল্লৱ লোচন দাসে বিশ্বনাথ আৰক্ষীক ধন্যবাদ জনাই কয় যে অতাগত সময়ত এই বিষয়ে গাওঁ পঞ্চায়ত অঞ্চলত সজাগতা মূলক সভা অনুষ্ঠিত কৰি ৰাইজক সচেতন কৰিব লাগিব। অপহৰণ কাৰিৰ কবলৰ পৰা উদ্ধাৰ কৃত ১০ বছৰীয়া ছোৱালী জনীক আজি পৰিয়ালৰ লোকক চমজাই দিব আৰক্ষীয়ে বুলি সদৰী কৰে আৰক্ষী অধীক্ষক গৰাকীয়ে।

জনজাতিকৰণ, ভূমি সমস্যা সমাধানৰ আশ্বাস বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীৰ

গোসাঁইগাঁৱৰ কচুগাঁৱত ৪ৰ্থ বাৰ্ষিকী আদিবাসী চুক্তি দিৱস পালন

অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১৫ ছেপ্টেম্বৰ ঃ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত কচুগাঁও উচ্চতৰ মাধ্যমিক খেলপথাৰত আদিবাসী উন্নয়ন কল্যাণ পৰিষদৰ উদ্যোগত ৪ৰ্থ বাৰ্ষিকী আদিবাসী চুক্তি দিৱস পালন কৰা হয়। কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী। অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে আদিবাসীসকলৰ দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ ক্ষেত্ৰত বিটিচি চৰকাৰে সহায় কৰাৰ আশ্বাস প্ৰদান কৰে। বিশেষকৈ আদিবাসীসকলৰ জনজাতিকৰণৰ সমস্যা সমাধানৰ ক্ষেত্ৰত বিটিচি চৰকাৰে যথেষ্ট সহায় কৰিব বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ লগতে বনাঞ্চলত বসবাস কৰা আদিবাসীসকলৰ ভূমি সমস্যা সমাধানৰ ক্ষেত্ৰতো ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আশ্বাস দিয়ে বিটিচি প্ৰধানগৰাকীয়ে। আদিবাসী চুক্তিৰ বাকী থকা দফাসমূহ ৰূপায়ণৰ ক্ষেত্ৰতো বিটিচি চৰকাৰে সহায় কৰিব বুলি তেওঁ উল্লেখ কৰে। কাৰ্যসূচীত বিটিচি শিক্ষা বিভাগৰ কাৰ্যবাহী সদস্য তথা বিধায়ক ৰবিৰাম নাৰ্জাৰী, কাৰ্যবাহী সদস্য দেৰহাচত বসুমতাৰী, গোসাঁইগাঁও বিধায়ক শোভাৰাম বসুমতাৰী আৰু কাৰ্যবাহী সদস্য মৃত্যুঞ্জয় নাৰ্জাৰী উপস্থিত থাকে। ইয়াৰ উপৰি আদিবাসী কল্যাণ পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দুৰ্গা হাচদা, আদিবাসী কল্যাণ উন্নয়ন পৰিষদৰ সভাপতি জাবৰিয়াছ খাখাকে ধৰি বহু কেইগৰাকী নেতৃবৃন্দই অনুষ্ঠানত অংশগ্ৰহণ কৰে। আদিবাসীসকলৰ অধিকাৰ সুৰক্ষা আৰু দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ দাবীৰে অনুষ্ঠিত এই কাৰ্যসূচীত বিভিন্ন বক্তাই আদিবাসী চুক্তিৰ দফাসমূহ শীঘ্ৰে ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

মোৰ ন্যায় ব্যৱস্থাৰ ওপৰত সম্পূৰ্ণ আস্থা আছে, যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰব জুবিনে ন্যায় পাবই লাগিব ঃ গৰিমা শইকীয়া গাৰ্গ

অসম বাৰ্তা, তেজপুৰ সদৰ, ১৫ ছেপ্টেম্বৰ ঃ মোৰ ন্যায় ব্যৱস্থাৰ ওপৰত সম্পূৰ্ণ আস্থা আছে, যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰব জুবিনে ন্যায় পাবি লাগিব। সেইটো আমাৰ দাবী/অনুৰোধ আবেগ অনুভূতি সকলো জড়িত হৈ আছে। জুবিন অসমৰ স্বাভিমান। জুবিনে ন্যায় নাপালে ন্যায় শব্দটোৰ অৰ্থই নাথাকিব, দোষীয়ে শাস্তি পাবই লাগিব। ১৯তাৰিখে কি হৈছিল সেইটো আমাক সকলোকে লাগে, উত্তৰ মোকো লাগে আজি সাংস্কৃতিক নগৰী তেজপুৰৰ ধনোৱা নগৰত জুবিন অনুৰাগী ৰোহন দাসৰ “POLYPHONIC MUSICAL STUDIO” মুকলি কৰি এই মন্তব্য জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গ শইকীয়াৰ। আজি বিয়লি তেজপুৰৰ শিল্পী কলা কুশলী আৰু জুবিন অনুৰাগীৰ উপস্থিতিত জুবিন অনুৰাগী ৰোহন দাসক জুবিনে কোৱা “তই মিউজিক কৰে নেকি?” জুবিনৰ আলোকচিত্ৰৰ ওপৰতে লিখা জুবিনৰ বাণী সম্বলিত আলোকচিত্ৰ এখনো উন্মোচন কৰি গৰিমা গাৰ্গে ১৯ চেপ্টেম্বৰৰ প্ৰাক ক্ষণত জুবিনৰ কথাৰেই মোক মনত থকাতকৈ মোৰ সৃষ্টিক উদ্‌যাপন কৰক, মোৰ কামখিনি মনত ৰাখক সেই আহ্বানৰে ইতিবাচক দিশৰে আগবাঢ়ি জুবিনক জীয়াই ৰখাৰ আহ্বান জনায়। অনুষ্ঠানত তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথ্বীৰাজ ৰাভাইও অংশ গ্ৰহণ কৰে।

ত্ৰিপুৰাত অনুষ্ঠিত হ'ব ৰাষ্ট্ৰীয় পৰ্যায়ৰ চূড়ান্ত প্ৰতিযোগিতা

বৰপেটাৰোডত উত্তৰ-পূৰ্বাঞ্চল কলা মেলাৰ প্ৰতিযোগিতা সম্পন্ন

অসম বাৰ্তা, কুমুল্লী পাৰা, ১৫ ছেপ্টেম্বৰ ঃ চিত্ৰায়ন একাডেমীৰ উদ্যোগত আৰু উত্তৰ-পূৰ্বাঞ্চল কলা মেলাৰ সহযোগত আজি বৰপেটাৰোডৰ মহৰ্ষি বিদ্যাপীঠত উলহ-মালহপূৰ্ণ পৰিৱেশত ৰাষ্ট্ৰীয় আৰ্ট, ড্ৰইং আৰু হেণ্ড ৰাইটিং প্ৰতিযোগিতা অনুষ্ঠিত হয়। অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নিহিত হৈ থকা সৃষ্টিশীল প্ৰতিভাৰ বিকাশ আৰু তেওঁলোকক কলা-সংস্কৃতিৰ প্ৰতি অধিক আগ্ৰহী কৰি তোলাৰ লক্ষ্যৰে আয়োজিত এই প্ৰতিযোগিতাত বিভিন্ন শ্ৰেণীৰ বহু ছাত্ৰ-ছাত্ৰীয়ে উৎসাহ-উদ্দীপনাৰে অংশগ্ৰহণ কৰে। চিত্ৰাংকন, আৰ্ট আৰু সুন্দৰ হস্তাক্ষৰৰ জৰিয়তে প্ৰতিযোগীসকলে নিজৰ প্ৰতিভা আৰু সৃষ্টিশীলতাৰ পৰিচয় দাঙি ধৰে। প্ৰতিযোগিতাখনে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সুপ্ত প্ৰতিভা বিকাশৰ লগতে প্ৰতিযোগিতামূলক মানসিকতা, নান্দনিক বোধ আৰু আত্মবিশ্বাস গঢ়ি তোলাত সহায় কৰিব বুলি উদ্যোক্তাসকলে আশা প্ৰকাশ কৰে। প্ৰতিযোগিতাখনক কেন্দ্ৰ কৰি মহৰ্ষি বিদ্যাপীঠ চৌহদত ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু সংশ্লিষ্টসকলৰ মাজত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। উল্লেখ্য যে বৰপেটাৰোডত অনুষ্ঠিত এই পৰ্যায়ৰ প্ৰতিযোগিতাৰ পৰা নিৰ্বাচিত প্ৰতিযোগীসকলে পৰৱৰ্তী সময়ত ত্ৰিপুৰাত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ চূড়ান্ত প্ৰতিযোগিতাত অংশগ্ৰহণৰ সুযোগ লাভ কৰিব। উদ্যোক্তাসকলে প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত মঞ্চ প্ৰদানৰ এনে পদক্ষেপে উত্তৰ-পূৰ্বাঞ্চলৰ যুৱ প্ৰজন্মৰ সৃষ্টিশীল প্ৰতিভাক ৰাষ্ট্ৰীয় পৰ্যায়ত উজলাই তুলিব বুলি আশা প্ৰকাশ কৰে।

হাৰমতীত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি উন্মোচন

অসম বাৰ্তা, বান্দৰদেৱা, ১৫ ছেপ্টেম্বৰ ঃ লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী বান্দৰদেৱাৰ সমীপৰ হাৰমতী আঞ্চলিক যুৱ সংঘৰ উদ্যোগত আজি উন্মোচন কৰা হয় অসমৰ প্ৰাণৰ শিল্পী, হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি। আজি উক্ত অনুষ্ঠানত উপস্থিত থাকি জুবিন গাৰ্গৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰে প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়াই। জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি উন্মোচন কৰে তেওঁৰ সহধৰ্মীনি গৰিমা শইকীয়া গাৰ্গে। অনুষ্ঠানটিত কেইবা হেজাৰো গুণমুগ্ধই স্বতঃস্ফূৰ্ত ভাৱে আহি অংশগ্ৰহণ কৰাৰ লগতে প্ৰতিমূৰ্তিৰ কাষত”জয় জুবিন দা” “জুবিনদা অমৰ হওক’ আদি শ্লোগানেৰে প্ৰতিধ্বনিত কৰি সমগ্ৰ অঞ্চল বিয়পাই তোলা পৰিলক্ষিত হয়।

গোলাঘাটত ‘মিছ ৰয়েল অৱ আইকন ফেচ ২০২৬’ খিতাপ অৰ্জন দুধনৈৰ বনজিতা দৈমাৰীৰ



অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১৫ ছেপ্টেম্বৰ ঃ গোলাঘাটত শেহতীয়াকৈ সফলভাৱে সামৰণি পৰে ক্লু ছিকে গ্ৰুপৰ দ্বাৰা আয়োজিত “মিষ্টাৰ এণ্ড মিছ ৰয়েল অৱ আইকন ফেচ ২০২৬ — ছিজন ৪” সৌন্দৰ্য প্ৰতিযোগিতাখনৰ। কিডছ, টিন আৰু মিছ শাখাত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাখনত অসমৰ প্ৰতিভাৱান যুৱতী বনজিতা দৈমাৰীয়ে ‘মিছ উইনাৰ’ (Miss Winner) খিতাপ অৰ্জন কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনে। বনজিতাই গোৱালপাৰাৰ দুধনৈ অঞ্চলক প্ৰতিনিধিত্ব কৰি এই সাফল্য লাভ কৰে। প্ৰতিযোগিতাৰ মঞ্চত নিজৰ আত্মবিশ্বাস, ব্যক্তিত্ব, মাৰ্জিত উপস্থাপনা আৰু আকৰ্ষণীয় কেটৱাকৰ জৰিয়তে বনজিতাই বিচাৰকসকলৰ মন জয় কৰিবলৈ সক্ষম হয়। ফেশ্বন আৰু মডেলিং জগতৰ এই সন্মানীয় জয় তেওঁৰ ভৱিষ্যত যাত্ৰাৰ বাবে এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। এই প্ৰতিযোগিতাত গ্ৰেণ্ড জাজ (মুখ্য বিচাৰক) হিচাপে উপস্থিত থাকে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন মডেল ৰোহন খান। উদীয়মান মডেল সকলক নিজৰ আত্মবিশ্বাস আৰু প্ৰতিভা প্ৰদৰ্শনৰ এক বিশেষ মঞ্চ প্ৰদান কৰাৰ উদ্দেশ্যে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। আয়োজক সমিতিয়ে বনজিতা দৈমাৰীৰ এই উল্লেখযোগ্য সাফল্যৰ বাবে আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। একেদৰে প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী প্ৰতিযোগীৰ নিষ্ঠা আৰু প্ৰতিভাকো আয়োজকসকলে শলাগ লয়।

ডুমডুমা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চৰ বিশেষ সভা আহ্বান

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৫ ছেপ্টেম্বৰ ঃ বৃহত্তৰ ডুমডুমা অঞ্চলটোৰ অন্যতম এখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ডুমডুমা মহাবিদ্যালয়ে ইতিমধ্যে সোণালী জয়ন্তী অতিক্ৰম কৰি বৰ্তমান বৰ্ষজোৰা কাৰ্যসূচীৰে হীৰক জয়ন্তী বৰ্ষ উদযাপন কৰি আছে। হীৰক জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান অহা ২০২৭ বৰ্ষৰ ৩০ জুনৰ পৰা বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ডুমডুমা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চৰ সৌজন্যত সোণালী জয়ন্তী বৰ্ষৰ সোণসেৰীয়া স্মৃতিত বাটচ'ৰাটি নিৰ্মাণ কৰি উলিওৱা হৈছিল। হীৰক জয়ন্তী বৰ্ষ উলহ মালহেৰে উদযাপন কৰাৰ লগতে মহাবিদ্যালয়ৰ ঐতিহ্য উজ্জ্বলাই তুলিব পৰাকৈ ঐক্যবদ্ধতাৰে মহাবিদ্যালয়খনৰ বাবে কৰ্মসূচী প্ৰস্তুতৰ লগতে আগন্তুক দিনত একেলগে ন-পুৰণি সমাহাৰেৰে মিলনৰ চানেকি তুলি ধৰাৰ উপলক্ষৰে অহা ১৬ ছেপ্টেম্বৰ তাৰিখে দিনৰ ১১ বজাত মহাবিদ্যালয়ৰ কল্লোল প্ৰেক্ষাগৃহত এখনি বিশেষ সভা আহ্বান কৰা হৈছে। এই সভাতেই প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চৰ সমিতিখনকো পূৰ্ণাংগ ৰূপ দিয়া হ'ব। ডুমডুমা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক এই সভাখনত উপস্থিত থাকি এগৰাকী দায়বদ্ধ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী হিচাপে দিহা-পৰামৰ্শ আগবঢ়োৱাৰ লগতে আগন্তুক দিনৰ কাৰ্যসূচী ঠিক কৰিবলৈ বিনম্ৰতাৰে আমন্ত্ৰণ জনাইছে ডুমডুমা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চৰ সভাপতি ৰাজীৱ লোচন বৰা, কাৰ্যকৰী সভাপতি পিংকু মৰাণ আৰু সম্পাদক পদ্মজিত মৰাণে।

সৰস্বতী পূজা আৰু শংকৰদেৱৰ তিথি পালন নকৰাক লৈ মিছনেৰী বিদ্যালয় কৰ্তৃপক্ষক জবাবদিহি

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৫ ছেপ্টেম্বৰ ঃ মৰিগাঁও জিলাৰ ভুৰবন্ধাস্থিত খাটৰবড়ি মিছনেৰী বিদ্যালয়ত সৰস্বতী পূজা আৰু শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ তিথি পালন নকৰাৰ বিপৰীতে খ্ৰীষ্টমাছ উদযাপন কৰাক কেন্দ্ৰ কৰি বিদ্যালয়খনৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে অসন্তুষ্টি প্ৰকাশ কৰিছে হিন্দু জাগৰণ অসম আৰু ভুৰবন্ধা অঞ্চলৰ একাংশ ৰাইজে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ মাজত ভাৰতীয় তথা অসমৰ ধৰ্মীয়, সাংস্কৃতিক আৰু ঐতিহ্যবাহী পৰম্পৰাৰ সৈতে জড়িত অনুষ্ঠানসমূহ পালন কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হোৱা নাই। বিশেষকৈ বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ তিথি পালন নকৰাক লৈ ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইয়াৰ বিপৰীতে বিদ্যালয়খনত খ্ৰীষ্টমাছ উদ্‌যাপন কৰা বিষয়টোৱে অধিক চৰ্চা লাভ কৰিছে। এই বিষয়টোক লৈ হিন্দু জাগৰণ অসম আৰু ভুৰবন্ধাৰ একাংশ সচেতন ৰাইজে বিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত জবাবদিহি বিচাৰে। ৰাইজে বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অসমৰ সমাজ-সংস্কৃতি, ঐতিহ্য আৰু মহাপুৰুষসকলৰ আদৰ্শৰ বিষয়ে সমানভাৱে জ্ঞান প্ৰদানৰ দাবী জনায়। লগতে বিদ্যালয় কৰ্তৃপক্ষই আগন্তুক দিনত সকলো ধৰ্ম আৰু সংস্কৃতিৰ প্ৰতি সমমৰ্যাদা প্ৰদৰ্শন কৰি শিক্ষাৰ্থীৰ মাজত সম্প্ৰীতি আৰু সহিষ্ণুতাৰ পৰিৱেশ গঢ়ি তুলিব লাগে বুলি মত প্ৰকাশ কৰে। ইফালে, বিষয়টোক লৈ সৃষ্টি হোৱা বিতৰ্ক সন্দৰ্ভত বিদ্যালয় কৰ্তৃপক্ষৰ স্পষ্ট বক্তব্য জানিব পৰা হোৱা নাই।

মাকুমৰ সাংস্কৃতিক সাধক প্ৰফুল্ল খাউণ্ডৰ আকস্মিক বিয়োগ

অসম বাৰ্তা, মাকুম, ১৫ ছেপ্টেম্বৰ ঃ অসমৰ থলুৱা সাংস্কৃতিক জগতলৈ অপূৰণীয় ক্ষতি কঢ়িয়াই মাকুমৰ ডিমৰুহোলা গাঁৱৰ বিশিষ্ট থলুৱা শিল্পী তথা সাংস্কৃতিক সাধক প্ৰফুল্ল খাউণ্ডৰ আকস্মিক বিয়োগ ঘটে। কালি হঠাৎ অসুস্থ হৈ পৰা প্ৰফুল্ল খাউণ্ডক পৰিয়ালৰ লোকে ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰাইছিল যদিও আজি পুৱাৰ ভাগত চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৪৭ বছৰ। থলুৱা সংস্কৃতি আৰু পৰম্পৰাৰ প্ৰতি গভীৰ অনুৰাগী প্ৰফুল্ল খাউণ্ডে দীৰ্ঘদিন ধৰি মৰাণ জনগোষ্ঠীৰ পৰম্পৰাগত লোকবাদ্য নিৰ্মাণ আৰু পৰিৱেশনৰ সৈতে জড়িত হৈ আছিল। কেৱল লোকবাদ্য নিৰ্মাণতেই সীমাবদ্ধ নাথাকি মৰাণ জনগোষ্ঠীৰ বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানত পৰম্পৰাগত ঘৰ, গোহালি, নামঘৰ, চাংঘৰ আদি নিৰ্মাণ কৰি প্ৰদৰ্শনীৰ জৰিয়তে জনগোষ্ঠীটোৰ চহকী লোকজীৱন আৰু ঐতিহ্য ৰাইজৰ সন্মুখত তুলি ধৰিছিল। তেওঁৰ এনে প্ৰচেষ্টাই ৰাইজৰ মাজত যথেষ্ট সমাদৰ লাভ কৰিছিল। ইয়াৰ উপৰি মৰাণ জনগোষ্ঠীৰ পৰম্পৰাগত বিহু, বিহুনাম আদি নিভাঁজ কণ্ঠেৰে পৰিৱেশন কৰি তেওঁ থলুৱা লোকসংস্কৃতিৰ প্ৰচাৰ আৰু সংৰক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। নিজৰ সৃষ্টিশীলতা, দক্ষতা আৰু সাংস্কৃতিক সাধনাৰে তেওঁ মৰাণ জনগোষ্ঠীৰ লোকঐতিহ্যক নৱপ্ৰজন্মৰ মাজলৈ আগবঢ়াই নিয়াত বিশেষ অৰিহণা যোগাইছিল। তেওঁৰ আকস্মিক বিয়োগত মৰাণ জনগোষ্ঠীৰ বিভিন্ন দল-সংগঠনৰ লগতে অন্যান্য জনগোষ্ঠীয় দল-সংগঠন আৰু সাংস্কৃতিক মহলে গভীৰ শোক প্ৰকাশ কৰিছে। শোকসন্তপ্তসকলে প্ৰয়াত শিল্পীগৰাকীৰ আত্মাৰ সদ্‌গতি কামনা কৰাৰ লগতে তেওঁৰ পত্নী, একমাত্ৰ সন্তান আৰু পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

১০ নং গোৱৰ্দ্ধনা গাঁও পঞ্চায়তত ধোঁৱাচাঙত পৰিণত লাখটকীয়া জলজীৱন মিছন আঁচনি

ধোঁৱাচাঙত প্ৰধানমন্ত্ৰীৰ সপোনৰ জল জীৱন মিছন আঁচনি

ৰাইজে পোৱা নাই এটোপাল বিশুদ্ধ খোৱাপানী

অসম বাৰ্তা, খাৰিজাবিজনী, ১৫ ছেপ্টেম্বৰ ঃ “হৰ ঘৰ নল, হৰ ঘৰ জল” শ্লোগানেৰে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশত আৰম্ভ কৰিছিল এক অভিলাষী আঁচনি “জল জীৱন মিছন। প্ৰতিটো পৰিয়াললৈ বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ লক্ষ্য আগত ৰাখি ব্যয় কৰি আহিছে হাজাৰ-হাজাৰ কোটি টকা। অভিযোগ অনুসৰি বৰপেটা জিলাৰ গোৱৰ্দ্ধনা উন্নয়ন খণ্ডৰ ১০নং গোৱৰ্দ্ধনা গাঁও পঞ্চায়তৰ বিভিন্ন গাঁও যেনে গোৱৰ্দ্ধনা, গামাৰীগুৰী, হটাপাৰাকে আদি কৰি পঞ্চায়তখনৰ বিভিন্ন এলেকাত এই আঁচনিৰ পৰা অধিকাংশ অঞ্চলৰ ৰাইজে পোৱা নাই এটোপাল বিশুদ্ধ খোৱাপানী। বিকল হৈ পৰি ৰৈছে পানী যোগানৰ সা-সঁজুলিসমূহ। ইতিমধ্যে অধিকাংশ আঁচনিৰ ধন মোকলাই পকেট গৰম কৰিছে একাংশ ঠিকাদাৰৰ লগতে বিষয়া-আমলাই। অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে ৰূপায়ণ কৰা এই আঁচনি খনৰ প্ৰায় ৯০ শতাংশ পানী যোগান আঁচনিয়ে বিকল হৈ পৰি ৰৈছে। বিগত কেইবাতাও বৰ্ষ উকলি যোৱাৰ পিছতো এটোপাল বিশুদ্ধ খোৱাপানী পাবলৈ সক্ষম হোৱা নাই বুলি পঞ্চায়তবাসী ৰাইজে অভিযোগ উৎথাপন কৰিছে। উল্লেখ্য বিষয় যে বিদ্যালয়ৰ কণ-কণ ছাত্ৰ-ছাত্ৰীক বিশুদ্ধ খোৱাপানী যোগানৰ বাবে লক্ষাধিক টকা ব্যয়েৰে অংগনবাড়ী কেন্দ্ৰ/বিদ্যালয়ত নিৰ্মাণ কৰা হৈছিল এই জল জীৱন মিছনৰ আঁচনিখন। কিন্তু নিৰ্মাণৰ পিছৰে পৰা প্ৰায়ভাগ বিদ্যালয়তে সম্প্ৰতি পৰিত্যক্ত আৰু বিকল হৈ আছে আঁচনিসমূহ। ৰাজকোষৰ হাজাৰ-হাজাৰ কোটি টকা ব্যয় সাপেক্ষে ৰূপায়ণ কৰা এই জল জীৱন মিছন আঁচনিখন এতিয়া ভালুকৰ সাঙীত পৰিনত হৈছে। আঁচনিৰ দ্বাৰা প্ৰকৃতাৰ্থত ৰাইজ উপকৃত হৈছে নে নাই তাৰ ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰিছে সচেতন ৰাইজে।

১৬ জনীয়া নতুন কমিটিত সভাপতি মনোৱাৰ হুছেইন, উপ-সভাপতি খাজা ছৰহাব উদ্দিন

অসম বাৰ্তা, অভয়াপুৰী, ১৫ ছেপ্টেম্বৰ ঃ বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষা খণ্ডৰ অন্তৰ্গত আমবাৰী বাৰেগড় হাইস্কুলৰ নতুন বিদ্যালয় পৰিচালনা সমিতি (SMC) গঠন কৰা হয়। বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ উন্নত কৰাৰ লগতে বিদ্যালয়ৰ বিভিন্ন দিশত অভিভাৱক, শিক্ষক আৰু স্থানীয় ৰাইজৰ সহযোগিতা নিশ্চিত কৰাৰ লক্ষ্যৰে অনুষ্ঠিত সভাত ভোটদানৰ জৰিয়তে পৰিচালনা সমিতিখন গঠন কৰা হয়। সভাপতি পদৰ নিৰ্বাচনত মুঠ ১২টা ভোটৰ ভিতৰত মনোৱাৰ হুছেইনে ৭টা ভোট লাভ কৰি সভাপতি হিচাপে নিৰ্বাচিত হয়। আনহাতে, খাজা ছৰহাব উদ্দিনক উপ-সভাপতি হিচাপে নিৰ্বাচিত কৰা হয়। পৰিচালনা সমিতি(SMC)গঠনক লৈ বিদ্যালয়খনৰ অভিভাৱক তথা স্থানীয় ৰাইজৰ মাজত উৎসাহ পৰিলক্ষিত হয়। নতুন সমিতিখনে বিদ্যালয়খনৰ শৈক্ষিক মান উন্নয়ন, আন্তঃগাঁথনিৰ বিকাশ, ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক সুবিধা বৃদ্ধি আৰু বিদ্যালয়ৰ সামগ্ৰিক পৰিৱেশ উন্নত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰে। সভাপতি হিচাপে নিৰ্বাচিত মনোৱাৰ হুছেইনে বিদ্যালয়খনৰ উন্নয়নৰ স্বাৰ্থত শিক্ষক, অভিভাৱক, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজৰ সহযোগিতা কামনা কৰে।

বিশ্বনাথ জিলাৰ জনতাস্থিত বিহালী মিনি ষ্টেডিয়ামৰ শুভ উদ্বোধন কেবিনেট মন্ত্ৰী বিশ্বজিত দৈমাৰীৰ

অসম বাৰ্তা, জিনজিয়া, ১৫ ছেপ্টেম্বৰ ঃ বিশ্বনাথ জিলাৰ জনতাস্থিত নৱনিৰ্মিত বিহালী মিনি ষ্টেডিয়ামৰ শুভউদ্বোধন কৰে ৰাজ্যৰ ক্ৰীড়া আৰু যুৱ কল্যাণ, হস্ততাঁত আৰু বস্ত্ৰশিল্প, দক্ষতা, নিয়োগ, উদ্যোগ আদি বিভাগৰ কেবিনেট মন্ত্ৰী বিশ্বজিত দৈমাৰীয়ে। মিনি ষ্টেডিয়ামখন উদ্বোধন কৰি কয়, এইখন এতিয়া মিনি ষ্টেডিয়াম হৈ থকা নাই, এক বৃহৎ ক্ৰীড়াক্ষেত্ৰ হিচাপে পৰিগণিত হ'ব। ১১.৬৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা মিনি ষ্টেডিয়ামখনত কেইবাটাও অতিৰিক্ত সা-সুবিধা প্ৰদানৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্তব্য কৰে মন্ত্ৰী গৰাকীয়ে। ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীয়ে ক্ৰীড়াৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দি আহিছে বুলি মন্ত্ৰী গৰাকীয়ে ভাষণ প্ৰসংগত কয়। অনুষ্ঠানত সাংসদ ৰঞ্জিত দত্ত, বিধায়ক মুনীন্দ্ৰ দাস, জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক আছিফ আহমেদ, সমজিলা আয়ুক্ত কবিতা কাকতি কোঁৱৰ প্ৰমুখ্যে প্ৰায় ২ শতাধিক স্থানীয় ৰাইজ উপস্থিত থাকে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন